# শিৱসাগৰ ছোৱালী কলেজ আলোচনী



সম্পাদিকা —
মিছ্ আলেয়া আহমেদ।

১৯৯২-৯৩

*SIBSAGAR GIRLS' COLLEGE MAGAZINE for the session 1992-93 published by the General Secretary, Students' Union of the College and edited by Miss Aleya Ahmed.*

আলোচনী সম্পাদনা সমিতি ঃ

অধ্যক্ষ মঃ হাফিজুৰ ৰহমান, সভাপতি
উপাধ্যক্ষ শ্ৰীবীৰেন তালুকদাৰ, উপ-সভাপতি
অধ্যাপক শ্ৰীদ্ৰোণ কলিতা, উপদেষ্টা
অধ্যাপক শ্ৰীসোণাৰাম বৰুৱা, উপদেষ্টা
অধ্যাপিকা শ্ৰীযমুনা বৰগোহাঁই, উপদেষ্টা
শ্ৰীমতী বেবী মজুমদাৰ, সাধাৰণ সম্পাদিকা
শ্ৰীমতী আলেয়া আহমদ, সম্পাদিকা, কলেজ আলোচনী

বেটুপাত অঙ্কণ ঃ

শ্ৰীজিতেন কাকতী
মেলাচকৰ, শিৱসাগৰ

মুদ্ৰণালয় ঃ

প্ৰিণ্টৱৰ্কস,
শঙ্কৰ মন্দিৰ পথ
শিৱসাগৰ

# শ্ৰদ্ধাঞ্জলি

অকাল মৃত্যুৰ কোলাত আমাৰ পৰা চিৰদিনৰ বাবে বিদায় মাগি গুই পৰা আমাৰ মহাবিদ্যালয়ৰ এজন নিষ্ঠাবান, কৰ্ত্তব্যপৰায়ণ কৰ্ম্মচাৰী শ্ৰীযুত ৰবীন হাজৰিকা-দেৱৰ পবিত্ৰ স্মৃতিত আমাৰ শ্ৰদ্ধাঞ্জলি নিবেদন কৰিলোঁ। লগতে তেওঁৰ শোকাকুল পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰিলো।

# সম্পাদকীয়

সম্পদাকীয় নিবন্ধটি যুগুতোৱাৰ উদ্দেশ্যে কাপ-মৈলাম হাতত লৈয়ে বিপাঙত পৰিছো। কাৰ কথা প্ৰথমে আৰম্ভ কৰো, ক'ৰ পৰা আৰম্ভ কৰো। হঠাৎ মোৰ মনত পৰিছে কবি গনেশ গগৈৰ এফাঁকি কবিতালৈ :—

অসম, অসম, অ' অসম
জন্মভূমি তীৰ্থ ঠাই ;
ধন্য আমাৰ জন্ম, জননী পুণ্যপদৰ পৰশ পাই।

আমি অসমীয়া জাতি সঁচাই ধন্য। কিয়নো আমি সুজলা, সুফলা, শস্য-শ্যামলা চিৰ চেনেহী অসম মাতৃৰ বুকুত জন্মলাভ কৰি নিজকে "অসমীয়া" বুলি গৌৰৱবোধ কৰো। আমি বেলেগ স্বৰ্গ বিচাৰি যাব নালাগে। অসম মাতৃয়েই আমাৰ চিৰ সাধনাৰ লক্ষ্যস্থান। আমি সকলোৱেই এদিন এই অসম মাতৃৰ কোলাতেই চকু মুদিব লাগিব। অসম মাতৃৰ সেৱা কৰি যি সকল বীৰপুত্ৰই প্ৰাণআহুতি দিলে তেওঁলোকক মই শ্ৰদ্ধাৰে সুঁৱৰিছো। তেওঁলোকে যি সোণৰ অসম গঢ়াৰ উদ্দেশ্যে প্ৰাণ আহুতি দিলে সেই অসম আজিৰ অসমীয়াই ভাঙি থান-বান কৰাতহে ব্যস্ত যেন দেখা গৈছে। চৌদিশে হিংসাত্মক কাৰ্য্যকলাপে যি পৰিস্থিতিৰ সৃষ্টি কৰিছে সেই পৰিস্থিতিত ভাই—ভনী, ককাই-ভাই, বাপেক—পুতেক আদিৰ চিনচাৰ হেৰাই গৈছে। অপ-সংস্কৃতিৰ কু-প্ৰভাৱত পৰি আমাৰ সমাজখন সমূলঞ্চে বিপন্ন হোৱাৰ পথত আগবাঢ়ি গৈছে। বৰ্তমান সমগ্ৰ বিশ্বতে যি বিপ্লৱৰ সূচনা হৈছে সেই বিপ্লৱে অসমীয়া জাতিৰ গৌৰৱময় দেশ অসম মাতৃকো সাৰি যাবলৈ দিয়া নাই। অসমত বাহিৰা শত্ৰু সোমাই অসমৰ জনগোষ্ঠীৰ জীৱন বিপৰ্য্যস্ত কৰিছে। অসমৰ জনসাধাৰণৰ নিৰাপত্তাৰ বাবে যি সামৰিক বাহিনী আনি অসম ভৰাই পেলাইছে, সেই সামৰিক বাহিনীয়ে নিৰাপত্তাৰ নামত অসমত উপদ্ৰৱ চলাই অসমীয়া জাতিক জুৰুলা কৰিছে। অসমৰ জীয়ৰী-বোৱাৰীৰ ওপৰত ঠায়ে ঠায়ে পাশৱিক অত্যাচাৰ চলাইছে। সেইয়া অতি দুখ লগা কাহিনী। অসমৰ এচাম পুঁজিপতি আৰু এচাম ভুৱা ৰাজনৈতিক নেতাই লগ-লাগি তেওঁলোকৰ নিজ স্বাৰ্থৰ বাবে অসমৰ সহজ সৰল জনসাধাৰণক এক ভয়ঙ্কৰ বিপদৰ মাজলৈ ঠেলি নিছে। ন্যায়, সততা, সহিষ্ণুতা; কাৰ্য্যনিষ্ঠাৰ ক্ৰমাত বিলুপ্তি ঘটিছে।

## সাহিত্য আৰু সমাজ :

জীৱনৰ লগত সাহিত্যৰ এক ওতঃপ্ৰোত সম্বন্ধ আছে। সাহিত্য সমাজ তথা জাতিৰ দাপোন স্বৰূপ। সময়ৰ লগে লগে সমাজৰ পৰিৱৰ্তন হয় আৰু এই পৰিৱৰ্তনশীল সমাজৰ লগে লগে সাহিত্যইও পুৰণি মোট সলাই নতুন আৱৰণ লয়। পৰিৱৰ্তিত সমাজৰ অভিৰুচি, আকাংক্ষা তথা কল্পনা সাহিত্যত প্ৰকাশ পায়। সমাজৰ আৱশ্যকতা অনুযায়ী বিভিন্ন সময়ত লেখকৰ বিভিন্ন দৃষ্টিভঙ্গী আৰু ৰচনা—ৰীতিৰ আৱশ্যক হয়।

সমাজত ঘটি থকা সকলোবোৰ দুখ দুৰ্গতিৰ ঘটনাৰ প্ৰকৃত ছবিখন আমি এজন সাহিত্যিকৰ লিখনিৰ যোগেদিহে স্পষ্টকৈ বুজিব পাৰো। সাহিত্যৰ অবিহনে আমাৰ সমাজখনক এখন সুস্থ প্ৰগতিশীল সমাজ হিচাপে গঢ়ি তোলাৰ আশা কৰিব নোৱাৰি। সেয়েহে বাস্তৱবাদী সাহিত্যিকৰ এক গধুৰ দায়িত্ব আছে—সমাজক ঠিক পথে বাট দেখুৱাই নিয়াৰ দায়িত্ব। সমাজক সকলো কু-প্ৰভাৱৰ পৰা মুক্ত ৰাখি সবল সুস্থ কৰি তোলাৰ দায়িত্ব।

## মহাবিদ্যালয়ৰ আলোচনী সম্পৰ্কত একাষাৰ ঃ

শিৱসাগৰ ছোৱালী মহাবিদ্যালয়ৰ আলোচনী সম্পাদিকা ৰূপে নিৰ্বাচিত হৈ আমাৰ মহাবিদ্যালয়ৰ বাৰ্ষিক প্ৰকাশ এই আলোচনীখন মোৰ কাৰ্য্যকালৰ ভিতৰতেই সম্পাদনা কৰিম বুলি যি দায়িত্ব মূৰ পাতি লৈছিলো তাক সময়মতে পূৰণ কৰিব নোৱৰাত মই দুঃখিত। উন্নত মানদণ্ডৰ লিখনিৰ অভাৱত আলোচনীখনৰ কামত আগবঢ়াত কিছু পলম হল। মহাবিদ্যালয়ৰ আলোচনী এখন সৰ্বাঙ্গ সুন্দৰ ৰূপত প্ৰকাশ কৰাৰ দায়িত্ব সম্পাদিকাৰ উপৰিও মহাবিদ্যালয়ৰ প্ৰত্যেক গৰাকী ছাত্ৰী বা লেখিকাৰ। কিন্তু এই কথা সৰহ সংখ্যক ছাত্ৰীয়ে উপলব্ধি কৰিব নোৱাৰাটো অতি দুখৰ কথা। ইয়াৰ ফলত আমি ভবামতে আমাৰ মহাবিদ্যালয়ৰ আলোচনীখন সৰ্বাঙ্গ সুন্দৰ ৰূপত সজাব পৰা নহয়। আলোচনীখনৰ বাবে বিভিন্ন লিখনি আমাৰ হাতলৈ আহিছিল যদিও সেই লিখনিসমূহ চালি জাৰি চোৱাৰ পাছত অতি কম সংখ্যক লিখনিহে আলোচনীখনৰ বাবে উপযুক্ত বুলি বিবেচনা কৰা হল। উচিৎ মানদণ্ডৰ লিখনিৰ অভাৱ অনুভৱ কৰি মই পুনৰ ব্যক্তিগত ভাৱে ছাত্ৰী বান্ধৱীসকলক আলোচনীখন সোনকালে প্ৰকাশ কৰিব পৰাকৈ লিখনি আগবঢ়াবলৈ অনুৰোধ জনাওঁ যদিও আশা কৰা মতে আলোচনীখন সমৃদ্ধ কৰি তুলিব নোৱাৰিলো। এই কথা অনস্বীকাৰ্য্য যে মহাবিদ্যালয়ৰ আলোচনীত স্থান পোৱা লিখনিসমূহৰ যোগেদিয়েই ছাত্ৰ-ছাত্ৰীসকলৰ বৌদ্ধিক দিশৰ উমান পোৱা যায়। যিসকল ছাত্ৰী বান্ধৱীৰ লিখনি ইয়াত প্ৰকাশ কৰিব নোৱাৰিলো তেওঁলোকে যেন নিৰাশ নহৈ পুনৰ নতুন উদ্যমেৰে লিখিবলৈ আৰম্ভ কৰে তাৰ বাবে তেওঁলোকৰ ওচৰত মোৰ অনুৰোধ থাকিল। আলোচনীখন প্ৰকাশ কৰাৰ আগমূহূৰ্তত হাতত যথেষ্ট সময় আছিল যদিও উপযুক্ত সময়ত আলোচনীখন সুন্দৰ ৰূপে প্ৰকাশ কৰিব নোৱাৰাৰ বাবে মই সকলোৰে ওচৰত ক্ষমা প্ৰাৰ্থনা কৰিলো।

## মহাবিদ্যালয় সম্পৰ্কত দু-আষাৰ ঃ

শিৱসাগৰ নগৰৰ মাজমজিয়াত ইতিহাস প্ৰসিদ্ধ শিৱদলৰ ওচৰতে আমাৰ শিক্ষাৰ কেন্দ্ৰ, জ্ঞানমন্দিৰ স্বৰূপ আমাৰ শিৱসাগৰ ছোৱালী মহাবিদ্যালয়খনি স্থাপিত হৈছিল ১৯৬৪ চনত। এই মহাবিদ্যালয়খনিত পঢ়িবলৈ পাই মই নিজকে ধন্য মানিছো। ১৯৬৪ চনৰ পৰা আজিলৈকে এই ৩০ টা বছৰ আমাৰ মহাবিদ্যালয়খনিয়ে সফলতাৰে আগুৱাই আহিছে। কিন্তু ৩০ টা বছৰ পাৰ হোৱাৰ পিছতো আমাৰ মহাবিদ্যালয়খনে আজিও বহুতো সমস্যাৰ সন্মুখীন হৈয়ে আছে। মোৰ আগতেও বহু কেইগৰাকী সম্পাদিকাই এই সমস্যাসমূহৰ বিষয়ে উল্লেখ কৰি আহিছে। সেয়ে মই বেছিকৈ উল্লেখ কৰিব বিচৰা নাই।

কিন্তু আমাৰ মহাবিদ্যালয়ৰ কেইটামান সমস্যা অনতি পলমে সমাধা কৰিবৰ বাবে কলেজ কৰ্তৃপক্ষৰ ওচৰত অনুৰোধ জনালো। সমস্যা কেইটা হৈছে—

১) আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰী একতা সভাৰ বাবে এটা সুকীয়া নতুন কোঠাৰ ব্যৱস্থা কৰা।

২) ছাত্ৰীসকলৰ বাবে এটা জিৰণী কোঠাৰ ব্যৱস্থা আৰু জিৰণিৰ সময়ত জিৰণী কোঠাত খেলা—ধুলাৰ বাবে কিছু সা-সুবিধা আমাৰ ছাত্ৰীসকলে পোৱাৰ বাবে ব্যৱস্থা কৰা।

৩) আমাৰ লাইব্ৰেৰীত ছাত্ৰীসকলে বিচৰামতে যেন কিতাপ পায় তাৰ ব্যৱস্থা কৰা, লগতে সকলো সময়তে যেন লাইব্ৰেৰীত পঢ়াৰ সুবিধা পায় তাৰ ব্যৱস্থা কৰা।

৪) আমাৰ মহাবিদ্যালয়ত এটা স্থায়ী পূৰ্ণাঙ্গ মঞ্চ ও প্ৰেক্ষাগৃহৰ অভাৱ আমি সকলোৱেই অনুভৱ কৰি আহিছো সেয়েহে এটা পূৰ্ণাঙ্গ মঞ্চ নিৰ্মাণ কৰিবৰ বাবে প্ৰয়োজনীয় ব্যৱস্থা লোৱা।

আমাৰ কাৰ্য্যকালত অজানিতে হোৱা ভুল-ভ্ৰান্তিৰ বাবে মই সকলোৰে ওচৰত ক্ষমা প্ৰাৰ্থী হৈ ৰলো। শিৱসাগৰ ছোৱালী মহাবিদ্যালয়ৰ যি সকল ছাত্ৰী বান্ধৱীয়ে মোক আলোচনী সম্পাদিকা ৰূপে নিৰ্বাচিত কৰি আমাৰ মহাবিদ্যালয়ক সেৱা কৰিবলৈ সুযোগ সুবিধা দিলে তেওঁলোকলৈ মোৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলো। শিৱসাগৰ ছোৱালী মহাবিদ্যালয়ে উন্নতিৰ পথেৰে আগুৱাই গৈ ইতিহাসৰ বুকুত চিৰযুগমীয়া হওঁক, লগতে মোৰ পিছৰ সম্পাদিকাসকলৰ সম্পাদনাত আমাৰ মহাবিদ্যালয়ৰ আলোচনী-খনক অনিন্দ্য সুন্দৰ ৰূপত দেখা পোৱাৰ কামনাৰে মোৰ সম্পাদকীয় বক্তব্যৰ ইমানতে সামৰণি মাৰিছো।

ধন্যবাদেৰে

আলেয়া আহমেদ

আলোচনী সম্পাদিকা

# কৃতজ্ঞতাৰ শৰাই

অধ্যক্ষ মঃ হাফিজুৰ ৰহমান চাৰ, উপাধ্যক্ষ বীৰেন তালুকদাৰ চাৰ, অধ্যাপক সোণাৰাম বৰুৱা চাৰ, অধ্যাপিকা যমুনা বুঢ়াগোহাঁই বাইদেউ, অধ্যাপক দ্ৰোণ কলিতা চাৰ, অধ্যাপক মুনীন বুঢ়াগোহাঁই চাৰ, অধ্যাপক সমৰপতি সান্যাল চাৰ, অধ্যাপক আব্দুল হামিদ চাৰ, অধ্যাপিকা মৰ্জিনা বেগম বাইদেউ, অধ্যাপক সত্যভূষণ বৰুৱা চাৰ, অধ্যাপক ৰণজিৎ তামুলী চাৰ।

প্ৰবন্ধ লেখিকা— দীপালি শইকীয়া বাইদেউ, অনিন্দিতা বৰুৱা চৈয়দা জোলেনা মান্নান, ফাৰহানা বেগম, অশ্ৰুনীতা বৰা, ৰাণা হাজৰিকা।

গল্প লেখিকা

মামনি চেতিয়া, শেৱালী কলিতা, শেৱালী চেতিয়া, তাজমিন আৰা হুছেইন। কবিতা লেখিকা—উপাসনা বৰপূজাৰী, মানৱী বৰা, নয়নমণি গগৈ, শেৱালী কলিতা, পূৰবী নাথ, মাধবী গগৈ, তৃষ্ণা বৰগোহাঁই। ৰম্য ৰচনা লেখিকা— অশ্ৰুনীতা বৰা, মনজ্যোতি নেওগ। ইংৰাজী বিভাগৰ— চবিতা শৰ্ম্মা, ফাৰনাজ আহমেদ। আলোচনীখন প্ৰকাশ কৰি উলিওৱাত সহায় কৰা মোৰ বান্ধৱীসকল— ৰাজুমণি দত্ত, অপৰাজিতা ভূঞা, মচ্ফিকা বেগম, ফাৰজানা বেগম, সোণালী ঘোষ, চবিনা ইয়াচমিন, নয়নমণি গগৈ। 'প্ৰিণ্টৱৰ্কস' মুদ্ৰণালয়ৰ স্বত্বাধিকাৰ আৰু কৰ্ম্মচাৰীবৃন্দই আলোচনীখন চেষ্টাৰ ত্ৰুটি নকৰাকৈ যত্ন-সহকাৰে ছপাই দিয়াত তেখেতসকলোলৈকে শলাগৰ শৰাই আগবঢ়ালো।

—সম্পাদিকা—

# সূচী


**প্ৰবন্ধাৱলী ঃ**

১। ইংৰাজী শিক্ষাৰ প্ৰয়োজনীয়তা / চৈয়দ জুনিনা মান্নান — পৃঃ ১

২। ভাৰতবৰ্ষত জনসংখ্যা বৃদ্ধি, সমস্যা, আৰু অৰ্থনৈতিক উন্নয়ন/ অশ্ৰুনীতা বৰা — পৃঃ ৪

৩। বৰকটকীদেৱৰ কাব্য প্ৰতিভা / অনিন্দিতা বৰুৱা — পৃঃ ৬

৪। ভাৰতত বৈষ্ণৱ আন্দোলনৰ পটভূমিত শ্ৰীমন্ত শঙ্কৰদেৱ / অধ্যাপিকা এখুদি দুৱৰা — পৃঃ ২৬

৫। পূৰ্বৰ ইতিহাসেৰে বৰ্ত্তমানৰ ডাৰউইন আৰু বিজ্ঞানৰ জয়োল্লাস / ৰূপা হাজৰিকা — পৃঃ ৩৭

**গল্প সম্ভাৰ ঃ**

১। আভিজাত্য / মামনি চেতিয়া — পৃঃ ১০

২। ৰঙীন স্বপ্ন / শেৱালী কলিতা — পৃঃ ১৫

৩। ঘৃণা, মৰম আৰু আশা / শেৱালী চেতিয়া — পৃঃ ১৭

৪। ৰ'দালিৰ মন / অধ্যাপক ৰণজিৎ তামুলী — পৃঃ ১৯

৫। অব্যক্ত প্ৰেম / তাজমিন আৰা হুছেইন — পৃঃ ৪৫

**কবিতা কানন ঃ**

দুটি কবিতা ঃ সুদীৰ্ঘ দিন ধৰি; অভিযান — উপাসনা বৰপূজাৰী — পৃঃ ৪১

পাৰি জানো ? — মাধৱী গগৈ — পৃঃ ৪২

আত্মকথা — তৃষ্ণা বৰগোহাই — পৃঃ ৪২

দুটি স্তৱক ঃ আঘোণ, ফাগুন / শেৱালী কলিতা — পৃঃ ৪৩

অপেক্ষা — পূৰবী নাথ — পৃঃ ৪৩

তোমাৰ প্ৰতি — মানবী বৰা — পৃঃ ৪৩

বিদ্ৰোহ — নয়নমণি গগৈ — পৃঃ ৪৪

**ৰস ৰচনা ঃ**

চুলি — অশ্ৰুনীতা বৰা — পৃঃ ২৫

**সাক্ষাৎকাৰ ঃ**

অৱসৰপ্ৰাপ্ত অধ্যাপক শ্ৰীসত্যভূষণ বৰুৱাদেৱৰ সৈতে এটি অন্তৰঙ্গ মুহূৰ্ত্ত — সম্পাদিকা — পৃঃ ৩২

ছাত্ৰী একতা সভাৰ ভিতৰ চৰা

সম্পাদকীয় প্ৰতিবেদনসমূহ — পৰিশিষ্ট ১—১১

# ইংৰাজী শিক্ষাৰ প্ৰয়োজনীয়তা

চৈয়দা জুনিনা মান্নান
স্নাতক ১ম বাৰ্ষিক

ইংৰাজী এটা আন্তঃৰাষ্ট্ৰীয় ভাষা। পৃথিৱীৰ প্ৰতি দহজন মানুহৰ এজনে ইংৰাজী জানে। তদুপৰি পৃথিৱীত প্ৰায় পঞ্চাশ শতাংশ বাতৰি কাকত আৰু বৈজ্ঞানিক বাৰ্ত্তালোচনী ইংৰাজীত প্ৰকাশিত হয়। আনহাতেদি বৰ্ত্তমান পৃথিৱীত বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাই বিভিন্ন জাতিসমূহৰ মাজত দুৰত্ব কমাই আন্তঃৰাষ্ট্ৰীয় সহযোগিতাৰ যোগেদি এখন বৃহৎ মানৱ সমাজ গঠনৰ পথ সুগম কৰি তুলিছে। আজিৰ পৃথিৱীত কোনো জাতিয়েই গাইগুটীয়াকৈ জীয়াই থাকিব নোৱাৰে। Live and let live ব্যৱস্থাৰে আন্তঃৰাষ্ট্ৰীয় শান্তি প্ৰতিষ্ঠা আৰু সহযোগিতা বৃদ্ধিৰ বাবে পাৰস্পৰিক বুজাবুজি এটা পূৰ্বচৰ্ত্ত। তাৰ বাবে ইংৰাজীৰ দৰে এটা আন্তঃৰাষ্ট্ৰীয় ভাষাৰ অৱিহণা উল্লেখযোগ্য। আন্তঃৰাষ্ট্ৰীয় ক্ষেত্ৰত ভাৰতৰ ভাবমূৰ্ত্তি উজ্জ্বলকৈ প্ৰতিষ্ঠা কৰাত আৰু বিশ্বশান্তি গঢ়ি তোলাত ইংৰাজী ভাষাৰ প্ৰয়োজনীয়তা অনস্বীকাৰ্য্য।

স্বাধীনতাৰ পাছত হিন্দীক ভাৰতৰ ৰাষ্ট্ৰীয় মৰ্য্যাদা দিয়া হয় যদিও কাৰ্য্যক্ষেত্ৰত যোৱা দুকুৰি দুবছৰে ইংৰাজীকো এটা সহযোগী চৰকাৰী ভাষা হিচাপে ব্যৱহাৰ কৰি অহা হৈছে। ভাৰতৰ দৰে বহুভাষিক দেশ এখনত বিভিন্ন ৰাজ্যৰ মাজত আন্তঃৰাজ্যিক যোগাযোগৰ মাধ্যম হিচাপেও ইংৰাজীকে ব্যৱহাৰ কৰা হয়। সেই দিশৰ পৰা ৰাষ্ট্ৰীয় সংহতি সুদৃঢ়কৰণতো ইংৰাজীয়ে

প্ৰাধান্য লাভ কৰিছে।

বৰ্ত্তমান যুগটোক তথ্য আৰু জ্ঞানৰ বিস্ফোৰণৰ যুগ বুলি কোৱা হয়। মানৱ সভ্যতাৰ ইতিহাসত আগতে কেতিয়াও বৰ্ত্তমানৰ দৰে ক্ষিপ্ৰ গতিত নতুন নতুন তথ্য আৰু নতুন নতুন ধ্যান-ধাৰণা সংযোজিত হোৱা নাছিল। এই পৰিস্থিতিৰ সৈতে নিজকে খাপ খুৱাই প্ৰত্যেক ছাত্ৰ-ছাত্ৰীয়ে এতিয়া কেৱল পাঠ্যপুথিৰ ওপৰত নিৰ্ভৰ নকৰি আলোচনী, বাতৰি কাকত আদি নিয়মীয়াকৈ পঢ়াটো একান্ত আৱশ্যক। যিহেতু পৃথিৱীৰ পঞ্চাশ শতাংশ বাতৰি কাকত, আলোচনী আদি ইংৰাজীত প্ৰকাশিত। সেই কাৰণেই ভাৰতত ইংৰাজী ভাষাৰ প্ৰয়োজনীয়তা আছে। ইংৰাজীৰ যোগেদি ছাত্ৰ-ছাত্ৰীয়ে বিশ্বৰ শেহতীয়া জ্ঞানৰ সৈতে পৰিচিত হব পাৰিব। ইংৰাজী ভাষা-জ্ঞানে ছাত্ৰ-ছাত্ৰীৰ সমুখত শিক্ষা আৰু জ্ঞান সাধনাৰ বাট ভবিষ্যতলৈকে মুকলি কৰি ৰাখিব।

ষাঠিৰ দশকত কোঠাৰী আয়োগৰ প্ৰতিবেদনত ত্ৰি-ভাষা সূত্ৰৰ পৰামৰ্শ আগেবঢ়োৱা হয়। এই সূত্ৰ অনুসৰি ইংৰাজীক পাঠ্যক্ৰমৰ দ্বিতীয় ভাষা হিচাবে পঞ্চম শ্ৰেণীৰ পৰা দশম শ্ৰেণীলৈ বাধ্যতামূলক বিষয় হিচাপে শিকোৱা হয়। ভাৰতীয় ছাত্ৰ-ছাত্ৰীয়ে ইংৰাজী ভাষাৰ প্ৰাসঙ্গিক পাঠ্যপুথি পুথিভঁৰালৰ পৰা অধ্যয়ন কৰি যাতে নিজৰ জ্ঞানৰ ভঁৰাল টনকিয়াল কৰিব পাৰে সেই উদ্দেশ্য আগত ৰাখি পুথিভঁৰালৰ ভাষা হিচাপে স্কুলীয়া পৰ্য্যায়ত ইংৰাজী শিকোৱা হয়। কিন্তু আমাৰ আঞ্চলিক শিক্ষা অনুষ্ঠানসমূহত নিতান্ত ব্যৱহাৰিক প্ৰয়োজনতহে ইংৰাজী ভাষাৰ নিম্নতম জ্ঞান আমি ছাত্ৰ-ছাত্ৰী সমূহে গ্ৰহণ কৰিবলৈ পাওঁ।

বৰ্ত্তমান ছাত্ৰ ছাত্ৰীৰ আগত দেখা দিয়া প্ৰধান সমস্যা হ'ল বিভিন্ন বিষয়ৰ পুথিসমূহ আঞ্চলিক ভাষাত প্ৰকাশ নোপোৱা। উচ্চ শিক্ষা লাভ কৰাৰ লগে লগে ইংৰাজী ভাষা দুৰ্ব্বল ভাবে আহৰণ কৰা ছাত্ৰ ছাত্ৰীসকলে এক বিপদজনক অৱস্থাৰ সন্মুখীন হব লগা হয়। কাৰিকৰী শিক্ষা, চিকিৎসা শিক্ষা, কৃষি শিক্ষা আদিৰ ক্ষেত্ৰত ছাত্ৰ-ছাত্ৰীসকলে অদূৰ ভবিষ্যতে সকলো পাঠ্যপুথি আৰু প্ৰাসঙ্গিক পুথি আঞ্চলিক ভাষাত পাব বুলি আশা কৰিব নোৱাৰি। এনেবোৰ কাৰণতে ইংৰাজী শিক্ষাৰ প্ৰয়োজনীয়তাক কোনেও নুই কৰিব নোৱাৰে।

ইংৰাজী শিক্ষাৰ কিছুমান অবাঞ্ছনীয় দিশো দেখা গৈছে। বিশেষকৈ বৰ্ত্তমান ইংৰাজী মাধ্যমৰ শিক্ষাৰ প্ৰতি এচাম পিতৃ-মাতৃৰ দুৰ্ব্বলতাৰ সুযোগ লৈ কিছুমান নিম্ন মানৰ ইংৰাজী মাধ্যমৰ বিদ্যালয় গঢ়ি উঠিছে। ইংৰাজী ভাষা আৰু আঞ্চলিক ভাষা দুয়োটাৰে সুস্থ জীৱনবোধৰ অভাৱত নতুনকৈ এটা আধাকেচেলুৱা শিক্ষিত শ্ৰেণীৰ সৃষ্টি হৈছে। ভাৰতীয় মহান ঐতিহ্য আৰু গৌৰৱ পাহৰি অন্ধভাৱে পশ্চিমক অনুকৰণ কৰিবলৈ যোৱা এই পুৰুষসকলে ভাৰতীয় সংস্কৃতিৰ গতি চেকা পেলাব বুলিহে বহুতে ভয় কৰিছে।

প্ৰায়বিলাক আঞ্চলিক ভাষা নিজ ৰাজ্যৰ মাজতে আবদ্ধ থাকে। কিন্তু ইংৰাজী এনে এটা লালিত্যপূৰ্ণ ভাষা যি গোটেই পৃথিৱীত বিদ্যমান হৈ আছে। আমি জ্ঞান

আহৰণ কৰিবলৈ হলে ভাল ভাল কিতাপ অধ্যয়ণ কৰিব লাগিব। আধুনিক সমাজ উন্নয়নৰ দিশত বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাই সকলোতকৈ প্ৰয়োজন। বিজ্ঞানৰ নতুন নতুন তথ্য দিনে দিনে আবিস্কাৰ হব লাগিছে। এই বিষয়বিলাকৰ জ্ঞান আহৰণ কৰিবলৈ হলে আমি ইংৰাজী ভাষাটো ভালকৈ শিকিব লাগিব। তদুপৰি শ্বেলী, কিটছ, বৰ্দছৱৰ্থ, চেক্সপীয়েৰ, জনচন, টলষ্টয়, গ্যেটে আদি মহান মহান লিখকসকলৰ বিচিত্ৰ ৰচনা ৰাজিৰ সোৱাদ লাভ কৰিবলৈ হলে আমি ইংৰাজী ভাষাটোত বিশেষ গুৰুত্ব দিব লাগিব।

১৯৭২ চনত অসমত অসমীয়া ভাষাক ৰাজ্যভাষাৰ মৰ্য্যদা দিয়া হল। ভাষা আন্দোলনত ক'তজন শ্বহীদ হ'ল। শিক্ষাৰ মাধ্যম স্নাতক পৰ্য্যায়লৈকে অসমীয়া কৰা হ'ল। সকলোৰে আশা কৰা মতে ৰাজ্যভাষাৰ বিশেষ উন্নতি কিন্তু আজিও পৰিলক্ষিত হোৱা নাই। পৰিলক্ষিত হোৱা দিশটো কিন্তু বেছ চমৎকাৰ হৈছে। অসমীয়া মাধ্যমৰ প্ৰাথমিক উচ্চ/উচ্চতৰ মাধ্যমিক পৰ্য্যায়ৰ শিক্ষানুষ্ঠানবোৰ ইংৰাজী মাধ্যমৰ শিক্ষানুষ্ঠানৰ ভীষণ প্ৰত্যাহ্বানৰ সন্মুখীন হৈছে। ইংৰাজী শিক্ষাৰ মাধ্যমেৰে শিক্ষিত হৈ ওলাই অহা সকলে প্ৰশাসনত সিংহভাগ লবলৈ সক্ষম হৈছে।

এই বাস্তৱ সত্যক আকোৱালি লবলৈ প্ৰাথমিক পৰ্য্যায়ৰ পৰা প্ৰতিযোগিতাৰ জোৱাৰ উঠিছে। কাগজে পত্ৰই বহুতেই মত প্ৰকাশ কৰিছে ইংৰাজীৰ সপক্ষে। এনে বহু কাৰণতে ইংৰাজী শিক্ষাৰ প্ৰয়োজনীয়তা আজি নতুনকৈ উপলব্ধি হৈছে বুলি ক'লে বঢ়াই কোৱা নহব। কিন্তু ইয়াৰ অৰ্থ এনে নহয় যে আঞ্চলিক ভাষা নিঃশেষ হৈ যাব, প্ৰতিযোগিতাই আঞ্চলিক ভাষাকো দৃঢ়হে কৰিব। ★



# ভাৰতবৰ্ষত জনসংখ্যা বৃদ্ধি, সমস্যা আৰু অৰ্থনৈতিক উন্নয়ন

অশ্রুনীতা বৰা
স্নাতক ২য় বাৰ্ষিক

জনসংখ্যা বৃদ্ধি বৰ্তমান ভাৰতৰ এক জ্বলন্ত সমস্যা। প্ৰতিদিনে ভাৰতবৰ্ষত দ্ৰুত-গতিৰে জনসংখ্যা বাঢ়িব লাগিছে। জনসংখ্যা বৃদ্ধিয়ে বিকাশৰ সকলো প্ৰচেষ্টা ব্যৰ্থ কৰি তুলিছে। বছৰি ভাৰতত ২.৫%তকৈও অধিক হাৰত জনসংখ্যা বৃদ্ধি পাব লাগিছে। এই হাৰত হোৱা বৃদ্ধিৰ ফলশ্ৰুতিত বছৰি ১৩ নিযুত জন লোক বৃদ্ধি পায়। ই কম ভয়ঙ্কৰ কথানে? যিখন ভাৰতবৰ্ষত এমুঠি অন্নৰ কাৰণে হাহাঁকাৰ, সেইখন ভাৰততে আকৌ জনসংখ্যা বৃদ্ধিৰ কি তীব্ৰ প্ৰকোপ!

জনসংখ্যা বৃদ্ধিৰ বহুতো কাৰণ আছে। তাৰ ভিতৰত দৰিদ্ৰতা, নিৰক্ষৰতা, অতি কম বয়সত বিবাহ, অন্ধবিশ্বাস, এজেকন পুৰুষে কেইবাগৰাকীও বিয়া কৰোৱা, ইত্যাদিবোৰ অন্যতম। আমাৰ ভাৰতবৰ্ষত প্ৰায় ৮০% কৃষিজীৱি লোক। কৃষিৰ বাবে এওঁলোকে প্ৰকৃতিৰ ওপৰত নিৰ্ভৰ কৰে। বৈজ্ঞানিক প্ৰণালীৰে খেতি কৰাৰ জ্ঞান নাই। আজি বিজ্ঞানৰ ইমান প্ৰগতি; অথচ আজিও ই ভাৰতবাসীৰ অন্তৰ স্পৰ্শ কৰিব পৰা নাই। পুৰণিকলীয়া নাঙল, যুঁৱলিৰে খেতি কৰি পুহিব লাগে এক বৃহৎ পৰিয়াল। তেওঁলোকে ভাবে সৰহ সন্তান জন্ম দিলে উপাৰ্জন শকত হ'ব। কিন্তু এয়া সত্য নহয়। ভাৰতত শিক্ষিতৰ হাৰ প্ৰায় ৫৪.২%। অশিক্ষিত লোকসকল কম সন্তান জন্ম দিয়াৰ পক্ষপাতী নহয়। তাৰোপৰি কম বয়সত বিবাহ, অন্ধ-বিশ্বাসৰ বশৱৰ্তী হোৱা আদি অৱস্থাৰ বাবেও জনসংখ্যা বৃদ্ধি পাইছে। ১৯৯১ চনত প্ৰায় ৮৪৬ কোটি হয়গৈ। এনে দ্ৰুত গতিৰে জনসংখ্যা বাঢ়ি থাকিলে ২০০০ চনত ১০০ কোটিৰো ওপৰ হোৱাৰ আশঙ্কা আছে। তেতিয়া ভাৰতত থিয় হবলৈও ঠাই নাইকিয়া হোৱাৰ সম্ভাৱনাই দেখা দিছে। সেয়ে ভাৰ-তক চীনৰ পিছতে বিশ্বৰ ভিতৰত দ্বিতীয় বৃহৎ জনসংখ্যাৰ দেশ বোলা হয়।

এই জনসংখ্যা বৃদ্ধিয়ে নানা দিশত সমস্যাৰ সৃষ্টি কৰিছে। তাৰ ভিতৰত:— খাদ্য সমস্যা, থকা ঘৰ, বিদ্যালয় আদিৰ সমস্যা, নিবনুৱা সমস্যা, আনকি পৰিবেশ প্ৰদূষণৰ দৰে ভয়ঙ্কৰ সমস্যাবো একমাত্ৰ কাৰণ জন-সংখ্যা বৃদ্ধি। ভাৰতবৰ্ষ নানা সমস্যাৰে জৰ্জৰিত। ইয়াৰ জনসাধাৰণৰ জনমূৰি আয়ো কম।

সেয়ে জাতীয় আয় কম হোৱাটো স্বাভাৱিক। ইয়াত শিক্ষিত আৰু অশিক্ষিত নিবনুৱাৰ সংখ্যা বৃদ্ধি পাইছে। ফলত, কেতিয়াবা বহুতে তেওঁলোকৰ মানসিক ভাৰসাম্য হেৰুৱাই 'আত্ম-হত্যা' পৰ্য্যন্ত কৰিবলৈও কুণ্ঠাবোধ কৰা নাই। গতিকে নিয়োগৰ সুবিধাৰ ক্ষেত্ৰত চৰকাৰ সজাগ হোৱা উচিত। তদুপৰি যুৱক-যুৱতী-সকলে নিজেই কিবাকিবি প্ৰতিষ্ঠান, উদ্যোগ গঢ়ি তুলি আত্মসংস্থানৰ পথ উলিয়াই লব পাৰে।

দেশ এখনৰ অৰ্থনৈতিক উন্নয়নৰ বাবে উপযুক্ত পৰিমাণৰ জনসংখ্যা অপৰিহাৰ্য্য। কিন্তু কেৱল উপযুক্ত পৰিমাণৰ জনসংখ্যাই অৰ্থনৈতিক উন্নতি সাধিব নোৱাৰে। জনসংখ্যা বৃদ্ধিয়ে উন্নয়নৰ পথত বাধাৰ সৃষ্টি কৰে। ভাৰতত এনে অৱস্থাই হৈছে।

১) জনসংখ্যা বৃদ্ধিৰ বাবে উদ্যোগিক উন্নয়ন আৰু অন্যান্য শিতানত ব্যয় বৃদ্ধি কৰা হোৱা নাই। কৃষি আৰু শ্ৰমিকঘন উদ্যোগৰ প্ৰতি অধিক গুৰুত্ব দিয়া হৈছে।

২) জনবিষ্ফোৰণেই খাদ্য সমস্যাৰ মূল কাৰণ।

৩) দ্ৰুত জনসংখ্যা বৃদ্ধিয়েই কৰ্মসংস্থানৰ সমস্যা আগতকৈ ভয়াবহ কৰি তুলিছে।

৪) জনসংখ্যা দ্ৰুতগতিত বৃদ্ধি পালে উপ-ভোগ্য দ্ৰব্যৰ ঘাটি দেখা দিয়ে বাবে মুদ্ৰা-স্ফীতি ( Inflation ) অৰ্থনৈতিক পৰিকল্পনা কাৰ্য্যকৰীকৰণৰ প্ৰধান অন্তৰায় হৈ পৰিছে।

সেয়েহে, জনসংখ্যা হ্ৰাসকৰণৰ ক্ষেত্ৰত জনগণ নিজেই সজাগ হোৱা উচিত। লগতে এই কথাও মনত ৰখা উচিত যে জনসংখ্যা বৃদ্ধিয়ে আমাৰ কল্যাণ নকৰে, বৰঞ্চ অধোন্নতিহে ঘটায়। ★

আমি সামান্য কামকো ঘৃণা কৰা উচিত নহয়। যি মানুহে অতি সৰু কাম কৰে তেওঁ ডাঙৰজনতকৈ অলপো সৰু নহয়। কৰ্তব্য সাধনৰ ধৰণ দেখিহে মানুহক বিচাৰ কৰা হয়।

—স্বামী বিবেকানন্দ

# বৰকটকীদেৱৰ কাব্য প্ৰতিভা

অনিন্দিতা বৰুৱা
স্নাতক ২য় বাৰ্ষিক

অখণ্ডিত অসমৰ দৰং জিলাৰ চতিয়াৰ বগৰিবাৰীত ১৯২৪ চনৰ ২৩ মাৰ্চ তাৰিখে কবি সাহিত্যিক অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি বীৰেন বৰকটকীদেৱৰ জন্ম হয়। তেখেতৰ দেউতাক স্বৰ্গীয় পদ্মনাথ বৰকটকী আৰু মাতৃ স্বৰ্গীয়া চন্দ্ৰপ্ৰভা বৰকটকী।

বৰকটকীদেৱ একাধাৰে লব্ধ-প্ৰতিষ্ঠিত কবি, সু-সাহিত্যিক, প্ৰৱন্ধকাৰ, জীৱনীকাৰ, সাংবাদিক, ঔপন্যাসিক, দেশপ্ৰেমিক আৰু অক্লান্ত সংগ্ৰামী। বৰকটকীদেৱে বাল্যশিক্ষা চতিয়া এম, ভি স্কুলত আৰম্ভ কৰি চতিয়া হাইস্কুলৰ পৰাই ১৯৪২ চনত সুখ্যাতিৰে প্ৰৱেশিকা পৰীক্ষাত উত্তীৰ্ণ হয়। সেই বছৰতেই আৰম্ভ হৈছিল ভাৰতজোৰা স্বাধীনতা আন্দোলন। এখেতে ১৯৫২ চনতহে স্নাতকোত্তৰ উপাধি লাভ কৰিছিল। সুবিধা পালে মাজে মাজে ভাৰত ত্যাগ আন্দোলনত অংশ গ্ৰহণ কৰিছিল। আনকি নালাগে প্ৰৱেশিকা পৰীক্ষাৰ বাৰ্ত্তাও তেজপুৰ জেলত বন্দী হিচাপে থাকোতেহে পাবলৈ সক্ষম হৈছিল। এখেতৰ শৈক্ষিক জীৱন কটন কলেজ আৰু কাশী বিশ্ববিদ্যালয়ৰ উপৰিও গুৱাহাটী বিশ্ব-বিদ্যালয় আছিল।

ভাৰতৰ স্বাধীনতা আন্দোলনত বৰকটকী-দেৱ লাগি থাকোতে গোলোক ৰাজবংশী, কেশৱ মহন্ত, পৰাগ চলিহা আদিৰ উপৰিও জয় প্ৰকাশ নাৰায়ণ আদি দেশনেতাক লগ পাইছিল। এই সকলৰ সংস্পৰ্শই বৰকটকীৰ জীৱনৰ কাম-বোৰৰ ক্ষেত্ৰত বহুখিনি সাল-সলনি ঘটাইছিল।

সাহিত্য সংস্কৃতিৰ পূজাৰী বৰকটকীদেৱ একাধাৰে কবি, শিল্পী, সাহিত্যিক, সমালোচক, সাংবাদিক, শিক্ষক, শিক্ষা-প্ৰশাসক আৰু বহুতো সদ্‌গুণৰ আঁকৰস্বৰূপ। তেখেত জনসাধাৰণৰ মাজত কবি হিচাপেহে বেছি পৰিচিত। কবি বৰকটকীদেৱে "পছোৱা" নামৰ আলোচনীখন প্ৰকাশৰ দিনৰে পৰা নিৰৱচ্ছিন্নভাৱে ভালেমান দিনলৈকে কবিতা লিখি আছিল। তেখেতৰ

কবিতাত প্ৰগতিবাদী আৰু প্ৰতীকবাদী সুৰ শুনা যায়। তেখেতৰ কবিতাবোৰত উপলব্ধি আৰু কিছুমান বাস্তৱধৰ্মী ভাৱধাৰা অনুভূত হয়। মন্বন্তৰ, ওপজা মাটিৰ মৰম, চিৰন্তন, চিনাকি পৃথিৱী আদি কবিতা পুথি ছপাই কাব্য সাহিত্যৰ ভঁড়াল চহকী কৰিছে। তেখেতৰ কবিতাত দুষ্কৃতিৰ প্ৰতীকস্বৰূপ কুৰুক্ষেত্ৰ যুদ্ধক জিনিছে সংস্কৃতিৰ প্ৰতীক শ্ৰীকৃষ্ণই এনেদৰে—

"দুষ্কৃতিৰ কুৰুক্ষেত্ৰ জিনি...
সুকুমাৰ কৃষ্ণ জন্ম হয়
বুদ্ধই সপোন দেখে অনাদি যুগৰ"।

(মন্বন্তৰ)

অসম আৰু অসমীয়াক তেখেতে নিজৰ প্ৰাণতকৈ ভালপোৱাৰ দৃষ্টান্ত বহুত আছে। এটি উদাহৰণ—

"মুখৰিত কৰি গোৱা
মানুহৰ সমদল গান।
নদীৰ মৰম যাচে—
মানুহৰ জয়ৰ বীজাণু
দুহাতেৰে ধৰি থকা ঋক্‌বেদ খহি পৰে ঃ
তীখাৰ পৰীক্ষা হয়
মানুহৰ মৰমী বুকুত,
মন আৰু বাস্তৱৰ শৰাইঘাটত।"

(মন্বন্তৰ)

পৃথিৱীত পৰিৱৰ্তন হৈছে আৰু আমি সেইবোৰ অনুভৱ কৰি প্ৰগতিৰ জখলাত উঠিবলগা হৈছে। সেই কথাও কবিয়ে অনুভৱ কৰিছে এনেদৰে ঃ

মনৰ খিৰিকি খুলি
আমি আছি আছোঁ
শুনিছোঁ বহুত বাৰ
নীল, সিন্ধু, মিছিছিপি...
গঙ্গা, লুইত, ভলগাৰ পাৰে
অগণন মানুহৰ বুকুৰ ৰিমনি।

(আমি আছি আছোঁ)

আমি কবি বৰকটকীদেৱৰ এটা কবিসত্বা দেখিছোঁ যে তেখেত কেতিয়াও শ্ৰান্ত নহয়, ক্লান্ত নহয়, তেখেত সদায় তেজী যুঁজাৰু ঘোঁৰাৰ দৰে বেগী মনৰ আৰু আশাবাদী। সেই সুৰ শুনিছোঁ এনেদৰে—

"সিঁচি সিঁচি ফাকুগুৰি সাতোটি ৰঙৰ—
জাকি মাৰি আকউ আহিছে
নতুন আশাৰে
বগা-নীলা পাখিৰে সতে
মন পখিলাবোৰ
জীৱনত সুধা আৰু পোহৰি বিচাৰি।

(সময়ৰ মকৰা জালত)

কবি বৰকটকীয়ে কবিতাত নতুন পৃথিৱী এখনৰ স্বপ্ন দেখিছে যিখন উত্তৰপুৰুষৰ কাৰণে মনঃপুত হ'ব। কবিয়ে অসাৰ সংসাৰখন সাকৰা আৰু প্ৰাণস্পৰ্শী ৰূপে 'প্ৰাণবন্দৰ' কবিতাত কল্পনা কৰি আনন্দ লভিছে। কবিৰ 'কল্লোল' 'মহাসাগৰৰ সেতু' আদি কিছুমান কবিতাত ৰোমান্টিক শিহৰণ বৰ্ত্তমান। 'কল্লোল' কবিতাৰ এটি উদ্ধৃতি—

"জীৱনৰ উপকণ্ঠত কল্লোল কিহৰ?
প্ৰেমৰঙা স্মৃতি জানো কলং পাৰৰ
সপোনৰ মাধুৰীৰ পলাশ বনৰ
তৰাবছা আকাশৰ শাৰদী জোনৰ?

(মন্বন্তৰ)

কবি বৰকটকীয়ে জনতাৰ প্ৰাণস্পন্দন অনুভৱ কৰিছে এনেদৰে—

বিশ্বাসৰ চাহাৰাত
মৰুত্থান বিচাৰি বিচাৰি
তৃষ্ণাতুৰ মন উটে
বালিৰ পাহাৰ ভাঙে
শ্ৰান্তিহীন দিনাগত সমস্বৰ গান।
(আমি কি বিচাৰোঁ তেন্তে ?)

তেখেতৰ কবিতাবোৰ জনতাক উদ্দেশ্য কৰি সেই-সকলৰ অৰ্থেই ৰচনা কৰা। অতীত স্মৃতি, বৰ্ত্তমান আৰু ভৱিষ্যতলৈও সদায় সজীৱ আৰু সতেজ হৈ থাকিব— এই বিশ্বাস বৰকটকীৰ কবিতাত আছে।

মহেন্দ্ৰ বৰা, বীৰেন ভট্টাচাৰ্য্য, নুৰকান্ত বৰুৱা আদিৰ নিচিনাকৈ কবি বৰকটকীদেৱেও সমকালীন সভ্যতাৰ কথা সুৰ ৰিছে। সভ্যতাৰ চিৰ প্ৰবাহিত এই নদীৰ গৰ্ভত কত লোক, কত স্মৃতি, কত সভ্যতাৰ স্থায়ী চিন কালৰ সোঁতত, সময়ৰ বলুকাত পোত খাই অচিন হৈ গ'ল তাৰ হিচাব নাই। কবি বেজবৰুৱা আৰু কবি ডুবৰাই পুৰণি পৃথিৱীখনক "নতুন চকুৰে" চাবলৈ মানুহক সোঁৱৰাই দিয়াৰ দৰেই কবি বৰকটকীদেৱেও প্ৰাচীন পৃথিৱীত নবীনৰ সোঁত বলা দেখিছে। ডঃ বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্যৰ "বিষ্ণুৰাভা, এতিয়া কিমান ৰাতি ?" কবিতা-টিৰ যেন প্ৰত্যুত্তৰ দিছে কবি বীৰেন বৰকটকীদেৱে— "বিষ্ণুৰাভা ! এতিয়া বহুত ৰাতি" কবিতাটিৰে। বিষ্ণুৰাভা জ্যোতিপ্ৰসাদৰ দৰেই ৰূপৰ পূজাৰী আৰু সৌন্দৰ্য্যৰ উপাসক। কবি বৰকটকীদেৱে দুয়োবো যেন একেই লক্ষ্য— "সংস্কৃতি সাধনা" বুলি বিভিয়াই কৈ যায়—

"বিষ্ণুৰাভা ! তুমি চিনি পাবা
'ৰূপকোঁৱৰ'ৰ তুলিকা থাকিল ক'ত
নৱজীৱনৰ কলা-সাধনাৰ
প্ৰৱেশদ্বাৰত—
অতীতৰ দুৱাৰদলিত
পৰি ৰ'ল কোন—
কাৰ সাধনাৰ প্ৰাণ ?
শুনো তাত অগণন আকুল আহ্বান॥
(বিষ্ণুৰাভা ! এতিয়া বহুত ৰাতি)

বৰকটকীদেৱৰ কবিতাত গাঁৱলীয়া জীৱনৰ চিত্ৰ অঙ্কিত কৰা হৈছে। গাঁৱলীয়া জীৱনৰ চিত্ৰ কবিয়ে হয় আংশিকভাৱে নহয় পূৰ্ণভাৱে "তোমালোক আকৌ আহিবা," "দূৰণি গাঁৱৰ চাকি", "বৰজহা গাঁৱলৈ কিমান দূৰ", "মেটেকা ঘাট", "এতিয়া গধূলি হ'ল", "চিনাকি দিন" আৰু "ইমান মৰম আছে" আদি কবিতাত চিত্ৰিত কৰিছে।

গাঁৱলীয়া মৰমিয়াল অনাক্ষৰি অৰ্দ্ধা-ক্ষৰি কোনোবা মাতৃয়ে পুত্ৰৰ কাৰণে অপেক্ষা কৰে এনেভাৱে—

"সঘনে চকুলো মচি
উৎকণ্ঠাৰে চাই বয় কোনোবা মাতৃয়ে
অনাহাৰ, অভিমান ঘৰ এৰা পুত্ৰৰ কাৰণে।"

চোতালৰ আগ শুৱনি কৰা 'ন-বোৱাৰী', তাঁতশাল শুৱনি কৰা গাভৰু ছোৱালী, বিহুৰ কাৰণে ক্লাইটীয়া গছৰ পৰা বিচাৰি অনা কেতেকী ফুল, পানী অনা ঘাট, চিনাকি চিনাকি লগা কোনোবা ডেকা, পানীৰ কলহ অনা দৃশ্য আৰু নগৰত নোহোৱা ঢেকীৰ মাত কবিৰ চিনাকি স্মৃতিচাৰণ। গাঁৱৰ

মনোৰম দৃশ্য "মেটেকা ঘাট" নামৰ কবিতাটোত কবিয়ে ফুটাই তুলিছে। গাঁৱৰ জীয়ৰী-বোৱাৰীৰ সুন্দৰ বৰ্ণনা ইয়াত পোৱা যায়। সেই সৌন্দৰ্য্য ক্ৰমে নিঃশেষ হৈ অহা দেখি কবিয়ে যেন আক্ষেপ কৰিছে এনেদৰে—

তাহানিৰ যৌৱনৰ পয়োভৰে ভৰা
নিপোটল ডেকা-গাভৰুৰ হাঁহি খলকনি
দেখিলো মাথোন, জুমে জুমে অচিনাকি মুখ
আৰু সেই জুমৰ মাজত
হঠাতে হেৰাই গ'ল –
জীউৰাম বায়নৰ পিছৰ পুৰুষ।

মুঠৰ ওপৰত বৰকটকীদেৱৰ কবিতাবোৰ সহজ, সৰল, ৰসাল আৰু স্পষ্ট ভাৱাপন্ন। তেখেতৰ কবিতাত ৰস থকাৰ দৰেই কথাও মৌ বৰষা। তেখেতৰ কবিতাত মোহনীয়তা আৰু কমনীয়তা ছুয়োটাই আছে। তেখেতে ছাত্ৰাৱস্থাৰ পৰাই কবিতা লিখাত হাত দি আজিলৈকে সেই দিশত কলম ধৰিয়েই আছে। অসমীয়া কাব্য সাহিত্যলৈ এখেতৰ অৱদান অমূল্য।

শিশু-সাহিত্য লিখক স্বৰূপেও আমি বৰকটকীদেৱক সাহিত্য জগতত পাইছোঁ। শিশুৰ উপযোগী হাতপুথি "খোজতে মিলাও খোজ"খনি শিশুসকলৰ কাৰণে অতি উপযোগী। আন এখন পুথি "শিশু মনৰ সাধু"। অনুবাদ সাহিত্যতো বৰকটকীদেৱৰ নাম লেখত লবলগীয়া। টলষ্টৰ Virgin Soilৰ অনুবাদ 'কুমাৰী পৃথিৱী' আৰু Geutsere Sonata ৰ "প্ৰেম আৰু শঙ্কাৰে" ছুখন অতি সুন্দৰ অনুবাদ সাহিত্য।

বৰকটকীদেৱৰ প্ৰকাশিত উপন্যাস ছুখন হৈছে "ভৰলীৰ পাৰে পাৰে" আৰু "মৃত্যু গচকি আনা জয় জিনি।" উল্লেখযোগ্য যে মৃত্যু গচকি আনা জয় জিনি উপন্যাসখনৰ লগত জ্যোতিপ্ৰসাদৰ "লভিতা" নাটকখনৰ সামঞ্জস্য আছে।

বৰকটকীদেৱক কবি, ঔপন্যাসিক, শিশু সাহিত্যিক স্বৰূপে পোৱাৰ উপৰিও আমি এগৰাকী আলোচক-সমালোচক স্বৰূপেও পাইছোঁ। অসমীয়া সন্মানৰ ছাত্ৰ-ছাত্ৰীৰ বাবে "সাহিত্যৰ পটভূমি," "সাহিত্য সংস্কৃতিৰ ছুটি এটি", "পাশ্চাত্য সাহিত্যত এভুমুকি" আৰু "ইংৰাজ ৰমন্যাসিক কবিৰ কাব্য প্ৰতিভা" উল্লেখযোগ্য পুথি। ইয়াৰ উপৰিও যুটীয়াভাৱে প্ৰকাশ কৰা গল্প সংকলন "তুলিকাৰ প্ৰাণ", "দৃষ্টি" আদি বৰকটকীদেৱৰ উল্লেখনীয় অৱদান।

কৰ্ম্মজীৱনত তেখেতে সংবাদ সেৱাৰ কামত প্ৰথমে আত্মনিয়োগ কৰিছিল। তাৰ পাছত জামুগুৰি হাইস্কুলৰ সহকাৰী প্ৰধান শিক্ষক আৰু তাৰ পিছত ১৯৫৩ চনৰ পৰা শিৱসাগৰ কলেজৰ অসমীয়া বিভাগৰ অধ্যাপক, আৰু গৌৰৱৰ বিষয় যে ১৯৭১ চনৰ পৰা শিৱসাগৰ ছোৱালী কলেজৰ অধ্যক্ষৰ পদো সালঙ্কৃত কৰিছিল। সাহিত্য সংস্কৃতিৰ পূজাৰী বৰকটকীদেৱ কামপুৰ সাহিত্য সভাৰ সভাপতি পদত অধিষ্ঠিত হৈছিল।

সদায় শুভ্ৰ পোচাক পৰিধান কৰা বৰকটকীদেৱ সুন্দৰ সুঠাম সুস্বাস্থ্যৰ অধিকাৰী এজন সভা শুৱনি ব্যক্তি। বৰকটকীদেৱ নিয়মানুৱৰ্ত্তিতাৰ ক্ষেত্ৰতো অতি সজাগ। সভাই সমিতিয়ে তেখেত সদায় নিৰ্দিষ্ট সময়ৰ আগতে উপস্থিত হয়। বৰকটকীদেৱৰ হাঁহিভৰা মুখ আৰু মৰমিয়াল ব্যৱহাৰৰ বাবে যি কোনো ব্যক্তিকে নিজৰ অতি আপোন কৰি লব পাৰে। নিতৌ চলপুৱাতে উঠি গা পাধুই নিজৰ কৰ্ত্তব্যত ব্যস্ত হোৱা বৰকটকীদেৱ সাংসাৰিক জীৱনতো এজন সুখী ব্যক্তি। আদৰ্শবাদী মনৰ, কৰ্মপ্ৰেৰণাৰ উৎস স্বৰূপ আমাৰ শ্ৰদ্ধাৰ বৰকটকীদেৱৰ সুস্বাস্থ্য তথা দীৰ্ঘজীৱন কামনা কৰি ভগৱানৰ চৰণত প্ৰাৰ্থনা জনালোঁ। ★

গল্প

# আভিজাত্য

মামনি চেতিয়া
স্নাতক ২য় বাৰ্ষিক

অনিৰুদ্ধ মহাবিদ্যালয়। সকলো ফালৰ পৰা শৃঙ্খলাবদ্ধ ইয়াৰ পৰিৱেশ। আহল-বহল চাৰিসীমাটোৰ ভিতৰত অৱস্থিত এই মহাবিদ্যালয়খন। কাষত শাৰী শাৰী দুই এজোপা ওখ গছ। গছবোৰৰ তলে তলে ছাত্ৰ-ছাত্ৰীবোৰে জিৰণি পিৰিয়দত প্ৰায়ে নানা ধৰণৰ কথা পাতে। হাঁহি ধেমালি আলোচনা কৰে। সময়ে সময়ে মহাবিদ্যালয়ৰ চৌহদটোৰ ভিতৰতে থকা পাঠাগাৰটোত অধ্যয়ণও কৰে।

স্নাতক দ্বিতীয় বাৰ্ষিকৰ ছাত্ৰী কল্যাণী, ইন্দ্ৰাণী, বন্দনা, বিনীতা আৰু মিলি। সিহঁত পাঁচোজনী একগোট হৈ প্ৰায় গছৰ তলত বহি হৰেক ৰকমৰ কথা পাতে। বিভিন্ন বিষয়ৰ আলোচনাও কৰে। আজি সিহঁতৰ আলোচনাৰ বিষয় হ'ল পৰহিলৈ অৰ্থাৎ বুধবাৰে হবলগীয়া সৰস্বতী পূজাৰ বিষয়ে। কোনে কেনে ধৰণৰ প্ৰদৰ্শনী দেখুৱাব, কেনেকৈ এই পূজাত স্ফুৰ্তি কৰিব, কেনেকুৱা সাজ-পোচাক পিন্ধিব এনেবোৰ নানা ধৰণৰ আলোচনা। সাজ-পোচাক পিন্ধাৰ বিষয়ে প্ৰথমে বন্দনাই কলে—

"এই, বিনীতা, মই কিন্তু পৰহিলৈ মুগাৰ কাপোৰ এযোৰ পিন্ধিম। দেউতাই যোৱা সোমবাৰে বঙাইগাৱ'ল যাওঁতে মোলৈ মুগাৰ চেট এযোৰ আনিছে। পৰহিলৈ মই সেই-যোৰকে পিন্ধিম।"

লগে লগে বিনীতাইও ক'লে "মইও আমাৰ মায়ে নতুনকৈ কিনি অনা মুগা পাটৰ মিহলি কাপোৰযোৰকে পিন্ধিম। কাপোৰযোৰ যে পিন্ধিলে মোক ইমান ধুনীয়া দেখে।"

এইবাৰ কল্যাণীয়ে কৈ উঠিল—"মই হলে আজিকালি নতুনকৈ ওলোৱা চুমকি লগোৱা পাটৰ কাপোৰ এযোৰহে পিন্ধিম।"

সিহঁত তিনিজনীয়ে কোৱাৰ পাছত ইন্দ্ৰাণীয়ে মাত লগালে। ইন্দ্ৰাণীয়ে ওঁঠত এটা পাতল হাঁহি বিৰিঙাই ক'লে – "এই মই হ'লে তোমালোকৰ দৰে পাটৰ কাপোৰ, মুগাৰ কাপোৰ এই-বোৰ একো নিপিন্ধো। অৱশ্যে গুণাৰ বুটা বচা কাপোৰ এযোৰ কিনি থৈছো। মই কিন্তু কি পিন্ধিম জানা? লগে লগে তাই আগৰ পাতল হাঁহিটোৰ ঠাইত এটা উজ্জ্বল হাঁহি জিলিকাই কবলৈ ধৰিল - 'নতুন বছৰ উপলক্ষে এইবাৰ ৰঞ্জিতদাই মোক এখন 'চাউথ ইণ্ডিয়া' শাৰী উপহাৰ দিছে। ৰংটো পাতল গোলপীয়া। মই সেইখন পিন্ধিলে মোৰ গাৰ সৈতে একেবাৰে মিলি থাকে। ভাবিছো বুধবাৰে সৰস্বতী পূজাত শাৰীখনকে পিন্ধিম।'

তাৰ পিছত সিহঁত চাৰিওজনীয়ে মিলিৰ মুখলৈ চালে, কাৰণ সিহঁত চাৰিওজনীয়ে কোনে কি পিন্ধিব নিজে নিজেই উথাপন কৰি গ'ল। বাকী ৰৈ গ'ল মিলি। মিলিয়ে সিহঁত কেইজনীয়ে কি কি সাজপাৰ পিন্ধিব এই সকলোবোৰ শুনি গ'ল। কিন্তু তাই কি পিন্ধিব একো নকলে।

মিলিয়ে জানে, তাই কল্যাণী, ইন্দ্ৰাণীহঁতৰ দৰে ধনী ঘৰৰ ছোৱালী নহয়। সিহঁতৰ নিচিনা সাজ-পোচাক পৰিধান কৰিবলৈ তাইৰ আজি সামৰ্থই বা ক'ত। সেয়ে মিলিয়ে একো নকৈ মৌন হৈ বহি থাকিল। কিছু সময় পাছত মিলিয়ে মৌনতা এৰি ইন্দ্ৰাণীহঁতক সোঁৱৰাই দিয়াৰ দৰে ক'লে – "ক্লাচৰ সময় হ'ল।" এইবুলি কৈ তাই বহাৰ পৰা উঠিল। আৰু কলেজৰ ছয় নম্বৰ কোঠাৰ ফালে ক্লাচ কৰিবৰ কাৰণে আগবাঢ়িল। লগে লগে সিহঁত চাৰিওজনীয়ে খৰখেদাকৈ মিলিৰ পাছে পাছে খোজ দিবলৈ উঠিল।

মিলিহঁতৰ ঘৰত জনসংখ্যা বুলিবলৈ দেউতাক, ৰুগীয়া মাক, ভায়েক এটা আৰু এজনী ভনীয়েক। ভায়েক হেমন্তই এইবাৰ হাইস্কুল শেষান্ত পৰীক্ষাত অৱতীৰ্ণ হব। ভনীয়েক জুলী নৱম শ্ৰেণীৰ ছাত্ৰী। মিলিয়েই ঘৰখনৰ ডাঙৰ ছোৱালী। কলেজৰ স্নাতক দ্বিতীয় বাৰ্ষিকৰ কলা শাখাৰ ছাত্ৰী। সেয়ে তাই এতিয়া সমস্যা বহুল নিজৰ ঘৰখনৰ কথা ভালকৈ উপলব্ধি কৰিব পৰা হৈছে।

বাধিকা বৰুৱা প্ৰাইমেৰী স্কুলৰ শিক্ষক। মিলিৰ দেউতাকৰ প্ৰাইমেৰী স্কুলৰ তাকৰীয়া দৰমহা যদিও মিলিহঁতৰ কোনো এটা ল'ৰা-ছোৱালীৰে টকা-পইছাৰ বাবে পঢ়া-শুনা ক্ষেত্ৰত ব্যাঘাত সৃষ্টি হোৱা নাই। ঘৰখনো কোনো আউল নলগাকৈ চলি গৈছে। আৰু বেচ ভালকৈ চলিলহেঁতেন যদিহে মাকৰ অসুখ নহলহেঁতেন। মাকৰ এই অসুখ একেৰাহে প্ৰায় সাত বছৰ ধৰি হৈ আছে। সেয়েহে সিহঁতৰ সকলো উপকৰণ বিলাসিতা বস্তু বাদ দি মাকৰ কাৰণে দৰবৰ ভথ্যপাতি কিনাটো এক প্ৰধান কাম হৈ পৰিছে। মিলিয়ে মনতে কেতিয়াবা ভাবে তাই দেউতাকক দৰমহা পালে দাম দি হলেও ভাল কাপোৰ এযোৰ কিনাৰ কথা কব। কিন্তু আকৌ মাকৰ অৱস্থা দেখিলেই একো কব নোৱাৰা হয়।

তাই বৰ সহজ সৰল ছোৱালী। আৰু বেছ শিক্ষিতা। সৰুৰে পৰা প্ৰত্যেক শ্ৰেণীতেই সদায় প্ৰথম বা দ্বিতীয় বিভাগত উত্তীৰ্ণ হয়। দেউতাকৰ ওপৰিও গাৱৰ লোক তথা স্কুল কলেজৰ শিক্ষক-শিক্ষয়িত্ৰী সকলোৱে তাইক মৰম কৰে।

আজি বুধবাৰ। স্কুল কলেজত সৰস্বতী পূজা। মিলিয়ে কলেজৰ সৰস্বতী পূজালৈ নাযাওঁ বুলিয়েই মনতে ঠিক কৰিছিল। কিন্তু মাকে আন নহলেও তাই পঢ়া শিক্ষানুষ্ঠানখনৰ সৰস্বতী দেৱীৰ আগত ধূপ এগছ জ্বলাই থৈ আহিবলৈ বাৰে বাৰে কোৱাত তাই যাবলৈ বাধ্য হ'ল। অন্যদিনাৰ দৰে কলেজৰ ইউনিফৰ্মযোৰ নিপিন্ধি তাই তাৰ পৰিবৰ্ত্তে এযোৰ কাপোৰ পিন্ধি ললে আৰু কলেজলৈ বুলি আগবাঢ়িল। কলেজত গৈ

দেখিলে সকলো ছাত্র-ছাত্রীয়ে বিচিত্র সাজপাৰ পিন্ধি কলেজ চৌহদত ইফাল-সিফাল কৰি ঘূৰি ফুৰিছে। তাই গৈ প্ৰথমে সৰস্বতীক ধূপ জ্বলাই এটা সেৱা জনালে। তাৰ পাছত লগৰ ছোৱালীবোৰক বিচাৰি ইফালে সিফালে চাবলৈ ধৰিলে। হঠাৎ তাই কল্যাণীহঁতক তৃতীয় বাৰ্ষিকৰ ছাত্ৰ ৰাজীৱ, ৰঞ্জন, ভাস্কৰহঁতৰ লগত বহি গছৰ তলত কথা পাতি থকা দেখিলে। মিলি সিহঁতৰ ওচৰলৈ আহিল।

'কল্যাণী, তোমালোক কেতিয়াবাই আহিলা নেকি ?'— মিলিয়ে কল্যাণীকে উদ্দেশ্য কৰি প্ৰশ্নটো সিহঁত আটাইকেইজনীকে সুধিলে। কিন্তু তাই উত্তৰ কোনো এজনীৰ পৰা নাপালে। এনেকি তাই আৰু দেখা পালে সিহঁত চাৰিওজনীয়ে তাইৰ ফালে চাই মুখ টিপি হাঁহিছে। তাই ইয়াৰ কাৰণ বুজি পালে। আজি তাই পিন্ধা বোৱা কাপোৰ-যোৰ। এই কাপোৰযোৰ মিলিৰ বয়স ন বছৰ হওঁতেই বোৱা। গাঢ় সেউজীয়া ৰঙৰ। মাজত এটা দুটা সৰু ডাঙৰ বগা ফুল। মাকে অতি কষ্টৰে মিলিৰ বাবে বহল-আহলকৈ ঘৰতে সুন্দৰকৈ বৈছিল। বন্দনা, বিনীতাহঁতে এই কাপোৰযোৰকে লৈ ফিচিঙাফিচিঙ কৰিছে। মিলিৰ বৰ অসহ্য লাগিল। তথাপিও তাই এতিয়া সৰস্বতী পূজাত ফুৰ্তি কৰিবৰ মনেৰে সিহঁতৰ কাষতে বহিল।

কিন্তু কল্যাণী, ইন্দ্ৰাণীহঁতে মিলিৰ লগত কোনো কথা নাপাতি ফটো তোলাৰহে কথা পাতিবলৈ ধৰিলে। ইন্দ্ৰাণীয়ে এইবাৰ একেবাৰে থিয় হৈয়ে ক'লে— ব'লা আমি চাৰিওজনীয়ে ৰঞ্জনদাহঁতৰ লগত 'কলেজ ষ্টুডিঅ'ত ফটো তোলোগৈ। এইবুলি ইন্দ্ৰাণীয়ে কোৱাৰ লগে লগে সিহঁত সকলোৱে বহাৰ পৰা উঠিল। আৰু মিলিক তাতে এৰি সিহঁত তাৰ পৰা আঁতৰি গুছি গ'ল। কিছু আঁতৰত ৰঞ্জন, ৰাজীৱহঁতৰ লগৰ সমুদ্ৰই সৰস্বতী পূজাৰ কিবা হিচাপ কৰি বহি আছিল। ৰঞ্জনহঁতে তাক লগ নধৰাত সি নগ'ল। সি দেখিলে ৰঞ্জনহঁতৰ লগত থকা ফাইভ ষ্টাৰ দলটোৰে ছোৱালী এজনী সিহঁতে উঠি অহা ঠাই-ডোখৰতে বিমৰ্ষ মনে বহি আছে। সমুদ্ৰই জানিলে তাইৰ গাত আজি দামী কাপোৰ এযোৰ নাই বাবে নিজৰ দলৰেই তাইৰ প্ৰতি এনে আচৰণ। অন্য দিনাখন কিন্তু সদায় সিহঁত কলেজত পাঁচজনী লগহৈ পঞ্চমী হৈ থাকে, যাক সকলোৱে 'ফাইভ ষ্টাৰ' দল বুলিয়েই চিনি পায়। তেতিয়া সিহঁতৰ আটাইৰে গাত থাকে একেই সাজপাৰ। কলেজৰ ইউনিফৰ্ম।

সমুদ্ৰৰ মনত বৰ দুখ লাগিল। সি বহাৰ পৰা উঠিল। আৰু মিলিৰ লগত চিনাকি হবৰ বাবে এখোজ দুখোজকৈ আগ-বাঢ়ি আহি মিলিৰ কাষতে ৰ'লহি। সি মিলিৰ লগত চিনাকি হ'ল। প্ৰথম চিনাকিতে মিলিলৈ তাৰ বৰ মৰম লাগিল। সি যেন বহুত দিনৰ মূৰত নিজৰহে ভনীয়েকজনী পালে। তাইৰ লগত কিছু সময় কথা পতাৰ পাছত সি মিলিক কলে— ব'লা মিলি, আমাৰ ঘৰৰ পৰা আহোঁগৈ। বেছি দূৰ নহয়। পাঁচ মিনিটৰ বাট। মই সদায় কলেজলৈ খোজ

কাঢ়িয়ে আহো।

মিলিয়ে কিন্তু জানিছিল এই সমুদ্ৰ তাইৰ প্ৰিয় শিক্ষাগুৰু চৌধাৰীদেৱৰ যিজনে তাইক ক্লাচত প্ৰশ্ন সুধিলে তৎক্ষণাত শুদ্ধ উত্তৰ দিলে খুউব মৰম কৰে, আৰু নোৱাৰিলে ভালকৈ বুজাই দিয়ে তেখেতৰ একমাত্ৰ পুত্ৰ। স্নাতক তৃতীয় বাৰ্ষিকৰ বিজ্ঞানৰ ছাত্ৰ।

সমুদ্ৰই বেমাৰত ভুগি মৃত্যু হোৱা তাৰ অতি মৰমৰ ভনীয়েকক হেৰুৱাই আজি মিলিক পাই তাৰ অন্তৰ আনন্দত উথলি উঠিল। সমুদ্ৰৰ ভনীয়েক জুৰিৰ মৃত্যু হোৱা প্ৰায় দুবছৰ হ'ল। সি জুৰিক চিৰদিনৰ কাৰণে হেৰুৱাই কেতিয়াবা বৰ নিঃসঙ্গ অনুভৱ কৰে। আগতে সি জুৰি কাষত থাকিলে জুৰিৰ লগত খেলে, ক'ৰবাত ফুৰিবলৈ গ'লে জুৰিকো লৈ যায়, পঢ়িবৰ সময়ত কিবা নোৱাৰিলে শিকাই দিয়ে। এনেকি বঙতে সিহঁত দুয়োটাই কাজিয়াও লাগে। কাজিয়াৰ সূত্ৰপাত হ'লে জুৰিয়ে ঠেঁহ পাতে। এই ঠেঁহ ভাঙিবৰ কাৰণে সমুদ্ৰই নানা কষ্ট কৰিবলগীয়া হয়। জুৰিয়ে যি কয় সি তাকে কৰিবলৈ বাধ্য হয়। কেতিয়াবা তাক মাটি চেলেকিবলৈ কয়। সি আঠুকাঢ়ি জিভা উলিয়াই মাটি চেলেকিবলৈ লওঁতেই তাই হাঁহি হাঁহি কয়— "হৈছে হৈছে দাদা, তুমি— তুমি আৰু এতিয়া শিশু কৃষ্ণ হব নালাগে। আজি বাৰু তোমাক এৰি দিছো, উঠা।" আৰু সি তেতিয়া তাইৰ আদেশ মতে মাটি চেলেকিবলৈ এৰি থিয় হব লাগে। কিন্তু এতিয়া আৰু তাক এইবোৰ কৰিবলৈ তাৰ ভনীয়েক নাই। জুৰি একেবাৰে কোনেও বিচাৰি নোপোৱা ঠাইলৈ আঁতৰি গৈছে। মিলিয়ে জুৰিৰ দৰে একেই শান্ত, নম্ৰ মিলিক তাৰ খুউব ভাল লাগিল। সি মিলিক ঘৰলৈ লৈ আহি মাকৰ লগতো পৰিচয় কৰি দিলে।

মিলিক যেন সমুদ্ৰৰ মাকে বহুদিনৰ পৰাই চিনি পাই। তাই যেতিয়া সমুদ্ৰহঁতৰ ঘৰৰ গেটৰ মুখত উপস্থিত হৈছিল তেতিয়া সমুদ্ৰৰ মাকে আগফালৰ লনখনত অকলশৰে বহি আছিল। সমুদ্ৰৰ লগত তাইক দেখি বহাৰ পৰা উঠি "আঁহা, আঁহা মাজনী" বুলি মিলিক হাতত ধৰি ভিতৰলৈ লৈ গৈছিল। তাৰ পাছতহে মিলিৰ নাম, ক'ত ঘৰ, ঘৰত কোন কোন আছে ইত্যাদিবোৰ সুধিছিল। আকৌ 'ঈশ্বৰৰ কৃপাত সকলোটিৰে ভাল নে?' বুলি ঘৰৰ খবৰ লৈছিল।" কিছু সময়ৰ পাছত জলপান খাবৰ বাবে খোৱাৰ টেবুললৈ তাইক লৈ গৈছিল। মিলিয়ে নাখাওঁ বুলি কোৱা স্বত্তেও 'খোৱা, মাজনী অলপমান খোৱা, নহলে মই বৰ বেয়া পাম।' এইবুলি কৈ তাইক খোৱাৰ টেবুলত বহুৱাই দিছিল। সমুদ্ৰৰ মাকৰ সহজ সৰল ব্যৱহাৰত মিলি অভিভূত হৈ পৰিল। তাই অলপ সময় সিহঁতৰ ঘৰত থকাৰ পাছত পুনৰ সমুদ্ৰৰ লগতে কলেজলৈ আহিল। সমুদ্ৰৰ ঘৰৰ পৰা ওলাই আহিবৰ সময়ত তাই দেখিছিল সমুদ্ৰৰ মাকৰ চকুৰ কোণত দুটোপাল চকুলো। নিশ্চয় "পায়ো হেৰুৱা বেদনাৰ অশ্ৰু।"

কলেজলৈ আহি মিলিয়ে পোনে পোনে

ইন্দ্ৰাণীহঁত ঘূৰি আহিলনে নাই চাবলৈ গোটেই চৌহদটো এপাক ঘূৰিলে। সিহঁতৰ কোনো এজনীকে নেদেখি তাই অন্য ছোৱালীবোৰৰ লগতে এঘণ্টামান কটাই ঘৰলৈ গুচি আহিল।

সোনকালে সৰস্বতী পূজাৰ পৰা ঘূৰি অহা দেখি মাকে মিলিক সুধিলে— 'মিলি, ইমান সোনকালে কিয় আহিলি ?' মিলিয়ে মাকৰ কথাৰ একো উত্তৰ নিদি পোনচাটেই ক'লে— 'জানা মা, মই আজি দাদা এজন পালো। দাদাই মোক তেওঁলোকৰ ঘৰলৈ লৈ গৈ একেবাৰে মাকৰ লগত চিনাকি কৰি দিলে। দাদাৰ মাক বৰ ভাল। মোক পাই তেওঁ এৰিয়ে নিদিছিল। মই তোমাৰ অসুখ বুলি কোৱাতহে এৰি দিছে। আৰু কি কৈছে জানা, কাইলৈ হেনো আমাৰ ঘৰলৈ আহিব।' মিলিয়ে কথা কেইটা কৈ কোনোমতে স্বস্তিৰ নিশ্বাস পেলালে। নহলে তাই যদি সচাঁকৈ কৈ দিলেহেঁতেন কিয় সৰস্বতী পূজাৰ পৰা আহিব লগা হ'ল, তেতিয়া ৰুগীয়া মাকে অন্তৰত বহুত আঘাত পালেহেঁতেন।

কিন্তু নিশা মিলিয়ে শুবৰ সময়ত বিচনাত পৰি ভাবিবলৈ ধৰিলে কিয় কল্যাণী, ইন্দ্ৰাণী, বন্দনা, বিনীতাহঁতে তাই বোৱা কাপোৰ পিন্ধাৰ বাবেই তাইৰ কাষৰ পৰা আঁতৰি ফুৰিছিল। কলেজতটো সিহঁতেই তাইৰ লগত ফুৰে, খেলে। এনেকি আকৌ ক্লাচ কৰিবৰ সময়ত সিহঁত চাৰিওজনীয়ে তাইৰ কাষত বহিবলৈ উথপথপ লগায়। তাইৰ ওচৰত থাকিলে সিহঁতে বহুত নজনা কথা জানিব পাৰে। সেয়ে সিহঁত তাইৰ লগত ছাঁৰ দৰে ঘূৰি ফুৰে। আজি হ'লে সিহঁত কেইজনীয়ে তাইৰ পৰা নিজে নিজে আঁতৰি ফুৰিছে। হয়তু আজি সৰস্বতী পূজাত সাজ-পোচাকেৰে আভিজাত্য প্ৰকাশ কৰিব পৰাত সিহঁত আনন্দত আত্মহাৰা হৈ পৰিছে। মিলিৰ বুকুৰ পৰা দুখৰ হুমুনিয়াহ এটা বৈ গ'ল। আভিজাত্যৰ অভাৱত পৰি তাই আজি নিজৰ দলৰ পৰাই বিচ্ছেদ হৈ যাবলগীয়া হ'ল। এই আভিজাত্যৰ চিন্তাই মিলিৰ চকুত ৰাতিৰ ঘন আন্ধাৰতো দুচকুত চকুলো জিলিকাই তুলিল। ★

★ ১৯৯৩ চনৰ মহাবিদ্যালয়ৰ বাৰ্ষিক সপ্তাহ উপলক্ষে অনুষ্ঠিত প্ৰতিযোগিতাত প্ৰথম পুৰস্কাৰপ্ৰাপ্ত।

দৰিদ্ৰতাই হৈছে বিদ্ৰোহ আৰু অপৰাধৰ মূল কাৰণ।

— এৰিষ্ট'টল

# ৰঙীন স্বপ্ন

শেৱালী কলিতা
স্নাতক ২য় বাৰ্ষিক

ড্ৰইং ৰুমত বহি খিড়িকীৰে বাহিৰলৈ চাই নিৰ্মল আকাশৰ নিৰ্জনতা ভেদ কৰি অলেখ চৰাই নিজ নিজ লক্ষ্য স্থানলৈ কেনেকৈ গতি কৰিছে, তাক উপভোগ কৰি থাকোতে হঠাতে কিয় জানো বিদিশাৰ চকুৰ পৰা দুটোপাল লোটক বাগৰি আহিল ? কিয় বাৰু এনে হ'ল ? আজি দুবছৰৰ আগতে ঘটি যোৱা ঘটনাবোৰ আজি কিয় তাইৰ মনত বাৰে বাৰে ভুঁমুকি উঠিছে।

সেইসময়ত বিদিশাই গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধীনত অৰ্থনীতি বিভাগত দ্বিতীয় শ্ৰেণীৰ প্ৰথম স্থান লৈ এম, এ পাছ কৰিছেহে মাত্ৰ। তাইৰ দেউতাকৰ হাতলৈ কেইবাজনৰ পৰা কেইবাটাও বিয়াৰ প্ৰস্তাৱ আহিল। তাৰে ভিতৰত দেউতাকৰ এজন নলেগলে লগা বন্ধুৰ প্ৰস্তাৱক বিদিশাৰ দেউতাকে অগ্ৰাহ্য কৰিব নোৱাৰিলে। তেওঁৰ বন্ধুজনে বিদিশাক সৎ চৰিত্ৰ আৰু নম্ৰ আছিল বাবে বোৱাৰী হিচাবে গ্ৰহণ কৰিবলৈ বিচাৰিছিল। আনকি তাই পঢ়া-শুনাতো আগবঢ়া। প্ৰাঞ্জল শইকীয়াক বিদিশাই আগতে দেখিছিল যদিও সেই প্ৰাঞ্জলৰ লগত যে শুভবিবাহৰ এনাজৰীদালত বান্ধখাৰ লাগিব তাই ভৱাই নাছিল। প্ৰাঞ্জল যদিও পঢ়া-শুনাত আগবঢ়া আছিল তথাপি এম, এ চি পাছ কৰি চাকৰি নকৰো বুলি ঠিকা কৰিছিল। তেওঁ এজন নামজ্বলা ঠিকাদাৰ। প্ৰাঞ্জলৰ দেউতাকে তেতিয়া শিক্ষকতাৰ পৰা অৱসৰ লৈছিল।

বিদিশাক মৰমতে সকলোৱে বিদি বুলি মাতে। তাইৰ দেউতাকে প্ৰথমে প্ৰাঞ্জলৰ চাকৰি নথকাত বিয়াৰ প্ৰস্তাৱটো গ্ৰহণ কৰিবলৈ ইচ্ছা কৰা নাছিল। তথাপি তেওঁৰ বন্ধুৰ অনুৰোধ ৰক্ষা কৰি প্ৰস্তাৱটো গ্ৰহণ কৰিছিল। সেই প্ৰস্তাৱত বিদি আৰু প্ৰাঞ্জলো একমত আছিল। সেইমতেই বিদি আৰু প্ৰাঞ্জলৰ বিয়া হল। বিয়াৰ পাচত প্ৰাঞ্জলৰ ঘৰখনত বিদি হৈ পৰিল একেবাৰে সকলোৰে আদৰণীয়। তাইক সকলোৱে মৰম কৰে। তাইৰ আচাৰ-ব্যৱহাৰ আৰু নম্ৰতাই সকলোকে অনুপ্ৰেৰণা যোগায়। প্ৰাঞ্জলৰ হৃদয়ৰ অনাবিল মৰমবিলাকে তাইক আপোন পাহৰা কৰি পেলাইছিল। প্ৰাঞ্জলে তাইক সকলো দিশৰ পৰা সুখী কৰি ৰাখিছিল।

এইদৰেই প্ৰাঞ্জল আৰু বিদিৰ সংসাৰলৈ তৃতীয়টি প্ৰাণী নামি আহিল। সিহঁত বৰ সুখী হ'ল। বিদিয়ে নিজৰ সন্তান আৰু

প্ৰাঞ্জলক লৈ বহুতো ৰঙীন স্বপ্ন ৰচিছিল। কিন্তু নিয়তিৰ কি নিষ্ঠুৰ পৰিহাস! তাইৰ সেই স্বপ্নবোৰ অকালতে মৰহি যাব লগা হ'ল। তাইৰ জীৱনলৈ নামি আহিল কালগ্ৰহ। সেই-দিনা হঠাতে মটৰ চাইকেল দুৰ্ঘটনাত প্ৰাঞ্জলৰ ঘটনাস্থলীতে মৃত্যু হ'ল। এই কথা শুনাৰ লগে লগে তাই চকুৰে কি দেখিছিল ক'ত আছিল একো ক'বই পৰা নাছিল। এই সময়ত তাইক এষাৰি শান্তনা বাণী শুনাবলৈ কোনো নাহিল। মাথো প্ৰাঞ্জলৰ মৃত্যুৰ বাবে তাই-কেই জগৰীয়া কৰিলে।

--প্ৰাঞ্জলৰ মৃত্যুৰ পাচৰ পৰা তাইক ঘৰখনৰ কোনেও ভাল চকুৰে নোচোৱা হল। তাই নিজকে বৰ অসহায় অনুভৱ কৰিলে। তাই মাথো চিন্তা কৰিছিল মানুক কেনেদৰে মানুহ হিচাপে গঢ় দিব পাৰে। সিয়েই যে তাইৰ জীৱ-নৰ সৰ্বস্ব। তাই এইবোৰ ভাবি শাহুৰ-শশুৰৰ অনুমতি নোলোৱাকৈ কলেজ এখনত অৰ্থনীতিৰ বিভাগৰ প্ৰবক্তা হিচাপে নিযুক্ত হল। তাইৰ বিশেষ যোগ্যতা থকাৰ কাৰণে প্ৰবক্তা হিচাপে নিয়োগ হোৱাত অসুবিধা নহল। কিন্তু বিয়াৰ পিচত যিদিনা প্ৰাঞ্জলে তাইৰ হাতত ধৰি কৈছিল, "জানা বিদি. তুমি চাকৰি কৰিব নালাগে। মোৰ এই ঠিকাৰ টকাৰে তোমাক সুখী কৰি ৰাখিম। তুমি মাথো মা-দেউতাৰ পৰিচৰ্য্যা কৰিবা। আৰু আমাৰ সন্তানটিক সুন্দৰৰূপে গঢ়ি তুলিবা মই সেইটোহে বিচাৰো। কিন্তু ..............বিদিয়ে আজি কি পথলৈ নামি গৈছে? "মই প্ৰাঞ্জলৰ কথা ৰাখিব পাৰিছোনে? কিন্তু মই আজি নিৰুপায়।" যিখন সমাজে বিদিক গ্ৰহণ নকৰিলে আৰু যিখন ঘৰে তাইক কুলক্ষণী আখ্যা দিলে সেইখন ঘৰক সেইখন সমাজক বিদিয়ে মানি নলয়। সিহঁতে বুজি নাপালে বিদিৰ অন্তৰখন, সিহঁতে মাথো তাইৰ অন্তৰখনক জ্বলি পুৰি মাৰিছে। কিন্তু কিন্তু .........প্ৰাঞ্জলে কিয়, কিয় এনে কৰিলে? সি কিয় তাইৰ মনৰ ৰঙীন স্বপ্নবোৰ হঠাতে মাৰ নিয়ালে? এইবোৰ কথা চিন্তা কৰি থাকোতে মানুৰ মা মা-মা মাততহে বিদিয়ে সম্বিত ঘুৰাই পালে।

জীৱনত কেতিয়াও পৰাজিত নোহোৱাটোৱেই পৰম গৌৰৱৰ কথা নহয়। পৰম গৌৰৱৰ কথা হ'ল কোনো ধৰণৰ পৰাজয়তে হাৰ নামানি কৰ্মক্ষেত্ৰত অগ্ৰসৰ হোৱাটোহে।

—গল্ডস্মিথ

# ঘৃণা, মৰম আৰু আশা

শেৱালী চেতিয়া
স্নাতক ২য় বাৰ্ষিক

...জাবৰিখনৰ সিপাৰে ক্লান্ত অৰুণে পশ্চিম আকাশলৈ ঢাপলি মেলিলে। এটা ৰাতিৰ প্ৰতিশ্ৰুতিৰে দিনটোৱে নিয়তিৰ পৰা বিদায় মাগিলে। ক্ষন্তেক পিছতে হয়তো আকাশৰ বুকুত জোনাকে শুভৰাত্ৰিক স্বাগতম জনাব। কি অপূৰ্ব এই ক্ষণটো! ইমান আমেজসনা নিৰিবিলি সন্ধ্যা। আশাৰ মন গ'ল কেনভাচত বন্দী কৰি থবলৈ এই অপূৰ্ব সন্ধ্যাটো। হাতত কেনভাচ আৰু ৰঙৰ তুলিকাবোৰ লৈ তাই সন্মুখৰ টিলাটোলৈ উঠি গ'ল। সদায় বহি ছবি অঁকা সেই চিৰ পৰিচিত শিলটোত বহি ক্ষন্তেক তন্ময় হৈ চাই ৰ'ল নীলাভ আকাশলৈ। নীড়মুখী পক্ষী এটি উৰি গ'ল সীমান্তলৈ। আশাই আকাশৰ পৰা দৃষ্টি নমাই আনি হাতত লৈ থকা কেনভাচত নিবদ্ধ ৰাখিলে। তেজৰঙা তুলিকাৰে কেনভাচৰ এচুকত অৰ্দ্ধ বিলম্বিত সূৰ্য্যটো আঁকিলে। গাঢ় নীলা তুলিকাৰে আকাশত নীড়মুখী পক্ষীটো আঁকিবলৈ গৈ আশা থমকি ৰ'ল। হাতৰ তুলিকাও স্থবিৰ হৈ গ'ল। এক নামহীন বিষাদেৰে ভৰি পৰিল আশাৰ হৃদয়। তাইৰ মনতো উৰি গ'ল কোনোবা অতীতৰ এটা চিনাকি সন্ধ্যালৈ।

শীতৰ সেমেকা ডাৱৰ সনা এটা নিৰিবিলি সন্ধ্যা। নীলাভ আকাশৰ সূৰ্য্যাস্তৰ অন্তিম আভা সিঁচৰিত হৈ পৰিছে বনৰিৰিষৰ পাতে পাতে, নিজৰাৰ কুলু কুলু সুৰে সুৰে। আশা তেতিয়া ষোড়শী গাভৰু। সৰুৰে পৰা ছবি আঁকিবলৈ ভালপোৱা আশাক প্ৰকৃতিৰ সীমাহীন সৌন্দৰ্য্যই হাত বাউলি মাতিছিল। সেইদিনাও হাতত কেনভাচ আৰু ৰঙৰ তুলিকা লৈ তাই বহি পৰিছিল কিবা এটা সৃষ্টিৰ প্ৰচেষ্টাত। শিল্পী প্ৰাণৰ সমগ্ৰ সত্বা ঢালি নতুন কিবা এটা সৃষ্টি কৰিব বিচাৰোতে হেৰুৱাই পেলাইছিল তাইৰ জীৱনৰ বহু-মূলীয়া সম্পদটি। দিন ৰাতিৰ মিলনৰ সেই অপূৰ্ব ক্ষণটোত দূৰৰ পাহাৰৰ ৰিণি-ৰিণি দেখা পোৱা চুড়াবোৰ চাই চাই যে কিমান তন্ময় হৈ আছিল তাইৰ মনত নাই। কল-ঘৰত পৰা ঘন্টাৰ শব্দতহে তাই সম্বিত ঘূৰি আহিল। লৰালৰিকৈ কেনভাচ আৰু তুলিকা-বোৰ সামৰি ঘৰলৈ বুলি খোজ পেলাইছেহে মাত্ৰ, হঠাৎ তাইৰ চকু স্থিৰ হ'ল। সন্মুখত সামৰিক সাজ পৰিহিত তিনিজন জোৱান। তাই মাত্ৰ এটা চিঞৰ মাৰিছিল, তাৰ পাছত কি হৈছিল তাইৰ মনত নাই। যেতিয়া জ্ঞান ঘূৰাই পাইছিল তেতিয়া তাই নিজকে আবিষ্কাৰ কৰিলে এখন নাৰ্চিংহোমত। তাইৰ নিচেই

কাষতে মাক আৰু ভনীয়েক বহি আছে, অলপ আঁতৰত দেউতাকে এজন ডাক্তৰৰ লগত কথা পাতি আছে। "চিন্তাৰ কোনো কাৰণ নাই, ছোৱালীজনী এতিয়া বিপদমুক্ত" ডাক্তৰে কৈছিল। মাকে উচুপি উচুপি কান্দিছিল। আশাৰ বুজিবলৈ বাকী নাথাকিল তাই যে ইতিমধ্যে কিবা এটা হেৰুৱাই পেলাইছে। কিবা এক অজান আশংকাত তাইৰ বুকুখন দুৰু দুৰু কঁপিছিল। এসপ্তাহ নাৰ্চিংহোমত থকাৰ পাছত সম্পূৰ্ণ সুস্থ হৈ আশা ঘূৰি গৈছিল। সময়ৰ আঁচোৰে আশাৰ জীৱনত মছিব নোৱাৰাকৈ এটা দাগ বহুৱাই থৈ গ'ল। তাই ইতিমধ্যে লোকচক্ষুত ধৰ্ষিতা হিচাপে পৰিগণিত হ'ল। ওচৰচুবুৰীয়া আনকি বন্ধু বান্ধৱীবোৰেও তাইক আগৰ দৰে সহজে গ্ৰহণ কৰিব নোৱাৰিলে। এনে দুৰ্ঘটনাৰ বাবে যেন প্ৰকৃততে তাইহে দায়ী। কিন্তু আশাৰ কোনো পৰিবৰ্ত্তন নহল। তাই আগৰ দৰেই ফুৰিবলৈ যায়, নৈৰ পাৰত প্ৰকৃতিৰ সৌন্দৰ্য্য চায়, নিতৌ সন্ধ্যা শিলত বহি ছবি আঁকে। আশাক দেখিলে মানুহে দূৰতে নাক কোচায়, আনকি কেতিয়াবা খোজকাঢ়ি যাওঁতে তাইক লৈ কৰা বিৰূপ মন্তব্যও তাইৰ কাণত পৰিল। "এইবোৰৰ মুখ চোৱাও মহাপাপ" এনে ধৰণৰ মন্তব্য আশাই প্ৰায়ে শুনিবলগীয়া হৈছিল। কিন্তু তাই নিৰ্বিকাৰ যন্ত্ৰ মানৱৰ দৰে মাথো নিজৰ কামবোৰ কৰি গৈছিল। সেইবছৰেই তাই সুখ্যাতিৰে প্ৰথম বিভাগত উচ্চতৰ মাধ্যমিক পৰীক্ষাত উত্তীৰ্ণ হ'ল। আশাৰ বিজ্ঞাপ্তে তাইৰ লগতে মাক-দেউতাককো ভৱাতকৈ বেচি সুখী কৰিছিল। সেইদিনা সিহঁতৰ সুখৰ ভাগ লবলৈ আৰু এজন মানুহ আগবাঢ়ি আহিছিল। ডাক্তৰ অমৃত বৰুৱা, আশাই নাৰ্চিংহোমত দেখা ডাক্তৰজন। আশাৰ কৃতকাৰ্য্যতাই অমৃত বৰুৱাক অত্যন্ত সুখী কৰিছিল। প্ৰথম দেখাৰে পৰা এই দুৰ্ভগীয়া ছোৱালীজনীৰ প্ৰতি তেওঁৰ হৃদয়ত এক অহেতুক সহানুভূতি জন্মিছিল। তাৰ কাৰণ হয়তো সময়ৰ নিষ্ঠুৰ পৰশত হেৰাই যোৱা একমাত্ৰ কন্যা তৃপ্তিক তেওঁ আশাৰ মাজতে বিচাৰি পাইছিল। গুৱাহাটী মেডিকেল কলেজত পঢ়ি থকা তৃপ্তিও এদিন আশাৰ দৰে দুৰ্দান্ত সৈনিকৰ কামনাৰ বলি হৈ আত্মহত্যা কৰিছিল। অমৃত বৰুৱাই আশাৰ মাজতে তৃপ্তিক আবিষ্কাৰ কৰিছিল। তেওঁ তাইক উৎসাহ দিলে মেডিকেল পঢ়িবলৈ। আশাইও হয়তো বৰুৱাৰ হৃদয়ৰ হাহাকাৰ শুনিছিল। তাই তেওঁৰ পৰামৰ্শ মতেই মেডিকেল পঢ়িবলৈ গুচি গৈছিল আৰু এদিন প্ৰথম শ্ৰেণীৰ প্ৰথম হৈ এম বি বি এচ পৰীক্ষাত উত্তীৰ্ণ হৈছিল। তাৰ পাছত পুনৰ তেওঁৰ পৰামৰ্শ মতেই আধুনিকতাৰ পোহৰ নপৰা জনজাতিৰ গাওঁ এখনত তাইক কৰ্ম্ম জীৱনৰ পাতনি মেলিলে। নগৰীয়া সভ্যতাৰ পৰা বহু আঁতৰত কোনো দিনে উচ্চ শিক্ষাৰ পোহৰ নোপোৱা গাওঁখনৰ সহজ সৰল মানুহবোৰৰ অকৃত্ৰিম প্ৰেমৰ মাজতে আশা বন্দী হৈ পৰিল চিৰদিনৰ বাবে।

হঠাৎ এচাটি শীতল বতাহে আশাৰ গা মন চুই গ'ল। তাইৰ তন্ময়তা ভাগিল। ইতিমধ্যে নিয়তিৰ বুকুত এটা দিনৰ যৱনিকা পৰিল। আশাই কেনভাচ আৰু তুলিকাবোৰ সামৰি ললে। তেতিয়া আকাশৰ বুকুৰ পৰা জোনাক সৰিছিল, টিমিক টামাককৈ জ্বলি জোনাকী পৰুবাবোৰেও যেন আশাক স্বাগতম জনাইছিল।

# ৰ'দালিৰ মন

অধ্যাপক ৰণজিৎ তামুলী

ঘৰৰ পৰা মাত্ৰ এক ফাৰ্লং দূৰতে তিনি আলিটো। তিনি আলিটো পোৱাৰ লগে লগে তাইৰ আজিকালি খঙৰ ভাৰটো লাহে লাহে বাঢ়ি গৈ শেষত নিজক চম্ভালিব নোৱাৰা হয়গৈ। স্কুলত পঢ়ি থকা দিনত সেই একেটা কথাতে তাই অপ্ৰস্তুত হৈ লাজত ৰঙা-চিঙা পৰিছিল।

ইউনিফৰ্মৰ মুগাৰ মেখেলাৰে শব্দ কৰি তাই খৰখেদাকৈ ঠাইডোখৰ পাৰ হৈ গৈছিল। তেতিয়া প্ৰায়ে নৱনীতাই কৈছিল— তুমি ইমান বেগাই গৈছা মই খোজ কাঢ়িবকে পৰা নাই।

এতিয়া ৰ'দালিৰ মুখাবয়বত লাজৰ ৰেখাই সৌন্দৰ্য্যৰ প্ৰতিফলন নঘটায়। তিনি আলি আৰু তাইৰ জীৱনৰ সৰু অথচ পাহৰিব নোৱাৰা পৰিস্থিতিটোৰ লগত তাই নিজকে নিহিত কৰি তুলিছে। কিন্তু কেতিয়াবা তাইৰ ভীষণ খং উঠে, আইতাকৰ ওপৰত। কি দৰকাৰ আছিল— পোন্ধৰ দিন নেৰা-নেপেৰা বৰষুণৰ পাছত তাইৰ জন্ম হলেইবা, পৃথিবীত আৰু নাম বিচাৰি নাপালে। শিশু নথকা পৰিয়ালটোলৈ তাইৰ আগমনে সকলোকে অনাবিল আনন্দ দিয়াৰ দৰেই সেইদিনা পুৱাৰ এচমকা ৰ'দে যেন সকলোকে আনন্দ দিছিল। আইতাকে মৰমতে নাম থলে ৰ'দালি। তাইৰ ককাকে দিয়া নাম, মাক-দেউতাকে মৰমতে মতা নাম। চাৰ্টিফিকেটৰ নাম বেলেগ হলেও কোনোবাই সৰুতে মৰমতে একোলা লৈ নামটো সুধিলে দুবছৰমান বয়সৰ পৰা তাই নিজেই কৈছিল— নামটো ৰ'দালি। সিহঁতৰ পৰিয়ালত থকা বাকীবোৰ নামৰ লগত মিল নথকাৰ বাবেই তায়ো হয়তো এসময়ত এই নামটোকে বৰ ভাল পাইছিল। দুদিনমান বৰষুণ দিয়াৰ পাছতে সৰু খুৰাকে তাইক শুনাই শুনাই প্ৰায়ে গাইছিল— ৰ'দালি এ ৰ'দ দে—

ঘৰৰ পৰা গৈ তাইক জোকোৱা নামষাৰ এদিন তিনি আলি পালেগৈ। এল, পি স্কুলত পঢ়োতে তাই তেনেকৈ জোকালে মুকুট দাদাইতক মুখ ভেঙুচাই খেদি গৈছিল। তাইৰ খঙত আনন্দ পোৱা মুকুট দাদাইতৰ বয়সৰ লৰা এজাকে হাত চাপৰি বজাই গাইছিল— ৰ'দালি এ ৰ'দ দে।' দাঁত মুৰ কামুৰি তাই ঘূৰি আহিছিল। তাইক অপ্ৰস্তুত হোৱা চাই আনন্দ পোৱা মুকুট দাদাইতে কেতিয়াবা খঙত কান্দি পেলোৱা ৰ'দালিক ফুচুলাবলৈ তিনি আলিৰ মেহেৰ কাইটিৰ দোকানৰ পৰা বাবুল গাম কিনি দি পঠাইছিল। ঘৰত বাবুল গামৰ খালি পেকেটটো দেখিলে মাকৰ গালি খোৱা ৰ'দালিৰ আজিও ভালকৈ মনত আছে। এইসোপা খাই

খাই তোৰ দাঁতকেইটা বেয়া কৰিবি দেখিছো। কোনে দিছে এইবোৰ? আজিৰ পৰা খাবি-চোন ……… ।

ৰ'দালিৰ দেহ আৰু মনতো বয়সৰ ৰং লাগিল। আগৰ ছটফটীয়া ৰ'দালিৰ ঠাই ললে এজনী গহীন গম্ভীৰ লাজুক ছোৱালীয়ে। আগতে কিবা এটা লাগ বুলিলেই ঘৰৰ পৰা তিনি আলিৰ মেহেৰ কাইটিৰ দোকানলৈ দৌৰ মাৰি যোৱা ৰ'দালিয়ে খম্‌খমীয়া মুগাৰ মেখেলা আৰু মাকে ইস্ত্রিৰ ভাজ কৰি দিয়া চাদৰ লৈ স্কুললৈ যাওঁতে তিনি আলি ডোখৰ চকু মুদি পাৰ হোৱাৰ দৰে যোৱা হ'ল। তাহানিৰ মুকুট দাদাইঁতৰ তিনি আলিৰ আড্ডাটো থাকিল যদিও মুকুট দাদাই তাইক জুকাবলৈ এৰি দিলে। কেতিয়াবা সৰু খুড়াকৰ ঘৰলৈ আহিলে মুকুট দাদাক দেখি দৌৰ মাৰি ভিতৰ সোমোৱা তাই কেতিয়াও ওলাই নহা হ'ল। কিন্তু কোনেও তিনি আলিৰ সঁচা ৰং সলনি কৰিব নোৱাৰিলে। আগৰ মেহেৰ কাইটিৰ দোকানৰ ঠাইত এতিয়া তিনি চাৰিখন সৰু সৰু দোকান হ'ল। ৰ'দালিৰ খঙেই উঠে ৰামৰতন নে কি বিহাৰী এটাৰ ধুনীয়াকৈ সজাই লোৱা চেলুনখনত full volume ত টেপ ৰেকৰ্ডাৰ এটা সদায়ে বাজি থাকে। কেতিয়াবা তাত সিহঁত গৈ ওচৰ পোৱাৰ লগে লগে "য়া— হু" বুলি যিটো চিঞৰ মাৰে নৱনীতা আৰু তাই দুয়োজনী উচপ খাই উঠিছিল। এতিয়া অৱশ্যে ভয় নাথায়— ৰ'দালিৰ ভয় লাগে চেলুনত বহি থকা সিহঁতৰ বয়সৰ ল'ৰাজাকলৈহে। ৰেকৰ্ডাৰৰ মাতটোকো চেৰাই কোনোবা এটাই আৰম্ভ কৰি দিয়ে

"ৰ'দালি এ ৰ'দ দে"
"ৰ'দ দে"
"আলি কাটি জালি দিম"
"ৰ'দ দে"

খঙ আৰু লাজত ৰ'দালিৰ মাটি ফুটি লুকাবৰ মন যায়। প্রচণ্ড খং উঠে আইতা-কলৈ। কি দৰকাৰ আছিল সকলোৰে মুখত আখৈ ফুটাদি ফুটি থকা নাম এটা দিয়াৰ। অকল তিনি আলিতে নহয়, স্কুলৰ ওচৰৰ চাৰি আলিটোত থকা এসোপায়ো কেতিয়াবা তাইক জুকায়। ৰ'দালিৰ সিহঁতৰ ওচৰলৈ গৈ চিঞৰি চিঞৰি কবৰ মন যায়— মোৰ মৰমৰ আইতাই মোক দিয়া নামটো লৈ জোকোৱাৰ অধিকাৰ কোনে দিলে তোমালোকক? মোক যদি মাতিব খোজা তোমালোকে মোৰ স্কুলৰ নামেৰে মাতিবা, মোৰ নাম নাজনীন বেগম।

অথচ আজি কোপতি বিগত বাইছ বছৰীয়া জীৱনত তাইৰ এই কথাষাৰ কাকো কোৱা নহল। সৰু নগৰখনৰ তাইক চিনি পোৱা প্রত্যেকজন মানুহৰ ওচৰত তাইৰ পৰিচয় ৰ'দালি বুলিহে। স্কুলৰ বান্ধৱীবোৰে, স্কুলৰ বাইদেউৱে নাজনীন বুলিতো তাইক কেতিয়াও মতা নাই। ৰ'দালি, ৰ'দালিবা বুলি স্কুলত মাতিলে তাইৰ মনটো আইতাকৰ প্রতি মৰমৰ আকুলতাৰে ভৰি পৰে। আই-তাক এতিয়া নাই সঁচা— কিন্তু বহুত ডাঙৰ হোৱালৈকে আইতাকৰ কোলাই বোকোচাই উঠি ফুৰা ৰ'দালিয়ে এতিয়াও তেওঁৰ কোলাৰ উম অনুভৱ কৰে। কিন্তু তিনি আলিৰ এই ল'ৰাজাক— তাৰ মাজত প্রকাশ নামৰ উদণ্ড

-সোপাৰ নেতাটো, সিহঁতেহে ৰ'দালিৰ মনটো খেলিমেলি লগাই দিয়ে। নৱনীতাই তাইক সান্ত্বনা দিবলৈকে প্ৰায়ে কয়, "ইহঁতৰ অন্য কাম নাই যেন পাইছো।"

উত্তৰত ৰ'দালিয়ে একো নকয়। তাই পাৰহে গলেই তাইক লৈ ব্যস্ত হৈ পৰা ল'ৰাজাকৰ মাজত তাই এহাল চকুৰ সন্ধান কৰে। উজ্জ্বলতাৰে ভৰা গভীৰ এহাল চকু। তিনি আলি, স্কুলৰ ওচৰৰ চাৰি... আলিটো, অন্য নালাগে বজাৰলৈ গলে মাক কাষত থাকিলেও লুকাই চুৰকৈ এজুম ল'ৰাৰ মাজৰ পৰা সেই চকুহাল বিচাৰি উলিয়াব খোজে। কিন্তু তাৰ পৰিবৰ্তে সততে দেখি থকা চকুবোৰত তাইৰ কোনো আকৰ্ষণ নাই। মুকুট দাদাৰ তাহানিৰ চকুজুৰিত নিষ্পাপ ধেমালিৰ সৰলতা, স্কুলত সমনীয়া ল'ৰাজাকৰ বয়ঃসন্ধিৰ বিস্ময় বিমূঢ়তা কৌতুহল তাইৰ মানসপটত ভাহি উঠে। তিনি আলিত সততে বৈ থকা প্ৰকাশ নামৰ ল'ৰাটো — ৰ'দালিৰ অলপো ভাল নালাগে। অবিন্যস্ত সাজপাৰ, ৰুক্ষ চেহেৰা আৰু এহাল ৰঙা চকুৰে প্ৰকাশৰ মুখামুখি হব খুজিলে তাই তললৈ মূৰ কৰি দিয়ে। বাম বতনৰ চেলুনত বিকৃত সুৰত গোৱা "মা······ছু"ৰ প্ৰতি ৰ'দালিৰ বিতৃষ্ণা যিমান প্ৰকাশৰ প্ৰতিও প্ৰায় সিমানেই। তাইৰ সাৱলীল জীৱন যাত্ৰাত তিনি আলিৰ ল'ৰাজাকে যেন সৃষ্টি কৰে এটি বিশ্ৰী শ্ৰুতি-কটু সুৰ। আইতাক জীয়াই থাকোতে তাইক কাষত বহুৱাই প্ৰায়ে কৈছিল, "তুমি কাকো বেয়া ব্যৱহাৰ নকৰিবা, যেতিয়ালৈকে তোমাক বেয়া ব্যৱহাৰ নকৰে।" ...

প্ৰকাশহঁতৰ প্ৰতি তাইৰ অসন্তুষ্টিৰ সীমা পাৰ ভাঙি যোৱা স্বত্বেও তাই কোনো-দিন সিহঁতক একো কোৱা নাই আজিলৈকে। তিনি আলি পোৱাৰ লগে লগে খণ্ডটো তিভিচকৈ মূৰত উঠিলেও তাই সেইটো সিহঁতৰ বয়সৰ নিৰ্দোষ ধেমালি বুলি ধৰি লয় আইতা-কৰ কথাষাৰতেই। কিন্তু সীমাৰ বাহিৰলৈ যদি গুচি যায় সেই ধেমালি?

হাইস্কুলৰ শেষ শ্ৰেণীত পঢ়ি থকা অৱস্থাত তাইৰ বয়সৰ পৰিধিত খোজ দিছিল এহাল দীপ্ত চকুৱে। স্কুলৰ ওচৰৰ চাৰি আলিত লগ পোৱা সেই চকুহালৰ গৰাকীক তাই আগতে মুখামুখিকৈ কোনোদিন দেখা নাছিল। এজাক ল'ৰাই ৰ'দালি পাৰ হৈ গলেই ব্যস্ত হৈ উঠে। ৰ'দালি এজাক ছোৱালীৰ মাজত সহজে জিলিকি থাকে তাইৰ ওখ তন্বী আকৰ্ষণীয় চেহেৰাৰে। গাৰ উজ্জ্বল ৰং, ঘন ক'লা একোছা দীঘল চুলি আৰু স্কুলীয়া ইউনিফৰ্মজোৰেও তুলি ধৰা সুন্দৰ ৰূপ অলেখৰ মাজত ব্যতিক্ৰম আছিল। দুবৈৰ পৰা জোকাই, ধেমালি কৰি খং তোলাই ৰং চোৱা ৰ'দালিৰ প্ৰতি এক স্বাভাৱিক আক-ৰ্ষণ সকলোৰে আছিল সেই কথা ৰ'দালিয়ে অলপ বুজন হোৱাৰ পৰাই জানিছিল। লগৰ বান্ধবীবোৰৰ কোনোবাই কেতিয়াবা কৈছিল "ৰাজীৱ দাদাই তোৰ কথা কি কৈছে জান? তোক হেনো তাৰ বৰ ভাল লাগে।" "ধেৎ যা" বুলি কৈ ৰ'দালি হঠাৎ আঁতৰি গৈছিল।

কিন্তু সেই দিনবোৰত ৰ'দালিৰ মনৰ

ৰং আৰু দেহাৰ ৰং এক হৈ গৈছিল। তায়ো বিচাৰিছিল নিঃসঙ্গ মুহূৰ্ত্তবোৰ মিঠা মিঠা কল্পনাৰে উপচি পৰক। এই সৰু নগৰখনৰ কোনেও ৰ'দালিৰ সেই আশাৰ প্ৰতি সহাৰি জনোৱা নাছিল। নগৰৰ সম্ভ্ৰান্ত পৰিয়ালৰ সন্তান ৰ'দালি সাধাৰণৰ বাবে আছিল দূৰ আকাশৰ তৰা। সৌন্দৰ্য্য উপভোগ কৰিব পাৰি, চাব পাৰি কিন্তু কাষত পাব নোৱাৰি। মাথোঁ এটা দিন, ৰ'দালি আৰু নৱনীতা স্কুলৰ পৰা আহি থাকোতে এজন অপৰিচিত ল'ৰাই তাইৰ কাষত ৰৈ স্পষ্টকৈ মাতিছিল— 'ৰ'দালি' ৰ'দালিয়ে চিনি পোৱা নাছিল, নৱনীতাইও। চাইকেলত উঠি থকা ল'ৰাজনে হাতৰ পৰা কিতাপ এখন আগবঢ়াই দি কৈছিল "এইখন তোমাৰ কিতাপ লোৱা।" "মোৰ কিতাপ?"

"অ, মণিকাই দি পঠাইছে। তাই আজি স্কুললৈ আহিব নোৱাৰিব বুলি মোৰ হাতত দি পঠাইছিল।" "বাৰু" কিতাপখন হাতত তুলি লৈছিল তাই। এপলকৰ বাবে ল'ৰাজনৰ চকুৰে চকুৰে পৰিল ৰ'দালিৰ। ল'ৰাজনৰ উজ্জ্বলতাৰে ভৰা চকুজুৰিত দেখা স্পষ্টতাৰ বাবেই ৰ'দালিয়ে নিজৰ চকুহাল নমাই আনিলে।

"মোৰ নাম অনুপল। মণিকা মোৰ মাহীৰ ছোৱালী।" ল'ৰাজন গ'লগৈ।

বাটত আহোঁতে নৱনীতাই কৈ আহিছিল "বৰ অভদ্ৰ ল'ৰা। ডুজনী ছোৱালীৰ লগত কথা পাতোতেও চাইকেলৰ পৰা নামিব নোৱাৰে।"

ৰ'দালিয়ে একো কোৱা নাছিল। তাই ভাবি আহিছিল মণিকাই নিয়া চচিয়েল ষ্টাডিজৰ কিতাপখনটো সিদিনা ঘূৰাই দিয়াৰ কথা নাছিল। মনতে কৰি অহা সন্দেহটো তাইৰ সঁচা হৈ ধৰা দিছিল যেতিয়া কিতাপখন ঘৰত মেলি চাইছিল। এটা ধুনীয়া নীলা খামত এখন চুটি চিঠি। চিঠিখন পঢ়ি লিখোতাজনৰ স্পষ্টবাদী মনৰ উমান তাই তেতিয়াই বিচাৰি পাইছিল "………… তোমাক মোৰ ভাল লাগিছে। ইমান দিনে বিচাৰি অহা ছোৱালীজনী মই তোমাৰ মাজত বিচাৰি পাইছো। তুমি ইচ্ছা কৰিলে আমি এটা ভাল সম্পৰ্ক গঢ়ি তুলিব পাৰো……"

চিঠিখন এবাৰ দুবাৰ বহুবাৰ তাই পঢ়ি পেলাইছিল। প্ৰতিটো শব্দ হৃদয়েৰে অনুভৱ কৰিবলৈ যাওঁতে তাইৰ মানসপটত ভাঁহি উঠিছিল উজ্জ্বল এযুৰি চকুৰ ভাষা। বহুদিন সংগোপনে লৈ ফুৰা চিঠিখন তাই এতিয়াও সযতনে নিজস্ব মূল্যবান বস্তুৰ লগত সাঁচি থৈছে। তাইৰ যৌৱনৰ প্ৰথম মূল্যায়ণ এই চিঠিখন তাই কেতিয়াও হেৰুৱাব নোখোজে।

কিন্তু কোনোদিন অনুপলে দি যোৱা ডিব্ৰুগড়ৰ ঠিকনাত তাইৰ চিঠি লিখা নহ'ল। মণিকাকো সোধা নহ'ল কিতাপখনৰ কথা। আৰু আচৰিত ভাৱে মণিকায়ো কোনোদিন তাইক কিতাপখন পালেনে নাই সুধিলে। দুয়োজনীৰ বন্ধুত্ব অথচ একেই থাকিল। দশম শ্ৰেণীৰ শিক্ষা আৰু সামান্যতম অভিজ্ঞতাৰে তাই মনক বুজাবলৈ যত্ন কৰিছিল— অনুপল আৰু তাইৰ মাজত আছে অলেখ বাধাৰ প্ৰাচীৰ। অদূৰ ভৱিষ্যতে হব পৰা দুঃখৰ কাৰণ

সময় থাকোতেই প্ৰতিৰোধ কৰিবলৈ তাই জীৱনত শিকি আহিছে আইতাকৰ পৰাই — "জীৱনত যিবোৰ কথা সম্ভৱপৰ নহয় বুলি জানিবা তেনে কাম কেতিয়াও কৰিবলৈ আগ নাবাঢ়িবা।"

আইতাকে তাইক উদাৰ হবলৈ শিকাইছিল — কিন্তু সেই উদাৰতাৰ সত্য প্ৰকাশ ঘটে জীৱনৰ জটিলতা আৰু সংঘৰ্ষৰ মাজেদিহে। এতিয়া আইতাক জীয়াই থকা হলে তাই সুধিলেহেতেন— "উদণ্ড প্ৰকাশহঁতক উদাৰতাৰে ক্ষমা কৰিব পাৰিনে ? তাইৰ নাৰী সুলভ লজ্জাক ভেঙুচালি কৰি ৰং চোৱা প্ৰকাশক।" প্ৰকাশক সদায় ৰ'দালিয়ে ধনী দেউতাকৰ নষ্ট যোৱা চৰিত্ৰৰ ল'ৰা বুলিয়েই ভাৱে। নহলে কোনো ল'ৰাই ৰামৰতনৰ চেলুনত ঘণ্টাৰ পিছত ঘণ্টা আড্ডা দি নাথাকে। প্ৰকাশৰ কথা কোনোদিনেই তাই দ'কৈ ভবা নাই। তাৰ ৰুক্ষ চেহেৰা আৰু ৰঙা চকুহাল দুয়োটাই ৰ'দালিৰ অপছন্দ।

কিনকিনিয়া বৰষুণ দি থকা প্ৰায় ছটা দিন ঘৰত সোমাই ৰ'দালিৰ অশান্তি লাগিল। তাই বিশেষ ভাৱে নৱনীতাক লগ পাব লাগিছিল— গ্ৰেজুৱেশ্যন কমপ্লিট কৰাৰ পাছত তাই প্ৰায় এটা বছৰ এনেয়ে আছে। অথচ নৱনীতাই ইতিমধ্যে দুটা ডিপ্ল'মা কৰ্চ সম্পূৰ্ণ কৰি এটা কমপিউটাৰ ইঞ্জীনিয়াৰিঙৰ কৰ্চ কৰি আছে। তাইয়ো ভাবিছিল এসময়ত এটা কুকিং ক্লাচ কৰিব। ৰন্ধাৰ চখ তাইৰ সৰুৰ পৰাই আছে। সৰু খুৰাকে বৰ ভাল পাই ৰ'দালিয়ে কৰা কাষ্টাৰ্ড আৰু পোলাও। পৰীক্ষা হৈ যোৱাৰ এটা বছৰ ফুৰা, কিতাপ পঢ়া আৰু চচিয়েল ভিজিট দিয়াৰ পাছত তাইৰ অশান্তি লাগিছে। এতিয়া সৰু নগৰখনত টেকনিকেল আৰু প্ৰেক্টিকেল এডুকেশ্যনৰ কেইবাটাও অনুষ্ঠান হল। সকলো কথা জানিবলৈ নৱনীতাৰ ওচৰলৈ যোৱাটোকে ঠিক কৰিলে — মাকৰ অনুমতি লৈ।

তিনি আলিটো পোৱাৰ লগে লগে সৰু ল'ৰা এটাই চেপা মাতেৰে তাইক জোকোৱা শুনিলে "ৰ'দালিয়ে এ ৰ'দ দে" —

কলেজলৈ যাবলৈ এৰাৰ পৰা তাইক তেনেকৈ স্পষ্টকৈ কোনোৱে জোকোৱা নাই। সৰু ল'ৰাটোৰ সাহস দেখি তাই তৰ্ধ মানিল। ভালকৈ চাই দেখিলে চেলুনৰ চকী এখনত প্ৰকাশ বহি আছে। তাইৰ বৰ খং উঠিল — ৰাষ্টাই পদূলিয়ে জোকোৱাৰ বয়স এতিয়া প্ৰকাশৰ নাই। তায়ো এতিয়া ডাঙৰ ছোৱালী। কিবা এৰাৰ কম বুলি আগবাঢ়ি যাব খুজিও তাই ৰৈ গ'ল। তাক ক'লে বা কি লাভ— এনে ভাৱ এটা লৈ তাই পোনে পোনে গুচি গ'ল। নৱনীতাৰ ক্লাচ দহ বজাৰ পৰা আৰম্ভ হয় বাবে ৰ'দালি ৰৈ গ'ল। নৱনীতাৰ মাক খুৰীয়ে বহুদিনৰ মূৰত অহা বাবে তাইক আলহ দুলহ কৰি ভাত খাবলৈ ক'লে। খুৰীৰ আগ্ৰহৰ প্ৰতি সহাৰি দি ৰ'দালিয়ে নৱনীতাৰ চেলফৰ পৰা কিতাপ এখন হাতত তুলি ললে।

বিয়লি চাৰি বজাত নৱনীতাৰ লগত খোজ কাঢ়ি ঘৰলৈ উভতি আহোঁতে সৰু নগৰখনৰ আমূল পৰিবৰ্ত্তন দেখা পালে দুয়োজনীয়েই। তৎমুহূৰ্ত্ততে যেন নগৰত বিয়পি পৰিছে এটা চেপা উত্তেজনাৰ ঢল। দূৰণীবটীয়া মানুহবোৰ

লৰালৰিকৈ গুচি গৈছে। বজাৰ সমাৰ প্ৰায় আধাখিনিয়েই বন্ধ। ৰিক্সাবোৰ খৰকৈ পেদেল ঘুৰাই ঘৰমুখী হৈছে। ৰ'দালিয়ে কেবাজনো ৰিক্সাৱালাক "ভাড়া যাবা নেকি" বুলি সুধোতে সিহঁতে মাত্ৰ মূৰ জোকাৰিছে। চিভিল হস্পিতেলৰ মুখ পাওঁতেই ৰ'দালিয়ে সিহঁতৰ চুবুৰীৰ মণিকুলক দেখা পালে। ৰ'দালিয়ে তাক মাত্ৰ কি হৈছে বুলি সুধোতে সি উশাহ নসলোৱাকৈ কৈ গ'ল "আপুনি গম নাপায় ৰ'দালি বা। সিফালৰ বহু ঠাইত হিন্দু মুছলমানৰ কটাকটি লাগিছে। বহুত মানুহ মৰিছে। মুকুট দা যে. মুকুট আলি মাষ্টৰ ইয়াতে আছে। কেবাঠাইতো বেয়াকৈ কাটিছে। মেজৰ কেচ।"

দুয়োজনীয়ে তাতেই কিংকৰ্ত্তব্য বিমূঢ় হ'ল। নৱনীতাই ইচ্ছা নকৰিছিল যদিও তাইক ৰিক্সা এখনত তুলি ঘৰলৈ পঠাই তাই লাহে লাহে চিভিলৰ চাৰ্জিকেল থিয়েটাৰলৈ সোমাই গ'ল। মুকুট দা ৰক্ত ৰঞ্জিত হৈ বিচনাত পৰি আছে— অচেতন। শৰীৰৰ সমগ্ৰতে বেণ্ডেজ বন্ধা; দেখিলেই ধৰিব পাৰি এতিয়াও ক্ষত স্থানৰ পৰা তেজ নিগৰি আছে। বিচনাৰ কেউফালে অলেখ চিনাকি অচিনাকি মানুহ। তাইৰ ঘৰৰ ওচৰৰ কোনো নাই। তাই সৰু খুৰাকলৈ ফোন এটা কৰিব খুজি আগবাঢ়ি গ'ল - ডাক্তৰৰ চেম্বাৰলৈ। ফোনত লৰালৰিকৈ মোটা-মোটি কথাকেইটা জনাই মুকুট দাৰ ওচৰলৈ আহি তাই দেখিলে ইতিমধ্যে মুকুটদাক অপাৰেশ্যন থিয়েটাৰলৈ নিয়া হৈছে।

দীঘল কৰিড'ৰটোত বৈ তাই গোটেই পৰিস্থিতিটোৰ কথা ভাবি চালে। যুগ যুগ ধৰি একেলগে ঐক্য আৰু সম্প্ৰীতিৰ বান্ধোনেৰে এক হৈ থকা দুটা সম্প্ৰদায়ৰ মৰমৰ এনাজৰী ছিন্ন ভিন্ন হৈ পৰিল এই ৰক্তাৰক্তি। গভীৰ দুঃখ অনুভৱ কৰিলে ৰ'দালিয়ে।

প্ৰকাশ ওলাই আহিছে অপাৰেশ্যন থিয়েটাৰৰ পৰা। আচৰিত হ'ল ৰ'দালি— মুকুটদাৰ অপাৰেশ্যন থিয়েটাৰৰ পৰা প্ৰকাশ! প্ৰকাশৰ সন্মুখত এজুম মানুহ। এটা ঘণ্টাৰ আগত হিন্দুৰ প্ৰতি প্ৰতিহিংসাত ভিতৰি ভিতৰি জ্বলি থকা এজাক মানুহ প্ৰকাশৰ প্ৰশংসাত পঞ্চমুখ হৈ উঠিছে। ধন্যবাদ জনাইছে— সকলোৱে মৰমৰ মুকুট আলিক ৰক্তদান কৰি জীৱন দিয়াৰ বাবে। ওচৰলৈ গৈ ৰ'দালিয়ে শুনিলে প্ৰকাশৰ দীপ্ত কণ্ঠৰ ভাষা "মানুহৰ তেজৰ ৰং একেটাই, তাৰ ৰং ৰঙা। হিন্দুৰ তেজো, মুছলমানৰ তেজো। আমি ভাই ভাই, তেনেকৈয়ে আছো, তেনেকৈয়ে থাকিম। আজি মোক আঘাট কৰা হলেও তেজ দি বচাব লাগিলহেতেন মুছলমান ভায়ে। কওক নবচাব নে?

ৰ'দালি জুমটোৰ ওচৰ চাপি গ'ল। প্ৰকাশৰ ওচৰত তাই মূৰ তুলি প্ৰকাশলৈ চালে।
"প্ৰকাশ"
"ৰ'দালি, তুমি ……।"
"প্ৰকাশ! তোমাক ধন্যবাদ জনোৱাৰ ভাষা "
"ভাষা নালাগে ৰ'দালি। হৃদয়ৰ সাঁকোয়েদি গঢ়া মৰমৰ এনাজৰীৰ সুদৃঢ় বান্ধোন আমাৰ মাজত আছে, ৰ'দালি। আমি আমাৰ প্ৰত্যেকৰে অতিকে আপোন। মুকুটদাক ৰক্ষা কৰাটো মোৰ কৰ্ত্তব্য, সেই কৰ্ত্তব্য কৰিছো।

সৰু খুৰাকৰ লগত ঘুৰি আহোঁতে ৰ'দালিয়ে প্ৰকাশৰ চকুৰ ভাষা বুজিবলৈ যত্ন কৰি আহিল। আপোন মনে। ৰঙা চকু দুটাত দুকুৰা জুইৰ অৱস্থিতিৰ উমান পালে তাই— ভাতৃত্ব। দৃঢ়তা আৰু বিপ্লৱৰ। তিনি আলিত তেতিয়া ঘন আন্ধাৰ। মনে মনে তাইৰ গুণ গুণাবলৈ মন গ'ল ………

ৰ'দালিয়ে ৰ'দ দে!

× ☆ ×

ৰম্য ৰচনা

# ॥ চুলি ॥

● অশ্রুনীতা বৰা
স্নাতক ২য় বাৰ্ষিক

মোৰ নাম চুলি। হাঁহি উঠিছে ছাগৈ তোমালোকৰ নহয়? মোৰ বাসস্থান মানুহৰ মূৰত। মোৰ অবিহনে সকলোৰে বিপদ। বিশেষকৈ ছোৱালীহঁতৰ। জানা, মই কেতিয়াবা ক'লা বৰণীয়া হওঁ আৰু কেতিয়াবা বগাও হওঁ। বয়স বাঢ়ি অহাৰ লগে লগে মোৰ বৰণ হয় বগা। শুনিছা, মোৰ কাহিনী? মোৰ যত্ন ছোৱালীহঁতে বেছিকৈ লয়। পুৱাই শুই উঠি জোঙা ফণিৰে মোক ফণিয়াই। 'চেম্পু'ৰে মোক ধোৱে, ৰ'দত শুকুৱাই আৰু তাৰ পাছতে মই বতাহত হালি জালি উঠোঁ। মই হালি জালি উঠিলে ছোৱালীবোৰে বৰ ৰং পায়। ডেকা-হঁতেও মোৰ যত্ন লয়। মোক মাজে মাজে তেল দিয়ে। বৰ খং উঠে তেতিয়া—লেকেট খাই লাগি ধৰে। আজিকালি দূৰদৰ্শনৰ বিজ্ঞা-পনত দিয়া অসংখ্য তেলেৰে মোক তেলেতীয়া কৰিবৰ যত্ন কৰে; যদিও পাছতে 'চেম্পু'ৰে মোক ধুই পেলায়।

আজিকালি দিন-কাল সলনি হ'ল। লগে লগে মোৰ আকৃতিও সলনি হৈছে। কেতিয়াবা দীঘল হওঁ আৰু কেতিয়াবা চুটি হওঁ। বৰ দুখ লাগে বুজিছা। আজিকালি বোৱাৰী, ছোৱালীবোৰে মোক চুটিকৈ কাটি পেলাই। নাম দিয়ে 'Hallo cut'; অন্যহাতে বহুত বোৱাৰীয়ে মোৰে সুন্দৰ খোপা বান্ধে। সেইবোৰৰ নাম—টপনট, কলডিলীয়া, 'O' টাইপ খোপা ইত্যাদি। মোক লৈ মুঠতে জমি থাকে আৰু। বিয়া-বাৰু, ফাংছন চাবলৈ গ'লে মইতো সদায় মানুহৰ লগত থাকোৱেই, কাকো চুবলৈ নিদিয়ে। মোক সিহঁতে (ছোৱালীবোৰে) বিভিন্ন বৰণৰ ফিটা, ৰবৰ, যিবোৰ আমাৰ বজাৰত ওলাব ধৰিছে সেইবিলাকেৰে বিভিন্ন 'ফেশ্বন' দি বান্ধে। মোৰ সাংঘাতিক স্ফুৰ্তি লাগে তেতিয়া।

ইমানকে কৈ মোৰ জীৱন-বৃত্তান্ত সাম-ৰিছো। নমস্কাৰ। × ×

# ভাৰতত বৈষ্ণৱ আন্দোলনৰ পটভূমিত শ্ৰীমন্ত শঙ্কৰদেৱ আৰু মহাপুৰুষজনাৰ প্ৰচাৰিত ভক্তি ধৰ্ম্মৰ দাৰ্শনিক ভেটি

অধ্যাপিকা এখুদি তুৰৰা

ভাৰতৰ বৈষ্ণৱ ধৰ্ম্মৰ ইতিহাস অতি প্ৰাচীন। ঋক বেদত, শতপত্ৰ ব্ৰাহ্মণত, ঐতৰেয় ব্ৰাহ্মণত, মহাভাৰতত বিষ্ণুৰ নাম পোৱা যায়। ঋকৃবেদৰ বিষ্ণুৰ আদিত্যসকলৰ এজন সূৰ্যাদেৱ। শতপত্ৰ ব্ৰাহ্মণতো বিষ্ণুৰ প্ৰাধান্য পৰিলক্ষিত হয়। বেদৰ বৰ্ণনা মতে বিষ্ণু আনবোৰ দেৱতাৰ দৰে যুদ্ধাৰু প্ৰকৃতিৰে নহয়। মহাভাৰততো বিষ্ণুক মানুহৰ ৰক্ষাকাৰী শান্ত প্ৰকৃতিৰ দেৱতা স্বৰূপে পোৱা যায়। উপনিষদতো বিষ্ণু বিৰাজমান। আপাত দৃষ্টিত দেখা যায় বৈদিক যুগৰ শেষৰ ফালে ভাৰতত বিষ্ণুৰ প্ৰাধান্য বৃদ্ধি পায়।

পৰবৰ্ত্তী কালত ঋকৃবেদত বিষ্ণুৰ লগতে আৰু দুজন দেৱতাৰ নাম একাত্ম হৈ পৰে। সেয়ে হ'ল নাৰায়ণ আৰু বাসুদেৱ কৃষ্ণ। নাৰায়ণ আৰু কৃষ্ণ অভিন্ন বুলি প্ৰথম তৈত্তেৰীয় আৰণ্যকত পোৱা যায়। মহাভাৰতৰ মতে নাৰদে স্বয়ং নাৰায়ণৰ পৰা এই ধৰ্ম্ম পায়। ইয়াৰ আগতে এই ধৰ্ম্ম শ্ৰীকৃষ্ণই গীতাত অৰ্জুনৰ আগত ব্যক্ত কৰে। নাৰায়ণৰ নামৰ আগত জড়িত পঞ্চৰাত্ৰ নামৰ এটা ধৰ্ম্মৰ কথাও পোৱা যায়।

মগধৰ গুপ্ত সম্ৰাটসকলৰ দিনত বৈষ্ণৱ ধৰ্মই সকলো ধৰ্ম্মৰ আগত ঠাই পাইছিল বুলি ইতিহাসে কয়। অৱতাৰবাদ বৈষ্ণৱ ধৰ্ম্মৰ এক বিশেষত্ব। গুপ্তসকলৰ পিছত হৰ্ষবৰ্দ্ধনৰ দৰে অভাগৱত ৰজাৰ আমোলত বৈষ্ণৱ ধৰ্ম ক্ষীন প্ৰতিভ হলেও শঙ্কৰাচাৰ্য্যৰ নৱম শতিকাতো ভাগৱত ধৰ্মৰ বল যথেষ্ট আছিল। অনুক্ৰমে এই ধৰ্মৰ কেন্দ্ৰ দক্ষিণৰ তামিল দেশলৈ বাগৰিল।

দাক্ষিণাত্যত ৰামানুজে পোন প্ৰথম ভক্তি ধৰ্ম্ম প্ৰচাৰ কৰে। তাঁৰ আগতে সেই অঞ্চলৰ

নানা জাত-কুলৰ আলোৱাৰসকলে তামিল ভাষাৰ চাৰি হাজাৰ (৪০০০) বিষ্ণু ভক্তি মূলক গীত প্ৰচাৰ কৰিছিল। এওঁলোকৰ প্ৰথম আধ্যাত্মিক আচাৰ্য্য নাথ মুনি একাদশ শতিকাৰ আছিল বুলি ড° মহেশ্বৰ নেওগদেৱে 'সাহিত্যৰ ৰূপ ৰেখাত' লিপিবদ্ধ কৰিছে। নাথ মুনিৰ নাতি যমুনাচাৰ্য্য ৰামানুজৰ গুৰু আছিল। যমুনাচাৰ্য্যই পূৰ্ববৰ্ত্তী ভাগৱত পঞ্চৰাত্ৰ বা সাত্বত ধৰ্মৰ এক বিশিষ্ট আৰু নিৰ্দিষ্ট ৰূপ উলিয়াই বিশিষ্টা দ্বৈতবাদৰ পূৰ্বৰূপ সৃষ্টি কৰে। ৰামানুজে তাতোকৈ স্পষ্ট ৰূপে বিশিষ্টা দ্বৈতবাদী শ্ৰী সম্প্ৰদায়ৰ প্ৰতিষ্ঠা কৰে। ৰামানুজী শিষ্য পৰম্পৰাৰ পঞ্চম পীৰিৰ ৰামানন্দই আৰ্য্যাবৰ্ত্তত ভক্তি ধৰ্মৰ দুৱাৰ সকলোলৈকে মুকলি কৰি দিয়ে। মুছলমান কবীৰ, চমাৰ-ৰৈদাস আদি ৰামানন্দৰ শিষ্য হৈ বৈষ্ণৱ হ'ল। ৰামানন্দৰ সপ্তম পীৰিৰ শিষ্য তুলসীদাসে ৰঘুপতি ৰামৰ গীতাৱলীৰে উত্তৰ ভাৰত প্লাৱিত কৰিলে। মধবাচাৰ্য্য, বল্লভাচাৰ্য্য, শ্ৰীশঙ্কৰদেৱ, শ্ৰীচৈতন্যদেৱ, নিম্বাকাচাৰ্য্যই প্ৰধান ৰূপে ভাৰতৰ বিভিন্ন অঞ্চলত কৃষ্ণভক্তি প্ৰচাৰ কৰে।

ভক্তি আন্দোলন বা বৈষ্ণৱ আন্দোলনৰ আৰম্ভণি দ্ৰাবিড় দেশৰ ৰামানুজপন্থী মনবল মহামুনিৰ নেতৃত্বত তেন কলাইসকলে এই আন্দোলনৰ সূচনা কৰে। এওঁলোকে জাতিভেদ প্ৰথা মানি চলা নাছিল। সমাজৰ নিম্ন শ্ৰেণীৰ লোকেও ধৰ্মৰ আচাৰ্য্য হ'ব পাৰিছিল। কৰ্ণাটক, মহাৰাষ্ট্ৰকে আদি কৰি গোটেই দক্ষিণ ভাৰতত ভক্তি ধৰ্মই প্ৰসাৰতা লাভ কৰিছিল। সেই ঠাইত আগৰে পৰা চলি থকা শাক্ত, শৈৱ আদি ধৰ্ম্ম আৰু ব্ৰাহ্মণ্য ধৰ্ম্মৰ জাতি ভেদ প্ৰথাই সমাজৰ উদাৰপন্থীসকলক আমুৱাইছিল আৰু ব্ৰাহ্মণ্য ধৰ্ম্ম বেছি খৰছি হোৱাৰ বাবেই শান্ত-শিষ্ট মধ্যবিত্ত শ্ৰেণীৰ মানুহে বৈষ্ণৱ ধৰ্ম্মৰ প্ৰতি আকৃষ্ট হৈ পৰে আৰু অতি নিবিড় ভাবে একনিষ্ঠতাৰে ভক্তি ধৰ্ম্ম গ্ৰহণ কৰে।

ৰামানন্দই গোটেই উত্তৰ ভাৰতত ভক্তি ধৰ্ম্ম প্ৰচাৰ কৰে। দ্ৰাবিড় দেশৰ পৰা ইয়াক উত্তৰলৈ আনি ভক্তিৰ দুৱাৰ মুকলি কৰে।

পোন্ধৰ শতিকাত পঞ্জাৱত গুৰু নানকৰ আৱিৰ্ভাৱ হৈ হিন্দু মুছলমানৰ দুয়োটা ধৰ্ম্মকে একত্ৰ কৰি অভিনৱ শিখ ধৰ্ম্ম প্ৰচাৰ কৰে। নানকৰ ধৰ্মত জাতিভেদৰ স্থান নাই। বঙ্গদেশ আৰু উৰিষ্যাত ভক্তি আন্দোলনৰ নেতৃত্ব দিছিল চৈতন্যদেৱে। চৈতন্যদেৱ দ্বৈতবাদী আছিল। কৃষ্ণৰ লগত ৰাধাৰ স্থান আছিল। সকলো জাতিৰ মানুহকে তেওঁ শিষ্যত্ব দিছিল।

অসমত ভক্তি আন্দোলনৰ গুৰি ধৰিছিল মহাপুৰুষ শ্ৰীশঙ্কৰদেৱে। ভক্তি আন্দোলন আছিল নিঃসন্দেহে সংস্কাৰবাদী আন্দোলন। জাতি ভেদৰ কটকটীয়া বান্ধোন বৈষ্ণৱ আন্দোলনে শিথিল কৰি দিছিল। ফলস্বৰূপে ব্ৰাহ্মণ্য ধৰ্ম্মৰ প্ৰচাৰক আৰু শাসক গোষ্ঠীয়ে এই আন্দোলনৰ বিৰোধিতা কৰিছিল। বৈষ্ণৱ আন্দোলনে সমাজৰ গাঁথনি শিথিল কৰি দিয়ে বুলি ভয় খাইছিল। সেয়ে ব্ৰাহ্মণ পুৰোহিতসকলে বৈষ্ণৱ নিৰ্য্যাতনত শাসকসকলক সহায় কৰিছিল। এনে উদাহৰণ আমি শ্ৰীশঙ্কৰদেৱৰ জীৱনৰ পৰাই দিব পাৰো।

এতিয়া আমাৰ আলোচ্য বিষয় হৈছে—

ভাৰতৰ বৈষ্ণৱ আন্দোলনৰ পটভূমিত শ্ৰীশংকৰদেৱক বিচাৰি পোৱা অসমৰ গুৰু শ্ৰীশংকৰদেৱৰ আৰু শ্ৰীমাধৱদেৱৰ বংশ পৰম্পৰাৰ দিশৰ পৰা মূলতে শাক্ত আছিল। সেই সময়ত অসমত শাক্ত, শৈৱ আৰু বৈষ্ণৱ এই তিনি ধৰ্মৰেই প্ৰাদুৰ্ভাৱ ঘটিছিল। শ্ৰীশংকৰদেৱে সেই সময়ৰ পৰিৱেশ ভালদৰেই উপলব্ধি কৰিব পাৰিছিল। লক্ষ্মীনাথ বেজবৰুৱাদেৱে তেখেতৰ "শ্ৰীশংকৰদেৱ পুথিত লিখিছে – "অন্য দেৱ-দেৱী পৰিহাৰ কৰি বিষ্ণুৰ হে উপাসনা কৰিব লাগে এই ভাব শংকৰদেৱৰ প্ৰথম বাৰ তীৰ্থ ভ্ৰমন কৰিবলৈ যোৱাৰ আগতেই ব্ৰহ্ম পুৰাণ, বিষ্ণু পুৰাণ, গীতা, মহাভাৰত আদি পঢ়ি তেৰাৰ মনত অঙ্কুৰিত হৈছিল আৰু বৃন্দাবনলৈ গৈ বৈষ্ণৱসকলৰ সঙ্গত সি ডাঙৰ হৈ উঠে।"

১৪৮১ ৰ পৰা '৯৩ লৈ বাৰ বছৰ কাল শ্ৰীশংকৰদেৱে ভাৰতৰ তীৰ্থক্ষেত্ৰ দৰ্শন কৰে। শ্ৰীক্ষেত্ৰ, জগনাথ পুৰী, সীতাকুণ্ড, উত্তৰ বাহিনী গঙ্গা, বৰাহ ক্ষেত্ৰ, পুষ্কৰিণী তীৰ্থ, বৃন্দাবন, বদৰিকাশ্ৰম আদি বৈষ্ণৱ তীৰ্থসমূহ দৰ্শন কৰে। এই বৈষ্ণৱ তীৰ্থসমূহৰ বৈষ্ণৱ আচাৰ্য্যসকল আৰু সেই সকলৰ ৰচিত গীত পদৰ পুথি আৰু ভালেকেইজন আচাৰ্য্যৰ টীকা ভাষ্য আদি অগাধ প্ৰতিভাধৰ শ্ৰীশংকৰদেৱে নিশ্চয় অধ্যয়ন কৰিছিল। আৰু সেই সেই বৈষ্ণৱ আচাৰ্য্যসকলৰ লগত বিষ্ণু ভক্তি সম্পৰ্কীয় আলোচনা আদিত নিশ্চয় ভাগ লৈছিল।

পুৰীৰ গোবৰ্দ্ধন মঠৰ মহন্ত শ্ৰীধৰ স্বামীপাদ আৰু বিষ্ণুপুৰী নামৰ দুজন মহন্ত আছিল। চৰিত পুথিত পুৰীত শ্ৰীশংকৰদেৱৰ কিছুকাল থকাৰ কথাও পোৱা যায়। বিষ্ণু পুৰীৰ ভাগৱতৰ টীকা ভাষ্য "ভাগৱত ভাবাৰ্থ দীপিকা"ও নিশ্চয় শ্ৰীশংকৰদেৱৰ হাতত পৰিছিল। শ্ৰীশংকৰদেৱ স্বভাৱতে সাম্যবাদী আৰু উদাৰপন্থী হোৱাৰ বাবেই মধ্যযুগৰ ভাৰতৰ বৈষ্ণৱ আন্দোলনক সমৰ্থন কৰিছিল আৰু আন্দোলনৰ প্ৰভাৱ তেৰাৰ ওপৰত পৰিছিল বুলি ক'লে নিশ্চয় ভুল কোৱা নহব। কিন্তু সেইটো কৰোতে শংকৰদেৱে অসমীয়া কৰণ কৰিহে কৰিছিল। চৰিত্ৰসমূহৰ মতে দুবাৰকৈ ভাৰতৰ তীৰ্থক্ষেত্ৰ ভ্ৰমণ কৰোতে বৈষ্ণৱ আচাৰ্য্য চৈতন্যদেৱ, ৰূপ সনাতন, শ্ৰীধৰ স্বামী, বিষ্ণুপুৰী আদি একেশ্বৰবাদী বৈষ্ণৱ সন্তসকলৰ ধৰ্ম্মীয় আচাৰ, ভাব ভক্তিৰ প্ৰতি তেৰা অনুৰক্ত আছিল। কাৰণ ভক্তি আন্দোলনৰ প্ৰবক্তাসকল নিশ্চয় উদাৰ, সাম্যবাদী আৰু সংস্কাৰ ধৰ্ম্মী বিপ্লৱী আছিল। অসমৰ শংকৰদেৱৰো এটা বৈপ্লৱিক মন আছিল। সমসাময়িক অসমীয়া সমাজখনৰ প্ৰতিকূল অৱস্থাৰ সন্মুখীন হৈয়ো নিজৰ বৈপ্লৱীক আদৰ্শক বাস্তৱত ৰূপায়িত কৰিছিল। সমাজলৈ পৰিবৰ্ত্তন আহে; লগে লগে চিন্তাবিদসকলৰ মনত নতুন চিন্তাধাৰাই ঠাই প্ৰায়। সেই চিন্তা চৰ্চ্চাৰ লগত মানুহৰ মন খাপ খুৱাব নোৱাৰাৰ ফলতেই সামাজিক বিপ্লৱ হয়। এনে বিপ্লৱ হৈছিল উপনিষদ আৰু বুদ্ধৰ যুগৰ ভাৰতত, পূব গ্ৰীচ দেশত, অষ্টম দশম শতিকাত আৰৱ দেশত, পঞ্চদশ শতিকাত ইটালীত, পৃথিৱীৰ নানান দেশত, নানান সমাজত বিভিন্ন সময়ত

চতুৰ্দশ পঞ্চদশ শতিকাত ভাৰতবৰ্ষত হোৱা সামাজিক বিপ্লৱ ধৰ্মীয় বিপ্লৱ হিচাবে আত্ম প্ৰকাশ কৰে। ইয়েই ইতিহাস প্ৰসিদ্ধ ভক্তি আন্দোলন। অসমত এই আন্দোলনৰ গুৰি ধৰে মহাপুৰুষ শ্ৰীশঙ্কৰদেৱে প্ৰতিকূল পৰিবেশৰ মাজেদি গৈ। ভক্তি ধৰ্মৰ আদৰ্শ থলুৱা আদৰ্শ নাছিল যদিও শ্ৰীশঙ্কৰদেৱে তাক নব্যকৰণ কৰি অসমীয়া সমাজৰ উপযোগী কৰি গঢ়ি তুলিছিল।

এই ভূমিকা লবলৈ যাওঁতে শঙ্কৰদেৱ ৰাজৰোষত পৰিছিল। পুৰুহিত শ্ৰেণীয়ে ৰজাক এই ক্ষেত্ৰত সহায় কৰিছিল। নিজৰ আৰু তেৰাৰ ভক্তসকলৰ জীৱন বিপন্ন কৰি হলেও তেৱাই অসমত কেৱল ভক্তি ধৰ্ম প্ৰচাৰেই নহয় সমাজ সংস্কাৰ কৰিলে, অসমীয়া জাতিক জাতিয়ত্ব শিকালে ভাষা সাহিত্য কলা-সংস্কৃতিৰ মাধ্যমেদি। পূৰ্ব্বৰ জাতিভেদ প্ৰথা অপসাৰণ কৰি গাৰোৰ গোবিন্দ আতৈ; নগাৰ নৰোত্তম, যৱনৰ চান্দসাঁই, ব্ৰাহ্মণৰ ভট্টদেৱক একেখন ৰভাৰ তলত ধৰ্ম শিক্ষা দি ঐক্য সংহতিৰ সাঁকোডাল নিকপকপীয়া কৰিলে। প্ৰখৰ সামাজিক চেতনা-সম্পন্ন তীক্ষ্ণধী চিন্তানায়ক শ্ৰীশঙ্কৰদেৱ কেৱল অসমৰ ধৰ্ম গুৰুৱেই নহয় তেৰা একেধাৰে সমাজ সংস্কাৰক; ভাষাবিদ, কবি, নাট্যকাৰ, গীতিকাৰ, গায়ক, বাদক, নৃত্য বিশাৰদ, সমালোচক, চিত্ৰশিল্পী ( চিহ্নযাত্ৰা ) এজন ভাৰতীয় নাগৰিক। সেয়ে ডিম্বেশ্বৰ নেওঁগদেৱে তেৰাক এটা অনুষ্ঠান বুলি অভিহিত কৰিছে। এই কথা অনস্বীকাৰ্য্য যে শ্ৰীশঙ্কৰদেৱেহে ভাৰতক অসমীয়াৰ লগত পৰিচয় ঘটায়। তাৰ আগতে মাত্ৰ মহাভাৰতত এবাৰহে 'অসম' শব্দটোৰ উল্লেখ আছে। শঙ্কৰদেৱৰ লিখনিত ভাৰতক প্ৰশংসা কৰিছে এনেদৰে— "ধন্য ধন্য কলি কাল। ধন্য নৰতনু ভাল। ধন্য ধন্য ভাৰত বৰিষ।" পুনৰ "ভাৰতত নৰতনু সেহুৰে নাপায়।" "দেৱৰো বাঞ্ছিত ভাৰতভূমি"— আদি। মধ্য যুগৰ ভাৰতৰ বৈষ্ণৱ আন্দোলনৰ অসম শাখাৰ প্ৰবক্তা তথা নেতা শ্ৰীশ্ৰীশঙ্কৰদেৱ।

ভাৰতৰ বৈষ্ণৱ আচাৰ্য্যসকলে টীকা ভাষ্য ৰচনা কৰি ভিন ভিন বৈষ্ণৱবাদ প্ৰচাৰ কৰিলেও মূলতে তেওঁলোকৰ মাজত ভগবানৰ স্বৰূপ সম্পৰ্কে পাৰ্থক্য আছে, অস্তিত্ব সম্পৰ্কে পাৰ্থক্য নাই। কোনোৱে দ্বৈতবাদ, কোনোৱে অদ্বৈত্যবাদ, কোনোৱে দ্বৈত্যাদ্বৈত্যবাদ, কোনোৱে বিশিষ্টা দ্বৈত্য বাদ আদি নানান বাদ সৃষ্টি কৰি সেই মতেই তেওঁলোকৰ ধৰ্মীয় দৰ্শন নিৰ্ণিত কৰিছে। আত্মা পৰমাত্মাক লৈ সকলোৰে মতৰ অমিল। তেওঁলোকৰ প্ৰত্যেকৰে ধৰ্মীয় দৰ্শন বেলেগ বেলেগ। তৎস্বত্তেও সমূহ ভাৰতীয় বৈষ্ণৱ আচাৰ্য্য একেশ্বৰবাদী; এক পৰম ব্ৰহ্ম, পৰম পুৰুষ পৰমেশ্বৰ তেওঁলোকৰ ভজনীয় দেৱতা। অৱতাৰবাদ সকলো বৈষ্ণৱ আচাৰ্য্যই মানে। বৈষ্ণৱ ধৰ্মক ভাৰতত ৰাজধৰ্ম কৰি তোলা গুপ্ত ৰজাসকলৰ বৈষ্ণৱ ধৰ্মৰ এক বিশেষত্ব আছিল অৱতাৰবাদ। বৈষ্ণৱ আন্দোলন সৰ্ব্ব ভাৰতত জনপ্ৰিয় হোৱাৰ কিছুমান সংগত কাৰণ আছিল। শৈৱ শাক্ত ধৰ্মৰ দৰে বৈষ্ণৱ ধৰ্মত ভোগবাদৰ কথা নাই। পঞ্চম কাৰৰ স্থান নাই। ব্ৰাহ্মণ্য ধৰ্মৰ দৰে অতিশয় খৰছি নহয়। সহজ সৰল ভাৱে বিষ্ণুক ভজনা কৰিলেই হয়। অসমৰ বৈষ্ণৱ ধৰ্মও

গুণতন্ত্ৰৰ ভেটিত প্ৰতিষ্ঠাপিত। এই হৈছে সাম্য-বাদী ধৰ্ম। যিটো ধৰ্মক নাম ধৰ্ম বা ভাগৱতী বৈষ্ণৱ ধৰ্ম বুলিও কোৱা হয়।

মহাপুৰুষ শ্ৰীশঙ্কৰদেৱৰ প্ৰচাৰিত ধৰ্মৰ মূলভাব ড° মহেশ্বৰ নেওগদেৱে চমুকৈ সাহিত্যৰ বুৰঞ্জীত দিয়া কথাৰেই অৱতাৰণা কৰিব খুজিছো — "বহু দেৱতাৰ সলনি প্ৰধান দেৱতাৰ সন্ধান দানৰ যোগে বহু সত্যৰ ভিতৰত সনাতন সত্যৰ উপলব্ধিৰ প্ৰতি সামাজিক চৈতন্যৰ জাগৰণ; কৰ্ম ধৰ্মৰ বিভীষিকা নিবাৰণ বাহ্যিক অনুষ্ঠানৰ ঠাইত বিশুদ্ধ অন্তৰঙ্গ আধ্যাত্মিক উপলব্ধিৰ প্ৰধান লীলা ক্ষেত্ৰ বুলি তাঠকৈ কৰা প্ৰতিপাদন, সামাজিক শ্ৰেণীবন্ধন ব্যৱধান অপসাৰণ" — এই কেইটিয়েই মহাপুৰুষৰ ধৰ্মৰ চতুৰঙ্গ দান বুলি ডঃ বাণীকান্ত কাকতিদেৱেও সমৰ্থন কৰিছে। নাম, দেউ, গুৰু, ভকত— এই চাৰিটিয়ে হৈছে ভকতিৰ চাৰিখুটি।

মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ ভক্তি ধৰ্মৰ দাৰ্শনিক ভেটি কি আছিল বুলি প্ৰশ্ন কৰিলে আমি থাউকতে ভাৰতৰ আন বৈষ্ণৱ আচাৰ্য্যসকলৰ দৰে দ্বৈত্যবাদী বা অদ্বৈত্য বাদী — এনেদৰে কৈ দিব নোৱাৰো। তেওঁৰাই কোনো দৰ্শন শাস্ত্ৰ বা ভাষ্য লিখা নাছিল। এই কথাৰ নিৰ্ণয় কৰিবলৈ আমি তেওঁৰ বিশাল সাহিত্য সবোবৰত অবগাহন কৰিব লাগিব। তেওঁৰ লিখনিৰ পৰা তেওঁৰ প্ৰচাৰিত ভক্তি ধৰ্মৰ দাৰ্শনিক ভেটি নিৰ্ণয় কৰিব পৰা যোগ্যতা আমাৰ নাথাকিলেও তেওঁৰ মুখ নিস্থত বাক্যকে সাৰোগত কৰি "পক্ষী সব উৰে যেন প্ৰথা অনুসাৰে" নীতিৰে চেষ্টা কৰি চাব খুজিছো মাত্ৰ।

শ্ৰীশঙ্কৰদেৱে মহাভাগৱত অসমীয়ালৈ অনুবাদ কৰোতে শঙ্কৰাচাৰ্য্যৰ প্ৰিয় শিষ্য শ্ৰীধৰ স্বামীপাদৰ টীকা ভাষ্য অনুসৰণ কৰাৰ কথা সৰ্বজন বিদিত। শংকৰাচাৰ্য্য অদ্বৈত্যবাদী আছিল, কাজেই শ্ৰীধৰ স্বামী পাদৰ 'ভাবাৰ্থ দীপিকা' ভাষ্যখনিও অদ্বৈত্য দৰ্শন প্ৰভাৱপুষ্ট। সেয়ে শ্ৰীশংকৰদেৱৰ লিখনিত অদ্বৈত্যবাদৰ প্ৰভাৱ কিছু থকাটো স্বাভাৱিক। ভাৰতৰ প্ৰখ্যাত অদ্বৈত্যবাদী শঙ্কৰাচাৰ্য্যৰ অদ্বৈত্যবাদী ভাবধাৰাৰ লগত শ্ৰীশঙ্কৰদেৱৰ সাদৃশ্য বা বৈশাদৃশ্য সম্পৰ্কে বিচাৰৰ অৱকাশ নোহোৱা নহয়। "ভগবান শঙ্কৰাচাৰ্য্যই সৎ চিৎ আনন্দক পৰম পুৰুষৰ স্বৰূপ বুলিছে। কিন্তু গুণ বুলি স্বীকাৰ কৰা নাই। ব্ৰহ্মাৰ স্বৰূপহে বুলিছে। ব্ৰহ্ম সৎ স্বৰূপ, চিৎ স্বৰূপ, আনন্দ স্বৰূপ। ৰামানুজাচাৰ্য্যই এই তিনিটাক 'গুণ' বুলিছে, স্বৰূপ বোলা নাই। শ্ৰীশঙ্কৰদেৱৰ মত শঙ্কৰাচাৰ্য্যৰ লগতহে মিলিছে।

"নিত্য নিৰঞ্জন শুদ্ধ আনন্দ স্বৰূপ
ভকতৰ যেনে ইচ্ছা তেনে ধৰা ৰূপ" —
(শ্ৰীশংকৰদেৱৰ মত)

ভাৰতৰ সকলো বৈষ্ণৱেই ভক্তিৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে। এই ক্ষেত্ৰত শংকৰাচাৰ্য্যৰ মতো শ্ৰীশংকৰৰ লগত মিলে। শংকৰাচাৰ্য্যই দাস্য ভক্তি প্ৰকট কৰিছে। শ্ৰীশংকৰদেৱৰ লেখনিত কৃষ্ণৰ কিংকৰ, দাসৰো দাস আদি পোৱা যায়। অদ্বৈত্যবাদী শংকৰাচাৰ্য্যৰ মায়া বাদৰ লগত শ্ৰীশংকৰৰ মায়াবাদৰ মিল আছে। শঙ্কৰাচাৰ্য্যই ব্ৰহ্মাই সাৰ সত্য বুলি কয়। জগতৰ ব্যৱহাৰিক সত্তা থাকিলেও পাৰমাৰ্থিক

সত্তাৰ সত্যতা নাই। ব্ৰহ্ম ব্যতিত সকলো পদাৰ্থই মায়াময়। শ্ৰীশঙ্কৰদেৱৰ মতো শঙ্কৰাচাৰ্য্যৰ লগত মিলে—

"তুমিসে কেৱলে সঁচা, সবে মায়াময়
তোমাতেসে হন্তে সৃষ্টি হোৱে স্থিতি লয়।"

পুনৰ বৰগীতত শঙ্কৰদেৱে কৈছে—

অথিৰ জীৱন অথিৰ যৌৱন
অথিৰ এহু সংসাৰ

শঙ্কৰাচাৰ্য্যই মায়াক পৰম ব্ৰহ্মৰ অধীন বুলিছে। শ্ৰীশঙ্কৰদেৱৰ মতেও মায়া পৰম ব্ৰহ্মৰ অধীন।

"অধীন তোমাৰ মায়া তুমি নিত্য বোধ।
এতেকে তোমাত নাই ৰাগ, লোভ, ক্ৰোধ॥"

বহু ক্ষেত্ৰত শংকৰদেৱৰ মত শংকৰাচাৰ্য্যৰ অনুৰূপ। শংকৰাচাৰ্য্যৰ মতে "ব্ৰহ্মবিদ্ পুৰুষ নিজেই ব্ৰহ্ম হৈ যায়।" উপনিষদবো এয়ে মত। শংকৰদেৱৰ লেখনিত মুক্ত সম্পৰ্কে বিস্তৰ মতবাদ পোৱা নাযায়। শংকৰদেৱৰ মন্ত্ৰ শিষ্য ভক্তপ্ৰবৰ মাধৱদেৱেও মুক্তিৰ ওপৰত গুৰুত্ব নিদি ভক্তিৰ ওপৰতহে গুৰুত্ব দিছে। কিন্তু শংকৰদেৱৰ লেখনিত পোৱা যায়—

"তিনিগুণ অতিক্ৰমি পায় ব্ৰহ্মৰ স্বৰূপ।"

দেখা যায় শংকৰদেৱেও মোক্ষক ব্ৰহ্মত্ব প্ৰাপ্তি বুলিয়েই কৈছে। শংকৰদেৱৰ ধৰ্ম্মত নৱধা ভক্তিৰ কথা পোৱা যায়— যেনে— শ্ৰৱণ, কীৰ্ত্তন, স্মৰণ, অৰ্চ্চন, বন্দন, পাদসেৱন, দাস্য, সখিত্ব আৰু দেহ অৰ্পন। যদিও এই নৱিধ ভক্তিৰ ভিতৰত শ্ৰৱণ কীৰ্ত্তনত শ্ৰেষ্ঠত্ব দিছে— দেহ অৰ্পণক সদৌ শেষত দেখুৱা হৈছে। ভক্তি কৰোতে কৰোতে ভক্ত আৰু ভগৱানৰ মাজৰ পাৰ্থক্য নোহোৱাৰ নিচিনা হলেই অৰ্থাৎ একে গুণ বিশিষ্ট হব পাৰিলেই ভগৱানৰ লগত মিলি যাব, যাক লীন মুক্তি বুলি কোৱা হৈছে। এই নৱিধ ভক্তিৰ যেই সেই এবিধক একনিষ্ঠ ভাবে মানিব পাৰিলেই আচল ভক্তি উৎপত্তি হয়। এনে উদাহৰণ শংকৰদেৱৰ লেখনিত আছে। ভক্তি হলেই মুক্তি লভে।

"নাৰদে কৰিলা হৰি কীৰ্ত্তনত ৰতি।
পৰীক্ষিতে শ্ৰৱণত লভিলা মুকুতি॥
প্ৰহ্লাদে স্মৰণ কৰি ভৈলা পাৰিষদ।
অম্বৰিসে পদ সেৱি পাইলা পৰমপদ॥
ইন্দ্ৰদ্যুম্ন ৰাজা পূজা কৰিলা হৰিত।
কৃষ্ণে সমে কৰিলন্ত অৰ্জুনে সখিত্ব॥
উদ্ধৱে দাস্যালি ভক্তি কৃষ্ণত কৰিলা।
বলি ৰাজা বামনত দেহ নিবেদিলা॥
অক্ৰূৰে বন্দনে প্ৰীতি কৰিলা হৰিত।
এহি নৱবিধ ভক্তি লোকত বিদিত॥"

কাজেই দেখা যায় মোক্ষ লাভৰ কাৰণ বিলাকৰ মাজত ভক্তিয়েই সৰ্ব্বশ্ৰেষ্ঠ। শঙ্কৰাচাৰ্য্যইও কৈছে "মোক্ষ কাৰণ সামগ্ৰ্যাং ভক্তিৰেব গৰীয়সী।" শঙ্কৰদেৱে ভক্তিৰ লগতে আত্মজ্ঞানৰ কথাও কৈছে। তত্বজ্ঞান বা ব্যতীত মুক্তিলাভ সম্ভৱ নহয়। শ্ৰীশঙ্কৰদেৱৰ ভক্তি ধৰ্ম্মৰ দাৰ্শনিক ভেটি অদ্বৈত্য বাদ বুলিয়েই কব পাৰি। শঙ্কৰদেৱৰ কীৰ্ত্তনত আছে—

"তোমাৰ অদ্বৈত্য ৰূপ পৰম আনন্দ পদ।
তাতে মোৰ ভগ্ন হোক চিত্ত"॥

"প্ৰকৃতি পুৰুষ দুইৰো নিয়ন্তা মাধৱ"— সেইজনহে শ্ৰীশঙ্কৰৰ ভজনীয় দেৱতা। যিজন নিৰ্গুণ, নিৰাকাৰ, নিৰঞ্জন পৰম ব্ৰহ্ম। সৰ্ব্ব শেষত গুৰুজনাৰ ভাষাৰেই প্ৰণতি জনাই সামৰণি মাৰিলো।

"কৰযোৰে বুদ্ধলোক বোলো ক্ষেমিয়োক মোক
আমাৰ অযোগ্য ইটো কৰ্ম্ম।" ★★

সাক্ষাৎকাৰ

# শিৱসাগৰ ছোৱালী কলেজৰ অৱসৰ-প্ৰাপ্ত অধ্যাপক শ্ৰীসত্যভূষণ বৰুৱাৰ সৈতে এটি অন্তৰঙ্গ মুহূৰ্ত্ত ঃ

সাক্ষাৎকাৰ গ্ৰহণ কৰোঁতা
আলেয়া আহমেদ ঃ

১৯৬৬ চনত শিৱসাগৰ ছোৱালী কলেজত অধ্যাপক হিচাবে যোগদান কৰি সুদীৰ্ঘ ২৭ বছৰ কাল সুখ্যাতিৰে কাৰ্য্য-নিৰ্বাহ কৰাৰ পিছত যোৱা ৩১ মাৰ্চ, ১৯৯৩ তাৰিখে তেখেতে অৱসৰ গ্ৰহণ কৰে। অধ্যাপক শ্ৰীবৰুৱাদেৱৰ অৱসৰ গ্ৰহণৰ প্ৰাক্ মুহূৰ্ত্তত লোৱা এটি সাক্ষাৎকাৰৰ কিয়দাংশ কলেজ আলোচনীত সন্নিবিষ্ট কৰা হ'ল। সাক্ষাৎকাৰ গ্ৰহণ কৰোঁতা আলোচনী সম্পাদিকা শ্ৰীআলেয়া আহমদ।

১। প্ৰঃ চাৰ, আপুনি আমাৰ মহাবিদ্যালয়ত কেতিয়াৰ পৰা কাম কৰিছে ?

উঃ মই ১৯৬৬ চনৰ ১৭ চেপ্তেম্বৰত এই মহাবিদ্যালয়ত অৰ্থনীতি বিভাগৰ প্ৰৱক্তা হিচাপে যোগ দিওঁ।

২। প্ৰঃ আপোনাৰ অধ্যাপনাৰ সময়ছোৱাত এনেকুৱা এটা ঘটনা ঘটিছিল নেকি যিটো আপোনাৰ বাবে সদায় উল্লেখযোগ্য হৈ থাকিব ?

উঃ মোৰ মহাবিদ্যালয়ত অধ্যাপনাৰ কালছোৱাত কেইবাটাও উল্লেখনীয় ঘটনাই ঘটিছিল। ইয়াৰ ভিতৰৰে আজি কেইবছৰমানৰ আগতে ঘটা ঘটনাটি হয়তো এই জীৱনত আমি পাহৰিব নোৱাৰিম। ঘটনাটো কলেজ প্ৰাঙ্গণৰ ভিতৰত ঘটা নাছিল যদিও কলেজ সম্বন্ধীয় ঘটনাই আছিল। ঘটনাটি হ'ল এনে ধৰণৰ— আজি কেইবছৰমানৰ আগতে আমাৰ দায়িত্বত কলেজৰ ৩৩ গৰাকী ছাত্ৰীক

লৈ অসমৰ বাহিৰলৈ এটি শিক্ষামূলক ভ্ৰমণৰ বাবে যোৱা হৈছিল। লগত সহকৰ্মী অধ্যাপক দিলীপ চক্ৰৱৰ্ত্তী, অধ্যাপিকা মণিদীপা চক্ৰৱৰ্ত্তী, মোৰ পৰিবাৰ আৰু চতুৰ্থ বৰ্গৰ কৰ্ম্মচাৰী শ্ৰীতোলন চন্দ্ৰ বৰদলৈও গৈছিল। আমাৰ গোটেই দলটো কলিকতা পোৱাৰ পাছত আমি দুদিনৰ কাৰণে আসাম হাউচত থকাৰ ব্যৱস্থা কৰিছিলো। সেইদিনাখনৰ পিছবেলা বিশেষ কোনো কাৰ্য্যসূচী নথকাৰ কাৰণে গোটেই দলটোৱেই কলিকতাৰ বৃহৎ বজাৰ নিউ মাৰ্কেটখন চাবৰ কাৰণে সিদ্ধান্ত কৰা হ'ল। সেই সিদ্ধান্ত মতে আমাৰ গোটেই দলটিয়েই আসাম হাউচৰ পৰা খোজ কাঢ়ি নিউ মাৰ্কেটৰ ওচৰ পালোগৈ। দলটোৰ কেইগৰাকীমান ছাত্ৰীয়ে (প্ৰায় ১৪ গৰাকী) নিউ মাৰ্কেটৰ সন্মুখত থকা দোকানবিলাকৰ পৰা দুই এপদ বস্তু কিনিবৰ কাৰণে সোমাই গ'ল। বাকী গোটেই দলটোৱেই সেই বৃহৎ নিউ মাৰ্কেটত সোমাই প্ৰত্যেকেই নিজৰ নিজৰ প্ৰয়োজনীয় বস্তু কিনাত ব্যস্ত হৈ পৰিল। ইফালে নিউ মাৰ্কেটৰ সন্মুখৰ দোকান কেইখনত সোমোৱা ছাত্ৰীসকলৰ ৫ গৰাকীৰ বাদে কিছু সময়ৰ পাছত বাকীখিনি আমাৰ লগ লাগিলহি। আমি নিউ মাৰ্কেটত সোমাইছিলো প্ৰায় ৪ মান বজাত আৰু তাৰ পৰা ওলাওঁতে প্ৰায় ৮ বাজি গৈছিল। আমাৰ দলটো যেতিয়া নিউ মাৰ্কেটৰ সন্মুখত গোট খালোহি তেতিয়া আমাৰ লগতে যোৱা কলেজৰ চতুৰ্থ শ্ৰেণীৰ কৰ্ম্মচাৰী শ্ৰীতোলন বৰদলৈক দলটোত যোৱা সকলোখিনি গোট খাইছেনে নাই গণনা কৰি চাবলৈ কোৱা হয়। দুই তিনিবাৰ তেওঁ আৰু আমি নিজেই হিচাপ কৰাৰ পাচতো পাঁচ গৰাকী ছাত্ৰী কম পোৱা গ'ল। পাঁচ গৰাকী ছাত্ৰীৰ অনুপস্থিতি আমাৰ সকলোৰে দৃষ্টি গোচৰ হোৱাৰ মূহুৰ্ত্তৰে পৰা প্ৰায় এঘণ্টা সময় আমাৰ দলটোৰ মাজত হাঁহাকাৰৰ সৃষ্টি হ'ল। কলিকতাৰ নিচিনা মহানগৰীত বিশেষকৈ অতি জনবহুল নিউ মাৰ্কেটৰ সন্মুখত সেইদিনাখন চলি থকা মহা অষ্টমীৰ পূজাৰ ভিৰৰ মাজৰ পৰা এই পাঁচ গৰাকী ছাত্ৰী বিচাৰি পোৱাটো সহজ কথা নাছিল। নিউ মাৰ্কেটৰ পৰিচালনা কাৰ্য্যালয়ৰ তৰফৰ পৰা সেই পাঁচ গৰাকী ছাত্ৰীৰ নাম ঘোষণা কৰি তেওঁলোক য'তে আছে তাৰ পৰা আহি আমি গোট খোৱা ঠাইলৈ অনতি পলমে আহিবলৈ বহুত বাৰ ঘোষণা কৰা হ'ল। ওচৰতে চলি থকা পূজা মণ্ডপৰ মাইকৰ সহায়তো তেওঁলোকক চিঞৰি চিঞৰি বহুতবাৰ মতা হ'ল। ইয়াৰ উপৰিও আমাৰ দলটোৰ ছাত্ৰীসকলক একে ঠাইতে ৰাখি আমি নিজে অধ্যাপক চক্ৰৱৰ্ত্তী আৰু শ্ৰীতোলন বৰদলৈয়ে নিউ মাৰ্কেটৰ ভিতৰৰ ইমূৰৰ পৰা সিমূৰলৈ দৌৰা-দৌৰি কৰি এই পাঁচ গৰাকী ছোৱালী বিচাৰি উলিয়াব নোৱাৰিলো। নিউ মাৰ্কেটৰ সন্মুখত থকা ৰাস্তাটোৰ ইমূৰৰ পৰা সিমূৰলৈ বহুবাৰ ঘূৰা-ফিৰা কৰিও তেওঁলোকক নোপোৱাত দলটোৰ মূৰব্বী হিচাপে আমি মহা চিন্তাত পৰিলো। বিমূৰত পৰিছিলো। দলটোত যোৱা ছাত্ৰীসকলৰ মাজত চিঞৰ-বাখৰ লগাৰ উপৰিও

কন্দা-কটাৰ অতি শোচনীয় অৱস্থাৰ সৃষ্টি হৈছিল। তেনে অৱস্থাত আমাৰ মনত এনে চিন্তা সোমাই পৰিল যে যদি প্ৰকৃততে পাঁচ গৰাকী ছোৱালী হেৰাইছে আৰু তেওঁলোকক যদি বিচাৰি উলিয়াব পৰা নাযায় তেনে অৱস্থাত লগে লগেই পুলিচৰ সহায় লবলগীয়া হব আৰু পুলিচৰ সহায়তো যদি বিচাৰি পোৱা নাযায় তেনেহলে আমি আমাৰ গোটেই ভ্ৰমণসূচী বাতিল কৰি হয়তো চিৰদিনৰ- কাৰণে সেই পাঁচ গৰাকী ছোৱালীক এৰি থৈ ঘৰলৈ ঘূৰি আহিব লাগিব। এই পাঁচ গৰাকী ছাত্ৰীক এৰি থৈ অহাৰ ফলত তেওঁলোকৰ অভিভাৱকসকলৰ সন্মুখীন হোৱাও কি ভীষণ সমস্যা হ'ব ভাবি শঙ্কিত হ'লো। সেই মুহূৰ্ত্তে আমি সম্পূৰ্ণ অসহায় অনুভৱ কৰিছিলা।

কিন্তু বোধহয় আমাৰ এই অসহায় অৱস্থাত পৰমেশ্বৰে কৃপাদৃষ্টি পেলালে। সেই সময়তে এগৰাকী বঙালী ভদ্ৰলোকে আমাৰ অৱস্থা দেখি পৰামৰ্শ আগবঢ়ালে যে ওচৰতে থকা এখন ডাঙৰ চাহ দোকানৰ পৰা আসাম হাউচলৈ আমি ফোন কৰি তেওঁলোক তাত আছে নেকি খবৰ এটা কৰা প্ৰয়োজন। আমি তেখেতৰ পৰামৰ্শ মতে দৌৰি দৌৰি গৈ সেই চাহ দোকানখনৰ মালিকজনক চমুকৈ আমাৰ অৱস্থাৰ কথা বৰ্ণাই সহায় কৰিবলৈ অনুৰোধ কৰিলো। তেখেত কৰ্ম ব্যস্ততাৰ মাজতে কলিকতাৰ প্ৰকাণ্ড ফোন Guide খনৰ পৰা আসাম হাউচৰ দুটা ফোনৰ নম্বৰ উলিয়ালে। আৰু প্ৰথম নম্বৰটোত তেখেতে নিজেই আসাম হাউচৰ লগত কথা-বতৰা হ'ল। তেখেতে আমাক জনালে যে, ছোৱালী পাঁচ গৰাকী তাত নাই। এই নাই বোলা শব্দটোৰ উচ্চাৰণত সেই ক্ষণত আমাৰ গাৰ নোম শিয়ঁৰি উঠিল। তথাপি ধৈৰ্য্য ধৰি আমি তেখেতক দুই নম্বৰ ফোনত এবাৰ চেষ্টা কৰি চাবলৈ অনুৰোধ কৰিলো। আচৰিত কথা আসাম হাউচৰ এই দুই নম্বৰ ফোনটো ধৰিলে আমাৰ হেৰাই যোৱা পাঁচ গৰাকী ছোৱালীৰ এগৰাকীয়ে। চাহ দোকানৰ মালিকে লগে লগেই ফোনটো আমাৰ হাতলৈ দিয়াত আমি ফোনত কোনে কৈছে বুলি সোধোতে এই পাঁচ গৰাকী ছোৱালীৰ এগৰাকীয়ে নিজৰ নামটো কোৱাৰ লগে লগে আমি ফোনটো থৈ মালিকক আন্তৰিক ধন্যবাদ জনাই দৌৰি দৌৰি দলটোক আহি খবৰ দিলোহি যে ছোৱালী কেইজনী পোৱা গৈছে আৰু তেওঁলোক আসাম হাউচতে আছে।

আমি যেতিয়া আসাম হাউচ ঘূৰি পালোগৈ গোটেই কেইজনী ছোৱালী আসাম হাউচৰ বাহিৰতে থিয় হৈ আছিল। তেওঁলোকক দলৰ নিয়ম ভঙ্গ কৰি আসাম হাউচলৈ গুচি অহাৰ কাৰণ সোধাত আমাক এই বুলি জনালে যে, তেওঁলোকে নিউমাৰ্কেটৰ সন্মুখত থকা দোকানৰ পৰা কিবাকিবি বস্তু কিনোতে কিছু সময় দেৰী হ'ল। ইয়াৰ পিছত তেওঁলোকে নিউ মাৰ্কেটখন কোনখিনিত আছে বিচাৰি উলিয়াব নোৱাৰিলে আৰু সেই কাৰণে উপায় নাপায় তেওঁলোকে আক-তাক সুধি আসাম হাউচলৈ ঘূৰি আহিবলৈ বাধ্য হ'ল। তেওঁলোকে যি কেইখন দোকানৰ পৰা বস্তু কিনিছিলে তাৰ বিপৰীতে যে নিউ মাৰ্কেটখন আছে সেই

কথাটো তেওঁলোকে ধৰিব নোৱাৰিলে। তেওঁলোকৰ অকলশৰীয়া অৱস্থালৈ চাই আমি তেওঁলোকক দোষ দিয়াৰ কোনো কাৰণ নাপালো। কাৰণ, কলিকতাৰ সেই প্ৰকাণ্ড নিউ মাৰ্কেটৰ সন্মুখৰ ৰাস্তাৰ ওপৰত থিয় হৈ কোনেও কব নোৱাৰে যে নিউ মাৰ্কেটৰ নিচিনা এখন প্ৰকাণ্ড বজাৰ সেইখিনিতে আছে। যাইকিনহওঁক ছোৱালী কেইজনী আমাৰ দলটোৰ মাজৰ পৰা কিছু সময়ৰ কাৰণে নাইকিয়া হৈ যোৱাটোৰ কাৰণে আমি নিজকেই দোষী বুলি ভাবিবলৈ বাধ্য হৈছিলো। এনে ধৰণৰ এটা অনিশ্চিত বিপদৰ পৰা ৰক্ষা কৰাৰ কাৰণে আমি ভগৱানৰ ওচৰত পৰম কৃতজ্ঞ হৈ পৰিছিলো।

৩। প্ৰঃ চাৰ, আপুনি ইমান বছৰে অধ্যাপনা কৰি আমাৰ কলেজখন বা আমাৰ ছাত্ৰীসকলক কেনেকুৱা পালে ?

উঃ মই কলেজত চাকৰি সোমোৱাৰ আগতে চিলংত অসম চৰকাৰৰ সচিবালয়ত ১২ বছৰ কাল আৰু শিৱসাগৰ চৰকাৰী উচ্চতৰ বিদ্যালয়ত প্ৰায় ১ বছৰ কাল চাকৰি কৰিছিলো। এই চাকৰি কৰা কালছোৱাত এই অনুষ্ঠানকেইটাক মই নিজৰ বুলি ভাবি লৈয়েই নিষ্ঠাৰে কাম কৰি গৈছিলো। সেই কাৰণে বোধকৰো সচিবালয়ত বিষয়াসকলৰ সু-নজৰত থাকিবলৈ সক্ষম হৈছিলো আৰু কোনো কাৰণতেই মোৰ কাম কাজত তেওঁলোক অসন্তুষ্ট হবলগীয়া নহৈছিল। আৰু এই কাৰণেই স্নাতক আৰু স্নাতকোত্তৰ ডিগ্ৰীৰ কাৰণে পঢ়া শুনা কৰা আৰু ভাৰতৰ বিভিন্ন ঠাইত ভ্ৰমণ কৰাৰ সুবিধা তেওঁলোকে আগবঢ়াইছিল। তেওঁলোকৰ ওচৰত মই আজিও কৃতজ্ঞ। ঠিক তেনেকৈয়ে শিৱসাগৰ ছোৱালী কলেজত-এই কলেজৰ প্ৰায় বাল্য অৱস্থাৰ পৰাই চাকৰি কৰা বুলিয়েই নহয়, অনুষ্ঠানটি নিজৰেই বুলি ইয়াৰ লগত মানসিক আৰু কায়িকভাৱে অৱসৰ লোৱা পৰ্য্যন্ত অনুষ্ঠানটিৰ বিভিন্ন কাৰ্য্য আৰু সমস্যাৰ লগত জড়িত হৈ পৰিছিলো। গতিকে এই কথাৰ পৰাই মই অনুষ্ঠানটিক কেনে ধৰণে ভাল পাওঁ তাক বোধহয় দোহাৰিবৰ প্ৰয়োজন নাই। ছাত্ৰীসকলৰ ক্ষেত্ৰতো মই নিজৰ ঘৰৰ ছোৱালী বুলিয়েই ধৰি লৈ শিক্ষাৰ ক্ষেত্ৰত শিক্ষা প্ৰদান কৰিছিলো আৰু সময়ে সময়ে সুবিধা পালে বিভিন্ন ধৰণৰ পৰামৰ্শও আগবঢ়াইছিলো। কলেজৰ বিভিন্ন আনুষ্ঠানিক কাৰ্য্যবিলাকতো তেওঁলোকক উৎসাহ উদ্দীপনা আগবঢ়োৱাত মই পিছ হুহঁকা নাছিলো। গতিকে বোধকৰো মোৰ এই আন্তৰিকতাই কলেজখনৰ প্ৰতি থকা মোৰ মনোভাৱ প্ৰকাশ কৰিব।

৪। প্ৰঃ আপুনি অৱসৰৰ পিছত এতিয়া সময়খিনি কিদৰে কটাম বুলি ভাবিছে ?

উঃ এইটো এটা আঁতলগা প্ৰশ্ন। উত্তৰ দিয়াটো অতি সহজ নহয়। অৱসৰ লোৱাৰ পিছত কৰ্মক্ষম হৈ থাকিলে সকলোৰে কিবা এটা কৰাৰ ইচ্ছা নথকা নহয়। এনেকুৱা ধৰণৰ কোনো এটা কাম যিটোৰ লগত শৈক্ষিক বাতাবৰণৰ সম্বন্ধ আছে তেনে ধৰণৰ কোনো কামৰ সুবিধা পালে নিশ্চয় মই আনন্দ মনেৰে কৰিবলৈ লম বুলি মনতে কল্পনা কৰি আছো।

৫। প্ৰঃ বৰ্তমান অসমৰ শিক্ষা ব্যৱস্থা সম্পৰ্কে আপোনাৰ মতামত কি ?

উঃ এইটো এটা ডাঙৰ বিষয়। আলোচনা কৰিবলৈ বহুত সময়, শ্ৰম আৰু লিখনিৰ প্ৰয়োজন। তথাপি চমুকৈ মোৰ মতামত এয়ে যে, বৰ্ত্তমান অসমৰ তথা গোটেই ভাৰতৰে শিক্ষা ব্যৱস্থা কেৱল পুথিগত। এই ব্যৱস্থাৰ লগত বাস্তৱ জীৱনৰ বিশেষ সমন্ধ দেখা নাযায়। এখন দেশৰ শিক্ষা ব্যৱস্থা এনে ধৰণৰ হব লাগে যি শিক্ষা-ব্যৱস্থাৰ যোগেদি এজন ব্যক্তি সম্পূৰ্ণ আত্মনিৰ্ভৰশীল হব পাৰে আৰু শিক্ষা স্তৰত নিজকে মানুহ বুলি পৰিচয় দিব পাৰে। কিন্তু আমাৰ দেশৰ বৰ্ত্তমান শিক্ষা ব্যৱস্থা এনে ধৰণৰ আত্মনিৰ্ভৰশীলতা গঢ় দিব পৰা বা মানুহ গঢ়ি তোলা শিক্ষা ব্যৱস্থা নহয়।

৬। প্ৰঃ আপুনি আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰীসকলৰ প্ৰতি কিবা উপদেশ বা পৰামৰ্শ দিবলৈ ইচ্ছা কৰে নেকি ?

উঃ নিশ্চয় ! ছোৱালীহঁতে যি শিক্ষা অনুষ্ঠানত শিক্ষা লাভ কৰে সেই অনুষ্ঠানটিক নিজৰ অতি আপোন বুলি ভাবি লব লাগে। নিজৰ কৃতকাৰ্য্যতাই অনুষ্ঠানটোৰ কৃতকাৰ্য্যতা আৰু অনুষ্ঠানটিৰ সুনামেই যে নিজৰ সুনাম এই কথা প্ৰতি গৰাকী ছাত্ৰীয়ে দৃঢ়ভাৱে উপলব্ধি কৰাটো অতি প্ৰয়োজনীয় কথা। ★

বৰ্ত্তমানটো অতি বিশুদ্ধ আৰু পবিত্ৰ মূহুৰ্ত্ত। ই খুৰৰ ধাৰৰ দৰে আগভাগ, যি ভাগে অতীত আৰু ভৱিষ্যতক ভাগ কৰে। ভৱিষ্যতৰ গৰ্ভৰ পৰা নিজৰি নিগৰি বাগৰি অহা বিশুদ্ধ পৱিত্ৰ মূহুৰ্ত্তই আমাৰ লগত লগলাগি অতীতলৈ বাগৰি যায়। ইয়াক আমিয়েই গঢ়ো আৰু আমিয়েই ভাঙো।

—ঋষি অৰবিন্দ

# পূৰ্বৰ ইতিহাসেৰে বৰ্তমানৰ ডাৰউইন

## আৰু

# বিজ্ঞানৰ জয়োল্লাস

শ্ৰীৰূপা হাজৰিকা
স্নাতক তৃতীয় বাৰ্ষিক

যুগৰ পৰিবৰ্ত্তনৰ লগে লগে মানুহৰ মানসিকতাৰ পৰিবৰ্তন ঘটে। অতীতত আধুনিক বিজ্ঞানৰ আৱিস্কাৰৰ আগেয়ে আমাৰ পূৰ্ব পুৰুষ সকলৰ মানসিকতা আজি আৰু আমাৰ নাই, থকাটোও হয়তু উচিত নহয়। ১৯ শ শতাব্দীৰ পূৰ্বে ইউৰোপত বৈজ্ঞানিক জীৱন বিপদগ্ৰস্ত আছিল আৰু কোনো কোনো সময়ত তেওঁলোকক খুটিত বান্ধি পুৰি মাৰি তেওঁলোকৰ জীৱনৰ অন্ত পেলোৱা হৈছিল। ধৰ্মযাজক সকলে জিওভানো ব্ৰুনোকক এইদৰে ৰোমত পুৰি মাৰিছিল। তাৰ কেইবছৰ মানৰ পিছত ১৭ শ শতাব্দীত গেলিলিওই পৃথিৱীখন সূৰ্য্যৰ চাৰিওফালে ঘূৰে বুলি কোৱাত তেওঁ সেইদৰে বলীশাললৈ যোৱাৰ সম্ভাৱনা হৈছিল। তেওঁ ধৰ্মবিৰোধী মতৰ কাৰণে অগ্নিদগ্ধ হোৱাৰ পৰা ৰক্ষা পৰিছিল। কাৰণ তেওঁ দোষ স্বীকাৰ কৰি ক্ষমা প্ৰাৰ্থনা কৰিছিল, কিন্তু তাৰ আগেয়ে কথা উক্তি বাতিল কৰিছিল।

সাধাৰণতে বিশ্বাস কৰা হয় যে প্ৰাচীন ভাৰতবৰ্ষত বিজ্ঞান আৰু অস্ত্ৰ চিকিৎসাৰ ভালকৈ উন্নতি হৈছিল। প্ৰাচীন গ্ৰীকসকলেও বিভিন্ন বিষয়ত কিছু পৰিমানে পৰীক্ষা নিৰীক্ষা চলাইছিল। ১৫০০ বছৰৰ পূৰ্বৰ চীনা লিখকসকলৰ কিছুমান উদ্ধৃতিৰ পৰা জনা গৈছে যে, তেওঁলোকে ক্ৰমবিকাশৰ তথ্য আৰু তেজ চলাচলৰ তথ্য জানিছিল আৰু চীনা অস্ত্ৰ চিকিৎসকে অনুভৱ শক্তি ৰহিত কৰা পদাৰ্থ প্ৰয়োগ কৰিছিল। সেইদৰে আৰবসকলেও বিজ্ঞান সম্পৰ্কে বা অন্য বিষয়ত পৰীক্ষা চলাবলৈ বৰ ভাল পাইছিল আৰু মধ্যযুগৰ ইউৰোপে তেওঁলোকক অনুসৰণ কৰিছিল। কিন্তু তেওঁলোকে চলোৱা পৰীক্ষাবিলাক প্ৰকৃততে বৈজ্ঞানিক ভিত্তিত নাছিল। তেওঁলোকে সদায় 'স্পৰ্শপাথৰ' নাম পোৱা বস্তুটোৰ অন্বেষণ কৰি আছিল। সাধাৰণ ধাতুবিলাক সোণলৈ ৰূপান্তৰ কৰিব পৰা গুণ ইয়াৰ আছিল বুলি ভবা হৈছিল। এইদৰে

ধাতুক পৰিবৰ্তন কৰাৰ ৰহস্যটো উলিয়াবৰ কাৰণে মানুহে জটিল ৰাসায়নিক পৰীক্ষা চলাই তেওঁলোকৰ জীৱন অতিবাহিত কৰিছিল। ইয়াক 'এলকেমি' বোলা হৈছিল। তেওঁলোকে বৰ অহোপুৰুষাৰ্থ কৰি অমৰত্ব দিব পৰা অনন্ত জীৱনৰ 'আৰক' বা অমৃত নামৰ এবিধ পদাৰ্থৰে অন্বেষণ কৰিছিল। আচলতে সম্পত্তি, ক্ষমতা আৰু দীৰ্ঘায়ু লাভ কৰাৰ আশাত ই এক প্ৰকাৰৰ ভোজবাজীৰ চৰ্চা আছিল। কিন্তু বিজ্ঞানৰ ভাৱ গতিৰ লগত ইয়াৰ কোনো সম্বন্ধ নাছিল।

পিছে প্ৰকৃত বৈজ্ঞানিক পদ্ধতিটোৰ ইউৰোপত ক্ৰমে ক্ৰমে উন্নয়ণ হৈছিল আৰু বিজ্ঞানৰ বুৰঞ্জীত ইংৰাজ ছাৰ আইজাক নিউটনৰ নামটো আটাইতকৈ উল্লেখনীয় ভাবে প্ৰচাৰ হৈছিল। তেওঁ ১৬৪২ খৃঃ ৰ পৰা ১৭২৭ খৃঃ লৈ জীৱিত আছিল। নিউটনে মাধ্যাকৰ্ষণৰ অৰ্থাৎ কেনেকৈ বস্তু তললৈ পৰে তাৰ বিধানটোৰ ব্যাখ্যা কৰিছিল। এই বিধানেৰে তেওঁ সূৰ্য্য আৰু আনবিলাক গ্ৰহৰ গতি ব্যাখ্যা কৰিছিল। এই শতাব্দীটো আছিল ভল্টেয়াৰ, ৰুচো আৰু আন আৰ্ন বহুতো শক্তিশালী ফৰাচী চিন্তাবিদৰ। তেওঁলোকে প্ৰায় আটাই বিলাক বিষয় লিখি জনসাধাৰণৰ মাজত উত্তেজনাৰ সৃষ্টি কৰিছিল।

১৯ শ শতাব্দীটো আন আন কথাৰ লগতে বিজ্ঞানৰ শতাব্দী বুলিও ধৰা হয়। শিল্প বিপ্লৱ, যান্ত্ৰিক বিপ্লৱ আৰু পৰিবহনৰ পদ্ধতিবিলাকৰ বিস্ময়কৰ পৰিৱৰ্তন এই সকলোবিলাক বিজ্ঞানৰ ফলত হৈছিল, অসংখ্য কলকাৰখানাই উৎপাদনৰ পদ্ধতিবিলাকৰ কিছু পৰিৱৰ্তন কৰিছিল। ৰেলপথ আৰু বাষ্পীয় জাহাজে পৃথিৱীখন ঠেক কৰিলেও বিজুলী, টেলিগ্ৰাফ এই সকলোবিলাকতকৈও বেছি বিস্ময়কৰ আছিল। ইংলণ্ডৰ সুদূৰ প্ৰসাৰী সাম্ৰাজ্যৰ পৰা সেই দেশলৈ উভৈনদী সম্পত্তি নিয়াটো সম্ভৱপৰ কৰি তুলিছিল।

এই শতাব্দীৰ মাজভাগত ১৮৫৯ খ্ৰীঃত ইংলণ্ডত এখন কিতাপ প্ৰকাশ কৰা হৈছিল, নাম হল "অৰিজিন অৱ স্পেচিজ" (বিভিন্ন শ্ৰেণীৰ প্ৰাণীৰ উৎপত্তি)। ডাৰউইন, অতি শ্ৰেষ্ঠ বৈজ্ঞানিক সকলৰ ভিতৰত এজন। তেওঁ যি কৈছিল তাত সম্পূৰ্ণ নতুন কথা একো নাছিল। ডাৰউইনৰ আগেয়ে আন ভূতত্ত্ববিদ্ আৰু পদাৰ্থবিদসকলে কাম চলাই বহুতো সামগ্ৰী সংগ্ৰহ কৰিছিল। তথাপি ডাৰউইনৰ কিতাপখন যুগান্তকাৰী আছিল। ই মানুহৰ মনত গভীৰ সাঁচ বহুৱাইছিল আৰু সামাজিক দৃষ্টিভংগীৰ পৰিৱৰ্তনত ই আন সকলো বিজ্ঞানী গ্ৰন্থতকৈ বেছি সহায় কৰিছিল। ইয়াৰ ফলত মানসিক উন্নতি হৈছিল আৰু ই ডাৰউইনক বিখ্যাত কৰি তুলিছিল।

ডাৰউইনে পদাৰ্থতত্ত্ববিদ স্বৰূপে উত্তৰ আমেৰিকা আৰু প্ৰশান্ত মহাসাগৰত ভ্ৰমণ কৰি বিৰাট পৰিমাণৰ সামগ্ৰী আৰু মূল সূত্ৰ সংগ্ৰহ কৰিছিল। জন্তুৰ প্ৰত্যেক শ্ৰেণীয়ে কেনেকৈ প্ৰাকৃতিক নিৰ্বাচনৰ দ্বাৰা পৰিবৰ্তিত আৰু উন্নীত হৈছিল, তাক প্ৰমাণ কৰি দেখুৱাত তেওঁ সেইবিলাক ব্যৱহাৰ কৰিছিল। সেইকালৰ আগলৈকে বহুতো মানুহে ভাবিছিল

যে মানুহকে আদি কৰি সৃষ্টিৰ প্ৰত্যেক শ্ৰেণী বা জাতিৰ জন্তু বেলেগ বেলেগকৈ ঈশ্বৰে সৃষ্টি কৰিছিল, সেইবিলাক সৃষ্টি কৰা কালৰ পৰা পৃথক পৃথককৈ অপৰিৱৰ্তনীয় হৈ আছিল, অৰ্থাৎ এটা শ্ৰেণী আন এটা শ্ৰেণীলৈ পৰিৱৰ্তিত হব নোৱাৰিছিল। ডাৰউইনে অসংখ্য বাস্তৱ উদাহৰণেৰে দেখুৱাইছিল যে-একোটা শ্ৰেণী আন একোটা শ্ৰেণীলৈ পৰিৱৰ্তিত হৈছিল আৰু এইটোৱেই ক্ৰমবৰ্দ্ধমানৰ স্বাভাৱিক পদ্ধতি আছিল।

কেইবছৰ মানৰ পিছত ডাৰউইনে 'ডিচেণ্ট অৱ মেন' নামৰ আন এখন কিতাপ প্ৰকাশ কৰিছিল। তাত তেওঁৰ নিজৰ তথ্যটো মানুহৰ ক্ষেত্ৰত প্ৰয়োগ কৰিছিল। ক্ৰমবিকাশ আৰু প্ৰাকৃতিক নিৰ্বাচনৰ এই মতটো বৰ্তমান প্ৰায়ভাগ মানুহেই গ্ৰহণ কৰিছে। কিন্তু ৭০ বছৰ পূৰ্বে এইবিলাক তেনেদৰে সহজতে বোধ গম্য হোৱা নাছিল। সেইকালৰ ইউৰোপত সৰহ-ভাগ মানুহে খ্ৰীষ্ট জন্মৰ ঠিক ৪০০৪ বছৰ পূৰ্বে বাইবেলত দিয়া পৃথিৱীৰ সৃষ্টি আৰু প্ৰত্যেক বিধ উদ্ভিদ আৰু জন্তুৰ বেলেগ বেলেগকৈ সৃষ্টি হোৱা বুলি ভাবি লৈছিল। তেওঁলোকে প্ৰলয়ত নোৱাৰ নাওঁত কোনো শ্ৰেণীৰ প্ৰাণী লুপ্ত নহবৰ কাৰণে সেই নাৱত বিভিন্ন জন্তুৰ যোৰ যোৰকৈ নিয়াত বিশ্বাস কৰিছিল। এই সকলোবিলাক ডাৰউইনৰ তথ্যৰ লগত খাপ নাখাইছিল। ডাৰউইন আৰু ভূতত্ত্ববিদসকলে পৃথিৱীৰ বয়স বহুত নিযুত বছৰ বুলি কৈছিল।

বিভিন্ন শ্ৰেণীবিলাকৰ উৎপত্তিৰ বিষয়ত ডাৰউইনৰ তথ্যৰ উপৰিও ২৫০০ বছৰৰ পূৰ্বে চীনা দাৰ্শনিক চুনছে তেওঁৰ খ্ৰীঃ পূৰ্ব ষষ্ঠ শতাব্দীত যুদ্ধৰ দিনৰ ভিতৰতে এইদৰে লিখি-ছিল ঃ—

"সকলোবিলাক অঙ্গপ্ৰত্যঙ্গ থকা দেহ একোটা শ্ৰেণীৰ পৰা উৎপত্তি হৈছে, এই শ্ৰেণীটোত আগতে ক্ৰমাগত আৰু অবিছিন্ন ভাৱে বহুতো পৰিৱৰ্তন ঘটিছিল। তাৰ পিছত ইয়াৰ পৰা বিভিন্ন আকৃতিৰ সকলো অঙ্গপ্ৰত্যঙ্গৰ বিশিষ্ট দেহৰ উৎপত্তি হৈছিল। এনে দেহ-বিলাকৰ মাজত তৎক্ষণাত পাৰ্থক্যৰ সৃষ্টি নহৈছিল। কিন্তু তাৰ সলনি পুৰুষানুক্ৰমে ক্ৰমাগত পৰিৱৰ্তনৰ ফলত সেই দেহবিলাকে নিজৰ নিজৰ পৃথক ৰূপ পাইছিল।

এইটো ডাৰউইনৰ তথ্যৰ যথেষ্ট ওচৰ চপা আৰু আচৰিত কথা এই যে চীনা প্ৰাণী-তত্ত্ববিদজন যি সিদ্ধান্তত উপনীত হৈছিল, সেই সিদ্ধান্তটো পুনৰ আৱিষ্কাৰ কৰিবলৈ পৃথিৱীৰ আঢ়ৈ হাজাৰ বছৰ লাগিছিল।

১৯ শ শতাব্দীৰ আগুৱাই যোৱাৰ লগে লগে পৰিৱৰ্তনৰ বেগ ক্ৰমে বেছি দ্ৰুত হৈছিল। বিজ্ঞানে ইটোৰ পিছত সিটোকৈ আচৰিত বস্তুৰ উৎপন্ন কৰিছিল আৰু আৱিস্কাৰ উদ্ভাৱনৰ অনন্ত সমাৰোহে মানুহৰ চকুত চমক্ লগাইছিল। টেলিগ্ৰাফ, টেলিফোন, মটৰগাড়ী, কাম্পিউটাৰ, ৰবট, বিমান আদি বহুতো এনে আৱিষ্কাৰে মানুহৰ জীৱন যাপন পদ্ধতিৰ বিৰাট পৰিৱৰ্তন সাধিছে। বিজ্ঞানে আটাইতকৈ বেছি দূৰৰ মহাকাশৰ আৰু অদৃশ্য পৰমানুৰ আৰু তাৰ ভাগবিলাকৰো আকাৰ স্থিৰ কৰি-ছিল। বাস্তৱতে প্ৰত্যেক দিশতে আৰু জীৱ-

নৱ প্ৰত্যেক বিভাগতে বিজ্ঞানে পৃথিৱীখনত বৈপ্লৱিক পৰিৱৰ্তন ঘটাইছিল।

বিৰাট সংখ্যাৰ বৈজ্ঞানিক আৰু বিশেষজ্ঞ বিজ্ঞানৰ অসংখ্য প্ৰধান বিষয়ৰ কামত আৰু সেইবিলাকৰ শাখা-প্ৰশাখাত অবিৰত ভাৱে লাগি আছে। বৰ্তমান কালৰ এই শ্ৰেণীৰ লোকসকলৰ ভিতৰত এলবাৰ্ট আইনষ্টাইনৰ নামটো সকলোতকৈ শ্ৰেষ্ঠ। তেওঁ নিউটনৰ বিখ্যাত তথ্যটোৰ কিছু পৰিমানে সংস্কাৰ সাধন কৰাত কৃতকাৰ্য্য হৈছে।

আজি বিজ্ঞানৰ আধুনিক পদ্ধতি ইমান বিশাল হৈছে আৰু বৈজ্ঞানিক তথ্যবিলাকৰ বৃদ্ধি আৰু পৰিৱৰ্তন ইমান বেছি হৈছে যে বৈজ্ঞানিকসকল নিজেই স্তম্ভিত হৈছে। এতিয়া তেওঁলোক নিজৰ সিদ্ধান্তবিলাকৰ বিষয়ত আৰু সৰ্ব্বকালৰ কাৰণে তেওঁলোকে কৰা ভৱিষ্যৎ বাণীবিলাকৰ বিষয়ত দ্বিধাগ্ৰস্ত হৈছে।

কিন্তু এইয়া বিংশ শতাব্দী আৰু আমাৰ দিনৰ সংঘটন। উনবিংশ শতাব্দীত আশ্বাস সম্পূৰ্ণ আছিল আৰু বিজ্ঞানে ইয়াৰ কৃতকাৰ্য্যতাৰ কাৰণে গৰ্ব কৰি মানুহৰ মাজত ইয়াৰ আধিপত্য বিস্তাৰ কৰিছিল। মানুহে দেৱতাৰ আগত আঠু লোৱাৰ দৰে ইয়াৰ প্ৰভাৱতো আজি বশীভূত হোৱা যেন অনুমান হয়। ❁

"জীয়াই থকা কালত এজন মানুহে মাথো নিজৰ ব্যক্তিগত জীৱনেই যাপন নকৰে, সজ্ঞানে বা অজ্ঞানে তেওঁ তেওঁৰ সমকাল আৰু সমসাময়িক ব্যক্তিৰ জীৱনটো অংশ বহন কৰে।" —টমাচ মান




## দুটি কবিতা

—উপাসনা বৰপূজাৰী
স্নাতক, ২য় বৰ্ষিক

### সুদীৰ্ঘ দিন ধৰি

নৃশংসতাৰ পোহৰ ছবিয়ে ভৰাই পেলোৱা,
নিজৰ ভিতৰতো অসহায়বোধ ।
ভিতৰত ইমান তপত !
সেইদিনৰ তেজাল স্মৃতি এতিয়াও কলিজা উদঙাই
চাবানে ?

টুকুৰা-টুকুৰ অৱশেষ মাত্ৰ ।

o o o

কাৰ হাতৰ উমাল পৰশ,
সজীৱতাৰ সেউজ বোল লগা আউলী চুলি ।
ভিতৰত এতিয়াও উত্তাপ
প্ৰভাতলৈ সূৰ্য্যৰ অনন্ত গতি । ●

### অভিযান

প্ৰতিটো দিনেই ভয়াবহতাৰ ভাৰবাহী নাও,
ঠিক সেইদৰে ৰাতিৰ আন্ধাৰবোৰে মানুহৰ মুখত
সানি দিয়ে মানৱতাৰ ছাই ।
কিহে গুমগুমায় ? আকৌ সেয়া ফেচীবাদীসকলৰ
জন্ম ।

দিনবোৰ হৈ পৰে বিশাল অপেক্ষা ।
ৰান্ধনী-ঘৰৰ এলান্ধুৰে ভৰা বেৰত সেইবোৰ হিচাব
গৰ্ভধাৰণৰ প্ৰত্যেকটো দিনৰ,
মাতৃৰ মুখ বিৱৰ্ণ, 'মোৰ বোপাই কেতিয়া ঘূৰিব ?'
অসন্তৰ্ষ জটিলতা, নিদ্ৰাহীন ৰাতি ।
গণতন্ত্ৰৰ বেৰত শতছিন্ন অন্ধকাৰ,
সম্ভৱতঃ লাচিতৰ হেংদান এতিয়াও মামৰমুক্ত । ●

# পাৰি জানো ?

—মাধৱী গগৈ
স্নাতক, ২য় বাৰ্ষিক

তোমাৰ অকণমান ক্ষুধা
মোক দিব পাৰি জানো ?
আৰু পাৰিনে
দুটা এটা শব্দ আশাৰ ?
নিয়ৰসিক্ত শৰতৰ দোকমোকালি
স্পৰ্শ কৰি
পাৰিনে সাৰটি ল'ব ?

পৰা হ'লে
অন্যান্য দ্ৰব্যৰ দৰে
যিকোনো মূল্যৰে
সজীৱতাক আৰু
তোমাৰ অলপমান আঘাটক,
কিনিবলৈ নিজলৈ ।

সঁচাকৈয়ে পাৰি জানো ?
নিজৰ কৰিবলৈ আনৰ সম্পত্তি
আচলতে নোৱাৰি
বেচিব, কিনিব নিজক বা আনক ।

# আত্মকথা

—তৃষ্ণা বৰগোহাঁই
উচ্চতৰ মাধ্যমিক, ২য় বাৰ্ষিক

সেই যে
একো নেভাবোতে
ভবা কথাবোৰ
পাহৰি পাহৰি মনত পৰা
গাখীৰতী ধানৰ গোন্ধ
নাই, পাহৰা নাই মই
এতিয়াও লালন-পালন কৰিছোঁ
শুকান নৰা আৰু সৰিয়হ ফুলৰ হালধীয়াত
সেই এটাই চেচুকীয়া স্বপ্ন
মই এতিয়াও বাট পাহৰা নাই
আটাইবোৰ সেউজীয়াৰ আহবানত
এতিয়াও লিখো সেই শব্দ
মানৱতা···
মই এতিয়াও বাট পাহৰা নাই
মই
কাকো দিয়া নাই
মোৰ নিৰ্লিপ্ত হৃদয়
আৰু মৃত হৃদয়ৰ দুখ
মই বাট পাহৰা নাই ।

## দুটি স্তৱক

## আঘোণ

—শেৱালী কলিতা
স্নাতক, ২য় বাৰ্ষিক

গা হালধীয়া
ধানৰ পাতত
দুপৰীয়াৰ
ৰ'দৰ মুখ ।
হাতৰ মুঠিত
চিকমিকাই
থাকে
ধাৰাল কাচি
মাৰ যায়
মাৰ যায়
ৰান্ধনি বেলি ।

## ফাগুন

ৰঙা মদাৰৰ
ৰাঙলী ওঁঠত
কঁপে
চঞ্চলমনা ফাগুন
বাসনাৰ বৰহন
সানি যায়
সৰা পাতত
হৃদয়ৰ ৰঙ ।

## অপেক্ষা

—পূৰবী নাথ
উচ্চতৰ মাধ্যমিক, ২য় বাৰ্ষিক

মোৰ ৰুণ দিয়া পাৰজনী
উভতি আহিব জানো কেতিয়াবা ?

নিশাহতে উৰি গ'ল তাই
কিমান বাটছোৱা পাৰ হৈ গ'ল !
আৰু কতজাক ধুমুহা—
তাই জানো বনৰীয়া হ'ল ?

## তোমাৰ প্ৰতি

—মানবী বৰা
স্নাতক, ২য় বাৰ্ষিক

জ্ঞান পীঠত বহি
কোন পূজাৰী তুমি
সঁফুৰাৰ নিৰ্মালি দিছা ছটিয়াই
সমবেত হৈ আমি
একাগ্ৰচিত্তে আজি
আঁচল পাতি ৰ'লো তোমাকে ধিয়াই ।
অজ্ঞান তমসাৰ
নহওঁ অভিসাৰ
জ্যোতিৰ সন্ধানী হৈ আজি আগুৱাই,
পাৰ্থিছো তোমাকেই
ভকতিৰ অৰ্ঘৰে
জ্ঞান-জ্যোতিৰ পথ দিয়া দেখুৱাই ।

# বিদ্ৰোহ

—নয়ন মণি গগৈ
স্নাতক, ২য় বাৰ্ষিক

এইয়া যেন এক বিভীষিকা
কুৰি শতিকাৰ শেষ সীমাত
উপনীত হোৱা—
এক চৰম দুৰ্য্যোগ।
চাৰিওফালে দেখিছো মাথো
অন্ধকাৰৰ জলন্ত দহন,
হিংসা আৰু হত্যাৰ আশ্ৰয়ত
ৰক্তেৰে হাত ৰাঙলী কৰিছো।
অকাৰণ হত্যাত কান্দি উঠিছো।
নহয় মই পৰিবৰ্ত্তনৰ—
দ্ৰুতগামী ৰথচক্ৰ
তথাপিও—
থিয় হ'ম নিজ স্বাৰ্থৰ বাবে
আনে দিয়া প্ৰতিশ্ৰুতিক আদৰি,
নিজক সুন্দৰকৈ গঢ়িবলৈ।
বিদ্ৰোহৰ বিপৰীতে—
সত্য সন্ধানী মই,
আলোকৰ যাত্ৰী।
বিদ্ৰোহৰ অগ্নি কৰি ধুলিস্যাৎ
গঢ়িম, পাতিম মই নতুনক
আৰু নতুন ৰূপে অহোৰাত্ৰি।

# অব্যক্ত প্ৰেম

মিছ তাজমিন আৰা হুছেইন।
স্নাতক ২য় বাৰ্ষিক।

সেইবছৰ সেৰিকা মেডিকেল কলেজৰ শেষ বাৰ্ষিকৰ ছাত্ৰী। তাই নিজৰ লক্ষ্যত উপনীত হবলৈ আৰু মাথোন এটা বছৰহে হাতত আছিল। তাইৰ এই শেষবছৰৰ পৰীক্ষাত উত্তীৰ্ণ হবৰ কাৰণে দেহ-মন এক কৰি পঢ়াত ব্যস্ত হৈ পৰিল, আৰু এনেকৈ গোটেই বছৰটোৰেই কিতাপৰ মাজত মূৰ গুজি সোমাই থকাৰ অন্তত এদিন সেই পৰীক্ষাৰ দিনটো পালেহি আৰু প্ৰথম পৰীক্ষাৰ দিনটোৰ পৰা আৰম্ভ কৰি শেষ পৰীক্ষাৰ দিনটোলৈকে থকা পৰীক্ষাৰ বিষয় কেইটা তাইৰ খুব ভালেই হৈছিল। আনকি এইটো থিৰাং কৰিব পাৰিছিল যে তাই এই পৰীক্ষাত খুব ভাল ফলেই দেখুৱাব পাৰিব।

পৰীক্ষা শেষ হোৱাৰ পাছত হোষ্টেলত থকা আন আন ছাত্ৰীৰ দৰেই সেৰিকা যেতিয়া ঘৰলৈ গৈছিল তেতিয়া বহুত দিনৰ মূৰত নিজৰ গাওঁখন, ঘৰখন দেখি ইমানেই উৎফুল্লিত হৈ পৰিছিল যে অজ্ঞানিতে তাইৰ ধুনীয়া ওঠ দুটিত হাঁহিয়ে ধেমালি কৰি গৈছিল। তাই মনতে হিচাপ কৰিছিল এই ঘৰখনলৈ যে ক্ৰমেও ৭-৮ মাহে অহাই নাই। এইবিলাক কথা মনত ভাবি থাকোতেই কেতিয়ানো আহি ঘৰৰ পদূলি পালেহি, তাই গমেই নাপালে। তেনেকুৱাত ৰিক্সাৱালাটোৱে তাইক ভাৰা খোজাত লৰালৰিকৈ ভাৰাটো দি ভিতৰলৈ সোমাই গৈ 'মা, 'মা' কৈ চিঞৰাত মাকে নিজৰ জীয়েকৰ মাতটো চিনিব পাৰিলে ; আৰু পাকঘৰৰ পৰাই দৌৰি আহিল। সেৰিকাক দেখিয়ে "ইমানদিন কিয় চিঠিপত্ৰ দিয়া নাই ? পৰীক্ষাৰ কাৰণে পঢ়ি পঢ়ি শুকাই ক্ষীণাই গ'লি" বুলি বহুতো প্ৰশ্ন আৰু কুটিম খণ্ডেৰে উপচাই পেলাইছিল, আৰু ইয়াৰ ফাকেঁদিয়েই কেইটিমান মৰমসনা চাৱনিৰে তাই নেদেখা-কৈয়ে চাই পঠিয়াইছিল। ইফালে ভায়েকে আহি "মোলৈ কি কি আনিছা ? বাইদেউ," বুলি সোধাত তাই চুটকেচটো খুলি ভায়েকলৈ বুলি অতি মৰমেৰে অনা কাপোৰযোৰ দেখুৱাৰ লগে লগে সি বায়েকৰ গালত চুমা এটা দি আতঁৰি গ'ল। সেইসময়তে দেউতাকো কামৰ পৰা আহি পাইছিল আৰু তাইক দেখিয়েই "কেতিয়া পালিহি ? পৰীক্ষা কেনেকুৱা হ'ল ?" বুলি সোধাৰ পিছত আৰু ভাল বেয়া খবৰ-পাতি লৈ সেৰিকাৰ কাষৰ পৰা আঁতৰি হাত-মুখ ধুবলৈ গ'ল।

সেৰিকা ঘৰলৈ অহা দুমাহমানেই হৈ গ'ল আৰু কিছুমাহৰ পিছতে হয়তো সিহঁতৰ পৰীক্ষাৰ ৰিজাল্ট ওলাব। এইকেইটা-মাহ তাইৰ ঘৰত থাকি ভালেই লাগিছে

যদিও মাজে মাজে লগৰ ছোৱালীবোৰলৈ মনত পৰি আছিল। এনেধৰণৰ কথাবিলাক ভাবি আছিল যদিও সেৰিকাৰ মনৰ এচুকত সদায় এটা কথাই আঘাত কৰি আছিল যে তাইৰ মাক বাপেকে বিচৰা আৰু তাইৰ নিজৰ লক্ষ্য হিচাপে বাচি লোৱা স্থানত যেনিবা উপনীত হ'বগৈ কিন্তু তাইৰ মনৰ কথা এজনক ক'বলৈ কিমানবাৰ আগবাঢ়ি গৈও ক'ব নোৱাৰিলে। কিয়নো তাই বৰ স্বাভিমানী আছিল। সেৰিকাই বিচাৰিছিল তাইৰ মনৰ পুৰুষজনে প্ৰথমে প্ৰপ'জ কৰক তাইক 'সেই কথা।'

সেৰিকাৰ মনৰ ভিতৰত থকা সেই জনেই আছিল তাইৰ দেৱতা। যাক তাই পূজা কৰে, পুষ্পাঞ্জলি অৰ্পণ কৰে গভীৰ প্ৰেমৰ। কিন্তু এই সকলোবিলাক তাইৰ অন্তৰৰ মাজতে সম্পাদন হয়; সকলোৰে চকুৰ আঁৰত। আৰু সেৰিকাৰ সেইজন দেৱতাৰ নাম আছিল পীযুষ। পীযুষক তাই প্ৰথম লগ পাইছিল মেডিকেল কলেজত হোৱা সিহঁতৰ এড্‌মিচনৰ দিনা। সেইদিনা তাই খুউব ৰেগিঙৰ সন্মুখীন হ'ব লগা হৈছিল। তেতিয়া পীযুষ মেডিকেল ক'লেজৰ চতুৰ্থ বাৰ্ষিকৰ ছাত্ৰ আছিল আৰু সিয়েই সেই বিপদৰ পৰা সেৰিকাৰ লগতে তাইৰ বান্ধৱী কেইজনীকো উদ্ধাৰ কৰিছিল। সেই প্ৰথম সাক্ষাততেই সেৰিকাই পীযুষৰ ব্যক্তিত্ব আৰু ব্যৱহাৰ দেখি তাৰ প্ৰতি আকৰ্ষিত হৈছিল। কলেজত থকা আন ছাত্ৰীৰ সৈতে পীযুষে বান্ধৱী বুলি যি ভাল সম্পৰ্ক ৰাখিছিল, সেৰিকাকো সি অকল এজনী ভলে বান্ধৱী বুলিয়েই ভাবি লৈছিল। কিন্তু সেৰিকাই তাইৰ অন্তৰৰ এচুকত তাৰ বাবে আছুতীয়াকৈ ৰখা ঠাইডোখৰৰ কথা সি কোনোদিনেই বিচাৰি চোৱা নাছিল।

অতি সোনকালে এটা বছৰ পাৰ হৈ যোৱাৰ পিছত পীযুষ শেষবছৰৰ পৰীক্ষাত ভালদৰে উত্তীৰ্ণ হৈ অসমৰ বাহিৰৰ এখন চহৰলৈ গৈ বাকী থকা পঢ়াখিনি শেষ কৰিলে। কলেজৰ পৰা পাচ কৰি যোৱাৰ পিছত সেৰিকাই আৰু পীযুষক ক'তো লগ পোৱা নাছিল। মাজতে তাই এজনী বান্ধৱীৰ পৰা জানিব পাৰিছিল যে পীযুষ যিখন ঠাইত আছিল তাৰে এখন ভাল হস্পিতালত ডাক্তৰী কৰি আছে আৰু তাৰ দেউতাকেও অৱসৰ লৈ গাওঁত থকা ঘৰতে থাকিবলৈ লৈছে। যদিও পীযুষ তাইৰ ওচৰৰ পৰা আঁতৰি গৈছিল কিন্তু তাইৰ মনৰ মাজৰ পৰা আঁতৰি যোৱা নাছিল।

এনেকৈ সেৰিকাৰ জীৱনৰ দিনবোৰ এটা এটাকৈ পাৰ হ'বলৈ ধৰিলে। তাৰ মাজতে এদিন সেৰিকাহঁতৰ পৰীক্ষাৰ ৰিজাল্টো ওলাল। সেৰিকাই খুব ভাল ৰিজাল্ট কৰিছিল। ইয়াৰ পিছত তাই এবছৰৰ বাবে হাউচ চাৰ্জন কৰিলে। আৰু কিছু দিনৰ মূৰত সিহঁতৰ চহৰৰে এখন ভাল হস্পিতালত তাই কৰ্মজীৱন আৰম্ভ কৰিলে।

সেইদিনা দেওবাৰ আছিল। সেৰি-

কাই মাকৰ লগতে পাকঘৰত কাম আছিল। সেইসময়তে ভায়েকে তাইৰ নামত অহা চিঠি-খন দি আতঁৰি যায়। সেৰিকাই মনতে বান্ধৱী টিনাৰ পৰা অহা চিঠি বুলি আগ্ৰহেৰে বুলি পঢ়িবলৈ ললে। চিঠিখন মেলিহে গম পালে যে এইখন দেখোন বিয়াৰহে নিমন্ত্ৰণী চিঠি। 'কাৰনো বিয়া'? বুলি সেৰিকাই তাত থকা নামটো চালে; আৰু সেই মূহুৰ্ত্ততেই তাইৰ অন্তৰখন ভাগি চুৰমাৰ হৈ গ'ল। ইমানদিনৰ স্বপ্নকুটিৰ মূহুৰ্ত্ততে ভাঙি খহি গ'ল। সেৰিকাই আকৌ এটা এটাকৈ নামটো জোটাই পঢ়িব ধৰিলে। কিজানিবা তাইৰ পঢ়াই ভুল হৈছে, কিন্তু নহয় ঠিকেই পঢ়িছে পী—যু—ষ— চৌ ধু ৰী। সেৰিকাই আৰু এটা আখৰো পঢ়িব নোৱাৰিলে। সেৰিকাৰ চকুযুৰি বাষ্পাকুল হৈ পৰিল। এটা মূকবেদনাত তাই গাৰুটোতে মূৰ গুজি হুক-হুকাই কান্দি উঠিল।

কিছুসময়ৰ পিছত যেতিয়া সেৰিকাই মূৰ দাঙিছিল তেতিয়া কিমান সময় তেনেকৈ পৰি আছিল তাই কব নোৱাৰিলে। বিচনাৰ পৰা উঠি তাই পোনেই বাথৰুমলৈ গৈ মুখ-হাতখন ধুই বাৰান্দাতে থকা চকীখনতে বহিলে। তেতিয়া তাইৰ নিজৰ ওপৰতে খং উঠি আছিল। সেৰিকাই নিজকে ধিক্কাৰ দি ভাবিলে: তাই যদি পীযুষক তাইৰ মনৰ কথাটো ক'লে-হেতেন, তেতিয়া হয়তো ছাগে সি তাইক আপোন কৰি ল'লেহেঁতেন, কিন্তু সেইবিলাক কথাৰ এতিয়া কোনো অৰ্থ নাই। তাৰোপৰি সেৰিকাই মেডিকেল কলেজলৈ পঢ়িবলৈহে গৈছিল। আৰু সেইদিনাখনেই তাই প্ৰতিজ্ঞা কৰিলে যে তাই যিজনক বিচাৰিছিল তেওঁক নাপালে কি হ'ল? তেওঁকতো তাইৰ অন্তৰৰ মাজৰ পৰা কোনেও কাঢ়ি নিব নোৱাৰে। ইয়াৰ পিছত সেৰিকাই সংসাৰৰ নাটকখনিত তাইৰ অভিনয় আৰু বঢ়াবলৈ ইচ্ছা নকৰি নিজকে মানৱৰ দুখকষ্টৰ মাজত বিলীন কৰি দিব বিচাৰিলে।

সেৰিকাৰ সেই উদ্দেশ্যও এদিন সফল হৈছিল সম্পূৰ্ণৰূপে, যেতিয়া তাই সকলোৰে সন্মান, প্ৰশংসাৰ পাত্ৰ হৈ পৰিছিল, সকলোৱে মাত্ৰ তাইকে বিচাৰি গৈছিল নিজৰ নিজৰ বেমাৰ ভাল কৰিবলৈ আৰু এনেকৈয়ে দুখ-কষ্টৰে জীৱন নিৰ্বাহ কৰি থকা জনসাধাৰণৰ সেৱাত ব্যস্ত থৈ থাকোতেই এদিন এগৰাকী নাৰ্চে লৰালৰিকৈ আহি খবৰ দিলেহি যে এটা চিৰিয়াচ এক্সিডেন্ট কেচ আহিছে খুব সোনকালে যাব লাগে। খবৰটো পায়েই সেৰিকাই নাৰ্চৰ লগে লগেই তাইৰ চেম্বাৰৰ পৰা প্ৰায় দৌৰি যোৱাৰ দৰে গৈ ৰোগীজনক চিনিব পাৰি সেৰিকা উচপ খাই উঠিল। তাইৰ মনটোৱে বাৰে বাৰে প্ৰশ্ন কৰিবলৈ ধৰিলে। 'মই কি দেখিছো?' তাই নিজৰ চকুক বিশ্বাস কৰিব নোৱাৰিলে। তাই আকৌ নিজৰ চকুহালক প্ৰশ্ন কৰিব ধৰিলে—"সঁচা-কৈয়ে এইয়া পীয়ষ চৌধুৰীনে?" এইদৰে অনেক পুৰণি স্মৃতি মানসপটত ভাহি উঠি-বলৈ লওঁতেই নাৰ্চজনীয়ে 'কি হ'ল মেডাম?'

বুলি প্ৰশ্ন কৰাত তাই যেন সপোনত এটা খুব আচৰিত ঘটনা দেখি সাৰ পাই উঠাৰ দৰে জিকাৰ খাই উঠিল। আৰু লগে লগে এক্সিডেণ্টৰ ফলত পীয়ুষৰ অনেক অঙ্গৰ পৰা হোৱা ৰক্তক্ষৰণৰ বাবে নাৰ্চক Operation Theater লৈ নিবলৈ আদেশ দিলে। অপাৰেচন কক্ষৰ পৰা সেৰিকাই মুখত এটা সাফল্যৰ হাঁহি লৈ ওলাই আহিল। সেৰিকাক দেখিয়েই পীয়ুষৰ মাক আৰু পত্নীয়ে দুয়ো প্ৰায় একেলগেই পীয়ুষৰ অৱস্থাৰ কথা সুধিলে। তেওঁলোকক সেৰিকাই কিছু সান্তনা দি ভগৱানৰ ওচৰত সোনকালেই পীয়ুষৰ আৰোগ্য কামনা কৰি প্ৰাৰ্থনা জনাবলৈ অনুৰোধ জনালে। লগতে পীয়ুষৰ পত্নীৰূপে চিনাকি দিয়া আৰু সেৰিকাক চিনি নোপোৱা তাইৰে পুৰণি বান্ধৱী স্মিতাক দেখি সেৰিকাৰ মনটো উৎফুল্লিত হৈ ল'ৰালি কালৰ দিনবোৰলৈ ঢাপলি মেলিছিল। কিন্তু পিছ মূহুৰ্ত্ততেই তাইৰ মনটো সেমেকা হৈ পৰিল-একেলগতেই কটোৱা ল'ৰালিকালৰ বান্ধৱী স্মিতাই চিনি নোপোৱাৰ বাবে আৰু সেৰিকাই নিজৰ প্ৰৰিচয় নিদি সিহঁতৰ পৰা বিদায় লৈ নিজৰ চেম্বাৰত/সোমালগৈ।

অপাৰেচনৰ প্ৰায় তিনিঘণ্টা মানৰ পিছত যেতিয়া পীয়ুষে জ্ঞান পাইছিল তেতিয়া ওচৰতে বহি থকা সেৰিকাক দেখি আচৰিত হৈ গৈছিল। এসময়ৰ তাৰ অন্তৰঙ্গ বান্ধৱী সেৰিকাই ছাগে তাক আজি মৃত্যুৰ দুৱাৰদলিৰ পৰা উভতাই আনিলে। পীয়ুষে চকু মেলি সেৰিকাৰ ফালেই চাই থকা দেখি তাই সুধিলে, "এতিয়া কেনে পাইছে' ? তেতিয়া পীয়ুষে এটা সেমেকা হাঁহি মাৰি নিজৰ ভুল স্বীকাৰ কৰি কলে, "আজি মোৰ এই অৱস্থা নহ'লহেতেন, যদিহে অলপ লাহেকৈ গাড়ীখন চলালো হয়।" সেৰিকাই পীয়ুষৰ মনৰ অৱস্থাটোৰ কথা বুজিব পাৰি আৰু বেছি কথা সোধাটো ভাল হ'ব বুলি নাভাবিলে।

এনেকৈ প্ৰায় ১২ দিনমানৰ মূৰত পীয়ুষ যেতিয়া সম্পূৰ্ণৰূপে সুস্থ হৈ পৰিল তেওঁক Hospital ৰ পৰা release দিয়া হ'ল। এই বাৰটাদিন সেৰিকাই পীয়ুষক যিমানখিনি সেৱা কৰিলে সেইখিনিয়েই তাইৰ জীৱনত জীয়াই থকা দিনকেইটাৰ বাবে সম্বল যোগালে, আৰু জীয়াই থাকিবৰ বাবে কিছু প্ৰেৰণাও পালে।

পীয়ুষ হাস্পতালৰ পৰা বিদায় লোৱা দিনাখন সেৰিকাই এমোকোৱা তৃপ্তিৰ হাঁহি ওঠত লৈ গাড়ীত উঠাই দিলেগৈ। লগতে তাইক চিনি নোপোৱা পুৰণি বান্ধৱী স্মিতাকো। সেৰিকাই একেথৰে পীয়ুষহঁত যোৱা গাড়ীখনলৈকে চাই আছিল দৃষ্টিশক্তিৰে মণিব পৰালৈকে। তেনেতে আকৌ কিছুমান ৰোগীয়ে তাইক বিচাৰি অহাত সেৰিকাই তাইৰ কক্ষত প্ৰৱেশ কৰিলে। এনেকৈয়ে সেৱাৰ মাজেদি তাইৰ নামটোৰ অৰ্থ সাৰ্থক কৰিলে আৰু নিজৰ জীৱনৰ অধ্যায় সামৰণি মাৰি আনৰ জীৱনৰ অধ্যায় আৰম্ভ কৰাত সৰ্বশক্তিমানৰ সহায়ৰ লগত তাইৰ সামৰ্থ্য খিনিও আগবঢ়োৱাত কোনো কৃপণালি নকৰিলে।

—0—

# ছাত্ৰী একতা সভাৰ ভিতৰ চ'ৰা

## সাধাৰণ সম্পাদিকাৰ প্ৰতিবেদন

প্ৰতিবেদনৰ আৰম্ভণিতে অসম মাতৃৰ সেই সুযোগ্য সন্তান সকললৈ, যি সকলে নিজ দেশ মাতৃৰ মৰ্য্যদা আৰু গৌৰৱ ৰক্ষাৰ্থে নিজৰ প্ৰাণ আহুতি দি এই অসমক পূণ্যভূমি ৰূপে পৃথিৱীৰ আগত পৰিচয় দি থৈ গ'ল—সেই সকললৈ মোৰ সশ্ৰদ্ধ প্ৰণাম জনাইছো।

"শিৱসাগৰ ছোৱালী কলেজ" ঐতিহ্যমণ্ডিত ৰংপুৰ নগৰত অৱস্থিত শিৱসাগৰ জিলাৰ ভিতৰতে অগ্ৰগণী একমাত্ৰ নাৰী শিক্ষানুষ্ঠান। ১৯৬৪ চনতে প্ৰতিষ্ঠিত হোৱা এই মহাবিদ্যালয় খনে আজি প্ৰায় ৩০ বছৰ কাল অতিক্ৰম কৰিছে আৰু এই সুদীৰ্ঘ কালছোৱাৰ ভিতৰত বহুতো ছাত্ৰীয়ে এই মহাবিদ্যালয়ৰ পৰা শিক্ষা লাভ কৰি নিজকে সমাজত একোগৰাকী আদৰ্শবান শিক্ষিতা নাৰীৰূপে প্ৰতিষ্ঠা কৰিবলৈ সক্ষম হৈছে। সেইয়ে ই আমাৰ মহাবিদ্যালয়ৰ বাবে এক গৌৰৱৰ কাৰণ। শিক্ষাইহে মানুহক প্ৰকৃত জ্ঞানৰ সন্ধান দিব পাৰে আৰু এই প্ৰকৃত জ্ঞানৰ দ্বাৰাহে সমাজত থকা কু-সংস্কাৰবোৰ আঁতৰাই এখন নিকা সমাজ গঢ়াটো সম্ভৱ। গতিকে মই আশা কৰো আমাৰ মহাবিদ্যালয়ে নাৰী শিক্ষাৰ ক্ষেত্ৰত আগবঢ়োৱা অৱদানে এই দিশত বিশেষৰূপে সহায়ক হব।

শিৱসাগৰ ছোৱালী কলেজত মইয়ো এদিনাখন শিক্ষা লাভ কৰাৰ মানসেৰে প্ৰৱেশ কৰো আৰু শিক্ষা লাভৰ এই কালছোৱাত মহাবিদ্যালয়ৰ অন্যান্য ছাত্ৰী বান্ধৱীসকলৰ মোৰ প্ৰতি থকা মৰম ও সহযোগিতাৰ বাবে ১৯৯২-৯৩ চনৰ ছাত্ৰী একতা সভাৰ নিৰ্বাচনত সাধাৰণ সম্পাদিকা ৰূপে নিৰ্বাচিত হওঁ। অৱশ্যে বিগত বছৰটিত এনে এটা গুৰু দায়িত্ব বহন কৰি কিমান দূৰ সফলতা লাভ কৰিলো সেইয়া আপোনালোকৰ বিচাৰ্য্য বিষয়। সেইয়ে কিবা যদি অভাৱ অভিযোগ পূৰণ কৰাত অসমৰ্থ হলো, তাৰ বাবে এই খিনিতে ক্ষমা বিচাৰিছো।

১৯৯২-৯৩ চনত ছাত্ৰী একতা সভাৰ দ্বাৰা হাতত লোৱা কাৰ্য্যসমূহৰ এক চমু আভাস দাঙি ধৰিবলৈ চেষ্টা কৰিছো—

**বাৰ্ষিক কলেজ সপ্তাহ ঃ—** পূৰ্বৰ কেইবাৰৰ দৰে এইবাৰো বাৰ্ষিক কলেজ সপ্তাহ ৪ জানুৱাৰীৰ পৰা ৯ জানুৱাৰীলৈকে ৬ দিনীয়া কাৰ্য্যসূচীৰে পালন কৰা হয়। এই বাৰ্ষিক কলেজ সপ্তাহত

আমাৰ মহাবিদ্যালয়ৰ অধিক সংখ্যক ছাত্ৰীয়ে তেওঁলোকৰ শাৰীৰিক আৰু মানসিক পাৰদৰ্শিতাৰ সফল প্ৰদৰ্শন কৰে। শেষৰ দিনাখন বঁটা-বিতৰণী সভাৰ লগতে এখনি মনোৰঞ্জক বিচিত্ৰানুষ্ঠানৰো আয়োজন কৰা হয়।

বাৰ্ষিক কলেজ সপ্তাহৰ পাছতেই শ্ৰীশ্ৰীসৰস্বতী দেৱীৰ পূজা আমাৰ কলেজত পালন কৰা হয়।

**বিদায় সভা ঃ—** ১/৩/৯৩ তাৰিখে আমাৰ মহাবিদ্যালয়ৰ অৰ্থনীতি বিভাগৰ মুৰব্বী অধ্যাপক শ্ৰীযুত সত্যভূষণ বৰুৱাদেৱে চাকৰি জীৱনৰ পৰা অৱসৰ লোৱাৰ পৰিপ্ৰেক্ষিতত ছাত্ৰী একতা সভা ও কলেজৰ ফালৰ পৰা এখনি বিদায় সভা পতা হয়। উক্ত সভাত আমাৰ মহাবিদ্যালয়ৰ বিভিন্ন বিভাগৰ অধ্যাপক-অধ্যাপিকা ও ছাত্ৰীসকলে তেখেতলৈ বিদায় সম্ভাষণ যাচে, আৰু ছাত্ৰী একতা সভাৰ তৰফৰ পৰা বিদায়ী শিক্ষকগৰাকীলৈ আন্তৰিক শ্ৰদ্ধা ও ধন্যবাদ জ্ঞাপন কৰা হয়।

**নৱাগতা আদৰণী সভা ঃ—** আমাৰ মহাবিদ্যালয়লৈ শিক্ষা লাভ কৰিবলৈ অহা নৱাগতা ছাত্ৰী সকলক আদৰি লবলৈ ২৪/৯/৯৩ তাৰিখে নৱাগতা আদৰণী সভাখন অনুষ্ঠিত কৰা হয়। সভাখনত সভাপতিত্ব কৰে কলেজৰ অধ্যক্ষ মাননীয় মঃ হাফিজুৰ ৰহমানদেৱে। উক্ত সভাত নিমন্ত্ৰিত অতিথি ৰূপে উপস্থিত থাকি শিৱসাগৰ জিলাৰ আৰক্ষী অধীক্ষক শ্ৰীকৃষ্ণ কুমাৰ শৰ্মাদেৱ আৰু বিশিষ্ট বুৰঞ্জীবিদ শ্ৰীভুবন চন্দ্ৰ সন্দিকৈদেৱে সভাৰ সৌষ্ঠৱ বঢ়ায়। তাৰোপৰি আমাৰ মহাবিদ্যালয়ৰ ভালে সংখ্যক চাৰ-বাইদেউ আৰু ছাত্ৰী উক্ত সভাত উপস্থিত থাকি আমাক প্ৰেৰণা যোগায়।

**আমাৰ মহাবিদ্যালয়ত থকা অভাৱ সমূহ ঃ—** আমাৰ মহাবিদ্যালয়খন যদিও জিলাৰ ভিতৰতে এখনি পুৰণি আৰু নাৰীশিক্ষাৰ ক্ষেত্ৰত অগ্ৰগণী ভূমিকা লোৱা একমাত্ৰ ছোৱালী কলেজ, তথাপিও এই কলেজখন আজিও বহুতো অভাৱ ও সমস্যাৰে জৰ্জ্জৰিত। এই অভাৱ অভিযোগ সমূহ গুৰুত্ব সহকাৰে বিবেচনা কৰি কলেজ কৰ্তৃপক্ষই যথোচিত ব্যৱস্থাৰে আশু সমাধানৰ প্ৰচেষ্টা হাতত লব বুলি আশা ৰাখিছো।

১। পুৰণি শ্ৰেণী কোঠাসমূহৰ অৱস্থা বৰ শোচনীয়। সেইবিলাকৰ পুনৰ্নিৰ্মাণৰ- কাম অচিৰে হাতত লোৱা প্ৰয়োজন।

২। কলেজ কেণ্টিনৰ পৰিসৰ বৃদ্ধি কৰি অধিক ছাত্ৰী বহাৰ সুবিধা কৰি দিব লাগে। কলেজৰ বৰ্তমান ছাত্ৰীৰ সংখ্যা ডেৰ হাজাৰৰো অধিক। এই বৃহৎ সংখ্যক ছাত্ৰীৰ চাহিদা পূৰণ কৰিবলৈ কেণ্টিনৰ পৰিসৰ বৃদ্ধি কৰাটো নিতান্ত আৱশ্যক।

৩। খেলা-ধূলাৰ সামগ্ৰীসমূহ ছাত্ৰীয়ে যাতে নিয়মীয়া ভাবে লাভ কৰে তাৰ ব্যৱস্থা কৰিব লাগে।

৪। লাইব্ৰেৰীত যাতে নতুন লিখকসকলৰ কিতাপসমূহৰ যোগান ধৰা হয় আৰু অধ্যয়নকোঠা

খোলাৰ ব্যৱস্থা নিয়মীয়া হয় তাৰ প্ৰতি লক্ষ্য ৰখা প্ৰয়োজন।

কৃতজ্ঞতা জ্ঞাপন ঃ— সাধাৰণ সম্পাদিকা হিচাপে মোৰ কাৰ্য্যকালত এই বিভিন্ন কাৰ্য্যসূচী সমাপন কৰাত সজ পৰামৰ্শ ও সহযোগিতাৰে যি সকলে কৃতাৰ্থ কৰিলে তেখেত সকললৈ মোৰ আন্তৰিক কৃতজ্ঞতা জনালো। বিশেষৰূপে মাননীয় অধ্যক্ষ মহোদয়লৈ তেখেতৰ দিহা-পৰামৰ্শৰ বাবে কৃতজ্ঞতা জ্ঞাপন কৰিছো। লগতে শ্ৰীযুত বুধীন মিশ্ৰ, শ্ৰীযুত এচ আহমেদ চাৰ, ৰীতা বাইদেউ আৰু অফিচৰ কৰ্মচাৰী শ্ৰীযুত বড়া চাৰ আৰু গীতাঞ্জলী বাইদেউলৈ মোৰ আন্তৰিক কৃতজ্ঞতা থাকিল। ইয়াৰ বাহিৰেও মোৰ ছাত্ৰী বান্ধৱী আৰু চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰীসকললৈ মোৰ কৃতজ্ঞতা যাচিলো।

শেষত আমাৰ এই মহাবিদ্যালয়খনি যাতে এখন আগশাৰীৰ মহাবিদ্যালয় ৰূপে সদায় জিলিকি থাকিব পাৰে, তাৰবাবে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনাওঁ। এই মহাবিদ্যালয়লৈ অহা ছাত্ৰীসকলে প্ৰকৃত শিক্ষাৰে নিজকে গঢ় দি আমৰ মাজতো জ্ঞানৰ পোহৰ বিলাবলৈ সক্ষম হয় তেনে কামনা কৰিলো। সদৌ শেষত পুনৰ সকলোলৈকে মোৰ আন্তৰিক ধন্যবাদ ও শুভেচ্ছা থাকিল।

॥ জয় শিৱসাগৰ ছোৱালী কলেজ ॥

শ্ৰীৰেবী মজুমদাৰ
সাধাৰণ সম্পাদিকা
শিৱসাগৰ ছোৱালী কলেজ ছাত্ৰী একতা সভা

# সহঃ সাধাৰণ সম্পাদিকাৰ প্ৰতিবেদন

প্ৰতিবেদনৰ আৰম্ভণিতে শিৱসাগৰ ছোৱালী মহাবিদ্যালয়ৰ সমূহ ছাত্ৰী বান্ধৱী তথা শিক্ষাগুৰু আৰু কৰ্মচাৰী সকলোটিলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছো। ঐতিহাসিক দ'ল-দেৱালয়ে আগুৰি ৰখা এই মহাবিদ্যালয়খনি শিৱসাগৰ জিলাৰ ভিতৰত এখনি উন্নত মান দণ্ডৰ শিক্ষানুষ্ঠান। এনে এটা শিক্ষানুষ্ঠানত সহঃ সাধাৰণ সম্পাদিকা দৰে গুৰু দায়িত্ব ভাৰ লবৰ বাবে ১৯৯২-৯৩ চনৰ ছাত্ৰী একতা সভালৈ গণতান্ত্ৰিক বিবেচনাৰে সেৱা কৰিবলৈ

সুযোগ দিয়াৰ লগতে যি উৎসাহ-উদ্দীপনা তথা সহায় সহযোগ আগবঢ়ালে তাৰ বাবে সেই সকলো ছাত্ৰী-বান্ধৱীলৈ মোৰ আন্তৰিক শলাগৰ শৰাই যাচিলো।

ছাত্ৰী বান্ধৱীসকলে তেওঁলোকৰ অভাৱ অভিযোগসমূহৰ বিষয়ে অনুভৱ কৰিব পাৰিছে আৰু ছাত্ৰী একতা সভাই ইয়াৰ প্ৰতি দৃষ্টিগোচৰ কৰিব বিচাৰে তেওঁলোকৰ প্ৰতিবেদনৰ যোগেদি। আশা ৰাখিছো এই ক্ষেত্ৰত কলেজ কৰ্তৃপক্ষই ভৱিষ্যতে ইয়াৰ যথোচিত ব্যৱস্থা গ্ৰহণ কৰিব। লগতে ইয়াৰ সমাধানৰ বাবে পৰৱৰ্তী ছাত্ৰী একতা সভাই চেষ্টা কৰিব বুলি অনুৰোধ জনালো।

**শোক সভা:**—আমাৰ মহাবিদ্যালয়ৰ উচ্চ-বৰ্গৰ সহায়ক, এগৰাকী নিষ্ঠাবান কৰ্মচাৰী ৺নবীন হাজৰিকা দেৱৰ মৃত্যুক শ্ৰদ্ধাৰে সোঁৱৰিছো। তেখেতৰ পূণ্য আত্মাৰ চিৰশান্তিৰ কাৰণে প্ৰাৰ্থনা জনাওঁ আৰু শোক-সন্তপ্ত পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰিছো।

শেষত নিজাববীয়া দু-আষাৰ কোৱা প্ৰয়োজনীয়তা অনুভৱ কৰিছো। মোৰ কাৰ্য্যকালত কিমান দূৰ আগবাঢ়িলো তাৰ বিচাৰ আপোনালোকৰ হাতত। এনে গুৰু ভাৰ বহন কৰোঁতে ছাত্ৰী বান্ধবীসকলে যি সহায় সহযোগিতা আগবঢ়ালে তাৰ বাবে সদৌটিলৈ মোৰ কৃতজ্ঞতা থাকিল। মোৰ এই কালছোৱাত মই যদি জ্ঞাতে বা অজ্ঞাতে কিবা দোষ কৰিছিলো তাৰ বাবে ক্ষমা বিচাৰিছো। এই সুযোগতে কাৰ্য্যকালৰ সকলো সময়তে সহায় সহযোগিতা পোৱা বান্ধৱী অপৰাজিতা দুৱৰা, মালৱিকা ফুকন, জুনুমণি দত্ত, ৰূপা হাজৰিকা, দীপশিখা নাথ আৰু ৰুমি চেতিয়া; তদুপৰি মাননীয় অধ্যাপক-অধ্যাপিকা সকলেও ভিন্ন সময়ত ভিন্ন ধৰণে সহায় আৰু পৰামৰ্শ দি সহায় কৰিলে—সদৌটিলৈ মোৰ কৃতজ্ঞতা থাকিল।

শেষত মহাবিদ্যালয়ৰ সৰ্ব্বাঙ্গীন উন্নতি কামনা কৰি মোৰ কাৰ্য্যাৱলীৰ প্ৰতিবেদনৰ সামৰণি মাৰিলো। নমস্কাৰ।

শ্ৰীমীৰা কোঁৱৰ
সহঃ সাধাৰণ সম্পাদিকা।

# ক্ৰীড়া বিভাগৰ সম্পাদিকাৰ প্ৰতিবেদন

শিৱসাগৰ ছোৱালী কলেজৰ ছাত্ৰী একতা সভাৰ ১৯৯২-৯৩ চনৰ খেল বিভাগৰ সম্পাদিকা হিচাবে নিৰ্বাচিত কৰাৰ বাবে প্ৰতিবেদনৰ আৰম্ভণিতে মহাবিদ্যালয়ৰ সকলো

## ॥ ছাত্ৰী একতা সভাৰ বিষয়ববীয়াসকল ॥



বেবী মজুমদাৰ
সাধাৰণ সম্পাদিকা



মীৰা কোঁৱৰ
সহঃ সাধাৰণ সম্পাদিকা



আলেয়া আহমেদ
সম্পাদিকা, কলেজ আলোচনী



মনীষা শইকীয়া
সম্পাদিকা, ক্ৰীড়া বিভাগ



সীমা সন্দিকৈ
সহঃ সম্পাদিকা, ক্ৰীড়া বিভাগ

## ॥ ছাত্ৰী একতা সভাৰ বিষয়ববীয়াসকল "



নাজমা বেগম
সম্পাদিকা, তৰ্ক আৰু আকস্মিক ৰক্তৃতা বিভাগ



জ্যোতি গগৈ
সম্পাদিকা, সাংস্কৃতিক বিভাগ



কল্পনা হাজৰিকা
সম্পাদিকা, সঙ্গীত বিভাগ



তাজমিন আৰা হুছেইন
সম্পাদিকা, সমাজ সেৱা বিভাগ



হীৰামণি গগৈ
সম্পাদিকা, ছাত্ৰী জিৰণি কোঠা

# প্ৰতিভাৰ সাক্ষৰ



সোণাৰিত অনুষ্ঠিত আন্তঃ মহাবিদ্যালয়
তৰ্ক প্ৰতিযোগিতাৰ শ্ৰেষ্ঠ তাৰ্কিক
আৰু
১৯৯২-৯৩ বৰ্ষৰ মহাবিদ্যালয়ৰ শ্ৰেষ্ঠ তাৰ্কিক
শ্ৰীমতী ইমানু শ্বাহ

উল্লেখযোগ্য যে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ
আন্তঃমহাবিদ্যালয়' '৯২-৯৩ টেবুল টেনিচ
প্ৰতিযোগিতাত শ্ৰীমতী শ্বাহে
চৈয়দা শ্বাহিন চিষ্টিৰ সৈতে
ৰানাৰ্চ-আপ ট্ৰফী লাভ কৰিছিল ।



অনিন্দিতা বৰুৱা
শ্ৰেষ্ঠা সাহিত্য প্ৰতিযোগী



অৰ্চনা শৰ্ম্মা
শ্ৰেষ্ঠা গায়িকা

## প্ৰতিভাৰ সাক্ষৰ



ৰঞ্জিতা বৰা
শ্ৰেষ্ঠা অভিনেত্ৰী



নৱনীতা ফুকন
২য় শ্ৰেষ্ঠা অভিনেত্ৰী



বৰ্ণালী শইকীয়া
বিহু কুঁৱৰী



মনজ্যোতি নেওগ
শ্ৰেষ্ঠা একক অভিনেত্ৰী

ছাত্রীলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলো। খেল বিভাগৰ গুৰু দায়িত্ব বহন কৰি কিমানখিনি সফলতা অৰ্জন কৰিলো সেয়া আপোনালোকৰ বিচাৰ্য্য।

খেল বিভাগৰ দায়িত্ব গ্ৰহণ কৰাৰ পাছতে জানুৱাৰী মাহৰ ৪ তাৰিখৰ পৰা ৯ তাৰিখলৈ ৬ দিনীয়া কাৰ্য্যসূচীৰে মহাবিদ্যালয় সপ্তাহ পালন কৰা হ'ল। অতি দুখৰ কথা যে আমাৰ মহাবিদ্যালয়ৰ নিজাকৈ এখন খেল পথাৰ নাই। গতিকে বিভিন্ন অসুবিধাৰ মাজেদি খেলসমূহ অনুষ্ঠিত কৰিবলগীয়া হ'ল। ৪ জানুৱাৰীত আমাৰ মহাবিদ্যালয়ৰ উপাধ্যক্ষ শ্ৰীযুত বীৰেন তালুকদাৰদেৱে কলেজ সপ্তাহৰ ক্ৰীড়া প্ৰতিযোগিতাখনি উদ্বোধন কৰাৰ কথা আছিল। কিন্তু প্ৰবল বৰষুণৰ বাবে উদ্বোধনী অনুষ্ঠান অনুষ্ঠিত কৰিব পৰা নহ'ল। ৫ আৰু ৬ জানুৱাৰী তাৰিখে বিভিন্ন ক্ৰীড়া প্ৰতিযোগিতাসমূহ শিৱসাগৰ বৰ্ডিং খেল পথাৰত অনুষ্ঠিত কৰা হ'ল। ক্ৰীড়া প্ৰতিযোগিতাত প্ৰতিযোগীৰ সংখ্যা আশানুৰূপ নহ'ল। তথাপি যিসকল প্ৰতিযোগীয়ে অংশ গ্ৰহণ কৰিছিল তেওঁলোকে যথেষ্ট পাৰদৰ্শিতা দেখুৱাইছিল। প্ৰতিযোগিতাৰ বিভিন্ন বিভাগত আমাৰ কেইবাগৰাকীও প্ৰতিভাৱান খেলুৱৈ চকুত পৰিছিল। উপযুক্ত সা-সুবিধা আৰু পৰিবেশ পালে তেওঁলোকে ক্ৰীড়াঙ্গনত যথেষ্ট সুনাম অৰ্জন কৰিব পাৰিব। ১৯৯২-৯৩ চনৰ শ্ৰেষ্ঠ দৌৰ প্ৰতিযোগী ৰূপে শ্ৰীমতী বন্তী ভৰালী নিৰ্বাচিত হয়।

কাৰ্য্যকালৰ সময়ছোৱাত ক্ৰীড়া প্ৰতিযোগিতাখনি সুচাৰুৰূপে চলোৱাত সকলো প্ৰকাৰে দিহা-পৰামৰ্শ আগবঢ়োৱাৰ বাবে বিভাগীয় উপদেষ্টা শ্ৰীযুত ফণীন্দ্ৰ মাউত ছাৰলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলো। মোক সকলো সময়তে সহায়-সহযোগ আগবঢ়োৱাৰ বাবে শ্ৰীযুত বিমল দত্ত ছাৰলৈও কৃতজ্ঞতা জ্ঞাপন কৰিলো। ক্ৰীড়া বিভাগৰ সহকাৰী সম্পাদিকা শ্ৰীমতী সীমা সন্দিকৈয়ে সকলো সময়তে আগবঢ়োৱা সহায় সহযোগিতাৰ বাবে মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলো। কলেজ সপ্তাহকে আদি কৰি মোৰ কাৰ্য্যকালত বিভিন্ন সময়ত সকলো ধৰণৰ সহায় সহযোগিতা আগবঢ়োৱাৰ বাবে মৰমৰ বান্ধৱীসকললৈ মোৰ আন্তৰিক কৃতজ্ঞতা থাকিল।

শেষত, আমাৰ মহাবিদ্যালয়ৰ সৰ্বাঙ্গীন উন্নতি কামনা কৰি আৰু কাৰ্য্যকালত যদি কেতিয়াবা মোৰ অজ্ঞাত ভাবে কিবা ভুল হৈছিল তাৰ বাবে ক্ষমা বিচাৰি প্ৰতিবেদনৰ সামৰণি মাৰিলো।

শ্ৰীমনিষা শইকীয়া।
সম্পাদিকা—ক্ৰীড়া বিভাগ।

# সহকাৰী ক্ৰীড়া সম্পাদিকাৰ প্ৰতিবেদন

বৰ্ত্তমান কালৰ মানৱ জাতিৰ উৰ্দ্ধমুখিতাৰ পথত দেশ তথা জাতি-সত্বাৰ পৰিচয় প্ৰদানৰ ক্ষেত্ৰত ঐক্য, শান্তি প্ৰগতিৰ বাহক সদৃশ তথা মানৱ জাতিৰ অঙ্গাঙ্গী ক্ৰীড়া আমাৰ প্ৰত্যেকৰে বাবে আপোন। এই ক্ৰীড়াই আমাৰ মনলৈ, দেশলৈ, জাতিৰ বাবে কঢ়িয়াই আনে অনবদ্য গৌৰৱ, আনন্দ। এনে এক মহীয়ান ক্ৰীড়াৰ বাবে শিৱসাগৰ ছোৱালী মহা-বিদ্যালয়ৰ ছাত্ৰী একতা সভাৰ ক্ৰীড়া বিভাগৰ সহকাৰী সম্পাদিকা হিচাপে আত্মনিয়োগ কৰিবলৈ সুবিধা দিয়াত মহাবিদ্যালয়ৰ ছাত্ৰী বান্ধৱীসকললৈ মোৰ কৃতজ্ঞতা নিবেদিছোঁ। এই আপাহতে মহাবিদ্যালয়ৰ মাননীয় অধ্যক্ষ মহোদয়, ছাত্ৰী একতা সভাৰ উপদেষ্টামণ্ডলী, কৰ্মচাৰীবৃন্দ আৰু সহযোগী প্ৰতি গৰাকীৰ ওচৰত শ্ৰদ্ধাৰে কৃতজ্ঞতাৰ শৰাই অৰ্পিছোঁ।

অনিচ্ছাকৃত সকলো ভুলক্ৰুটিৰ বাবে সদৌটিবে ওচৰত ক্ষমা প্ৰাৰ্থনাৰে—

শ্ৰীসীমা সন্দিকৈ

সহঃ সম্পাদিকা ক্ৰীড়া বিভাগ

# সমাজ সেৱা বিভাগৰ সম্পাদিকাৰ প্ৰতিবেদন

১৯৯২-৯৩ চনৰ এটি শুভক্ষণত ছাত্ৰী একতা সভাৰ সমাজ সেৱা বিভাগৰ সম্পাদিকা ৰূপে সেৱা আগবঢ়াবলৈ সুবিধাকণ দিয়াৰ বাবে মই শিৱসাগৰ ছোৱালী কলেজৰ সমূহ ছাত্ৰীলৈ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছোঁ। সম্পাদকীয় প্ৰতিবেদনতে শিৱসাগৰ ছোৱালী মহাবিদ্যালয়ৰ কৰ্মচাৰী প্ৰয়াত শ্ৰীৱবিন হাজৰিকাদেৱৰ স্বৰ্গগত আত্মাৰ চিৰশান্তি কামনা কৰিছো।

মহাবিদ্যালয়ৰ নিৰ্বাচনৰ অন্তত সম্পাদিকা পদৰ দায়িত্বভাৰ লোৱাৰ সময়ত মহাবিদ্যালয়-খনিৰ বাবে কিছুমান কাম কৰাৰ আশা পুহি ৰাখিছিলো যদিও কাৰ্য্যক্ষেত্ৰত এই গোটেইখিনি কাম কৰিব নোৱাৰিলো। তাৰ বাবে দোষ মাৰ্জনা কৰে যেন। কাৰ্য্যভাৰ গ্ৰহণ কৰাৰ পিছতে বাৰ্ষিক কলেজ সভা অনুষ্ঠিত কৰিব লগা হয়। সেই কেইদিনত মোক কলেজখনৰ চৌহদ

চাফ-চিকুণ কৰাৰ ক্ষেত্ৰত সকলো ছাত্ৰীয়ে কম বেছি পৰিমাণে সহায় আগবঢ়াইছিল। এই ক্ষেত্ৰত পাৰদৰ্শিতা দেখুৱাৰ বাবে কেইগৰাকীমান ছাত্ৰীক পুৰস্কৃত কৰা হৈছিল। সেই কেইগৰাকী হ'ল শ্ৰীমীনাক্ষী নেওঁগ, শ্ৰীঅৰ্পনা শইকীয়া, শ্ৰীমনজ্যোতি নেওঁগ, শ্ৰীকৃপাঞ্জলী দত্ত আৰু শ্ৰীৰূপা হাজৰিকা।

সৰ্বো শেষত মোৰ কাৰ্য্যকালৰ সময়ছোৱাত বিশেষভাৱে সহায় কৰা বিভাগীয় উপদেষ্টা অধ্যাপিকা শ্ৰীযুতা মুকুতা দাস বৰকাকতী বাইদেউ প্ৰমুখ্যে শ্ৰদ্ধেয় চাৰ-বাইদেউসকলৰ উৎসাহ আৰু সহযোগিতাৰ বাবে তেওঁলোকৰ ওচৰত চিৰদিন ঋণী অনুভৱ কৰিম। অৱশ্যে দায়িত্ব পালন কৰাত কিমান দূৰ কৃতকাৰ্য্য হব পাৰিলো সেয়া আপোনালোকৰ বিচাৰলৈ থৈ জ্ঞাতে বা অজ্ঞাতে হ'ব পৰা সকলো দোষ ক্ৰুটিৰ বাবে ক্ষমা প্ৰাৰ্থনাৰে প্ৰতিবেদনৰ সামৰণি মাৰিলো।

মিছ তাজমিন আৰা হুছেইন।
সম্পাদিকা, সমাজ সেৱা বিভাগ।

# সাংস্কৃতিক শাখাৰ সম্পাদিকাৰ প্ৰতিবেদন

জয়জয়তে শিৱসাগৰ ছোৱালী মহাবিদ্যালয়ৰ সমূহ ছাত্ৰী বান্ধৱীয়ে ১৯৯২-৯৩ চনৰ মহাবিদ্যালয়ৰ নিৰ্ব্বাচনত ছাত্ৰী একতা সভাৰ সাংস্কৃতিক বিভাগৰ সম্পাদিকা হিচাপে মোক নিৰ্বাচিত কৰাৰ বাবে তেওঁলোক সকলোলৈকে মোৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছো।

বিগত বছৰটোত কাৰ্য্যভাৰ হাতত লৈ ছাত্ৰীসকলক কিমান দূৰ উপকৃত কৰিব পাৰিলো সেইটো আপোনালোকৰ বিচাৰ্য্য।

মহাবিদ্যালয়ৰ কলেজ সপ্তাহতেই মোৰ কাৰ্য্যকালৰ পাতনি মেলো। বাৰ্ষিক কলেজ সপ্তাহত এই বিভাগৰ দ্বাৰা সাহিত্যৰ প্ৰতিযোগিতা ( নাটকৰ পাণ্ডুলিপি, কবিতা, গল্প, ৰম্য ৰচনা ), একাঙ্কিকা নাট, বিহু নৃত্য, আধুনিক নৃত্য, হুচঁৰি, একক অভিনয়, কইনা সজ্জা, কেশ-সজ্জা আদি প্ৰতিযোগিতা সমূহ অনুষ্ঠিত কৰা হয়।

এই বিভাগৰ দ্বাৰা কলেজত শ্ৰীশ্ৰীসৰস্বতী পূজা অনুষ্ঠিত কৰা হয়। এই উৎসৱটি কলেজৰ মাননীয় শিক্ষাগুৰু সকল, কৰ্মচাৰী বৃন্দ আৰু ছাত্ৰী বান্ধৱী সকলৰ সহায় সহযোগত সুকলমে সমাপন কৰা হয়।

কৃতজ্ঞতা স্বীকাৰ ঃ

প্ৰতিযোগিতাৰ বিচাৰক মণ্ডলী ঃ— বিভিন্ন প্ৰতিযোগিতাত বিচাৰকৰ আসন গ্ৰহণ কৰি আমাক উৎসাহিত আৰু সহায় কৰাৰ বাবে মই বিচাৰক মণ্ডলীৰ ওচৰত চিৰ কৃতজ্ঞ।

মাননীয় শিক্ষাগুৰুসকল ঃ— বিগত বছৰটোত কাৰ্য্যভাৰ চলাই নিয়াত বিভিন্ন দিশত দিহা পৰামৰ্শ, সহায়সহযোগ, উপদেশ আগবঢ়োৱাৰ বাবে বিভাগীয় উপদেষ্টা অধ্যাপিকা শ্ৰীযুতা অনু শৰ্ম্মাৰ লগতে অধ্যক্ষ মঃ হাফিজুৰ ৰহমান, শ্ৰীযুত দ্ৰোণ কলিতা, শ্ৰীযুত ভাস্কৰ দত্ত, শ্ৰীবুধিন মিশ্ৰ, শ্ৰীযুত জিতেন বৰদলৈ আৰু শ্ৰীযুতা যমুনা বৰগোঁহাই প্ৰমুখ্যে শিক্ষাগুৰু সকললৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছো।

কলেজ কৰ্মচাৰীবৃন্দ ঃ— কলেজ সপ্তাহত সাংস্কৃতিক বিভাগৰ বিভিন্ন প্ৰতিযোগিতাত মাইকৰ তদাৰকৰ বাবে শ্ৰীদেৱ শইকীয়ালৈ আন্তৰিক শুভেচ্ছা থাকিল। মঞ্চ আদি বহুতো কামত সহায় সহযোগ কৰাৰ বাবে সমূহ কৰ্মচাৰী লৈ মোৰ আন্তৰিক শুভেচ্ছা থাকিল।

শেষত সকলো অনুষ্ঠানতে উপস্থিত থাকি বিভিন্ন কাম কাজত সহায় কৰাৰ বাবে ছাত্ৰী একতা সভাৰ সম্পাদিকাসকলৰ ওচৰত মই চিৰ কৃতজ্ঞ।

সৰ্দো শেষত শিৱসাগৰ ছোৱালী মহাবিদ্যালয়ৰ সৰ্বাংগীন উন্নতি কামনা কৰি মোৰ এই ক্ষুদ্ৰ প্ৰতিবেদনৰ সামৰণি মাৰিলো।

জয়তু শিৱসাগৰ ছোৱালী মহাবিদ্যালয়।

শ্ৰীমতী জ্যোতি গগৈ।
সম্পাদিকা, সাংস্কৃতিক বিভাগ

## সঙ্গীত বিভাগৰ সম্পাদিকাৰ প্ৰতিবেদন

জয় জয়তে সমূহ শিক্ষক-শিক্ষয়ত্ৰী আৰু ছাত্ৰী বান্ধৱীসকললৈ এই সুযোগতে শ্ৰদ্ধা জ্ঞাপন কৰিলো। কলেজৰ সঙ্গীত বিভাগৰ সম্পাদিকা হিচাপে বছৰটোৰ কাৰ্য্যভাৰ অন্ত পৰিল, কিন্তু কাৰ্য্যভাৰ কিমান দূৰ আগবঢ়াই নিব পাৰিলো সেইয়া মোৰ অজ্ঞাত।

সঙ্গীত বিভাগৰ সম্পাদিকা হিচাপে মোৰ কাৰ্য্যকালত কলেজৰ বাৰ্ষিক সপ্তাহত পূৰ্ব্বৰ পৰা চলি অহাৰ দৰে এই বছৰো বিভিন্ন প্ৰতিযোগিতা পতা হৈছিল। ইয়াৰ ভিতৰত বৰগীত, লোকগীত, ভজন, গজল, খেয়াল, বনগীত, আধুনিক গীত, জ্যোতিসঙ্গীত, ৰাভা সঙ্গীত, ভূপেন্দ্ৰ সঙ্গীত, জয়ন্ত সঙ্গীত, ইত্যাদিৰ প্ৰতিযোগিতা পতা হৈছিল। কিন্তু প্ৰতিযোগীৰ সংখ্যা

সিমান সন্তোষজনক নহয়। এইবাৰ কলেজৰ বাৰ্ষিক সপ্তাহত শ্ৰেষ্ঠ গায়িকাৰ সন্মান লাভ কৰে শ্ৰীমতী অৰ্চ্ছনা শৰ্মাই।

এই কলেজ সপ্তাহৰ বিভিন্ন প্ৰতিযোগিতাসমূহ নিয়াৰিকৈ চলাই যোৱাত সঙ্গীত বিভাগৰ উপদেষ্টা তথা কলেজৰ শিক্ষক শ্ৰদ্ধেয় শ্ৰীযুত বুধিন মিশ্ৰ চাৰলৈ মোৰ অশেষ ধন্যবাদ থাকিল। লগতে সঙ্গীত বিভাগৰ সহকাৰী সম্পাদিকা শ্ৰীমতী মিতালী গগৈলৈও মোৰ শলাগৰ শৰাই আগবঢ়ালো।

মোক বিভিন্ন কামত সহায় কৰাৰ বাবে মোৰ বান্ধৱী কামনা, ৰীতা, মন্তি, নিৰু, কৃপাঞ্জলী, বিন্দুলৈ অশেষ ধন্যবাদ তথা মৰম থাকিল।

শেষত সঙ্গীত বিভাগৰ সৰ্বাঙ্গীন উন্নতি কামনা কৰি —

শ্ৰদ্ধাৰে

শ্ৰীকল্পনা হাজৰিকা

সম্পাদিকা, সঙ্গীত বিভাগ।

# ॥ ছাত্ৰী জিৰণী কোঠাৰ সম্পাদিকাৰ প্ৰতিবেদন ॥

১৯৯২-৯৩ ৰ বিগত বছৰটিত শিৱসাগৰ ছোৱালী মহাবিদ্যালয়ৰ ছাত্ৰী একতা সভাৰ সম্পাদিকা হিচাপে দায়িত্ব ভাৰ লবলৈ যিসকল ছাত্ৰী বান্ধৱীয়ে মোক উৎসাহ উদ্দীপনা যোগালে সেই সকলৰ ওচৰত মই চিৰকৃতজ্ঞ। ছাত্ৰী একতা সভাৰ এই বিভাগৰ দায়িত্ব ভাৰ গ্ৰহণ কৰি কিমান দূৰ সেই দায়িত্ব পালন কৰিব পাৰিছিলো সেইয়া আপোনালোকৰ বিচাৰ্য্য বিষয়। মোৰ কাৰ্য্যকালত প্ৰতিটো ক্ষেত্ৰতে মোক দিহা পৰামৰ্শ দি সহায় কৰা বিভাগীয় উপদেষ্টা শ্ৰীযুতা তৃপ্তি মল্লিকা বাইদেউ তথা ৰীতা বাইদেউ, অজন্তা বাইদেউ, দীপজ্যোনালী বাইদেউ, নাজৰিণ বাইদেউৰ ওচৰত মই বিশেষভাবে কৃতজ্ঞ। ইয়াৰোপৰি মোক বিভিন্ন দিশত সহায় কৰা বান্ধৱীসকলৰ কথাও শ্ৰদ্ধাৰে সুঁৱৰিছো।

আমাৰ কাৰ্য্যকালত ৪ জানুৱাৰীৰ পৰা ৯ জানুৱাৰীলৈকে 'কলেজ সপ্তাহ' অনুষ্ঠিত কৰা হৈছিল। মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰতিভা বিকাশৰ একমাত্ৰ স্থল হ'ল 'কলেজ সপ্তাহ' কিয়নো বিভিন্ন প্ৰতিভাসম্পন্না ছাত্ৰীসকলৰ পৰিচয় পোৱা যায় কলেজ সপ্তাহতে। জিৰণী কোঠাৰ অন্তৰ্গত আন্তঃক্ৰীড়াসমূহ আছিল—ডবা, কেৰম, চাইনিজ চেকাৰ, বেডমিন্টন, টেবুল টেনিচ, পুষ্পসজ্জা, পুডিং আৰু অলাগতীয়াল বস্তুৰে তৈয়াৰ কৰা গৃহসজ্জাৰ সামগ্ৰী প্ৰতিযোগিতা।

কিন্তু ডবা, বেডমিন্টন আৰু টেবুলটেনিচ ফিল্ড আৰু সামগ্ৰীৰ অভাৱৰ বাবে এইবাৰ অনুষ্ঠিত কৰিব পৰা নগ'ল। কলেজখনৰ ছাত্ৰীৰ তুলনাত এইবাৰ খুব কম প্ৰতিযোগীকহে অংশ গ্ৰহণ কৰা দেখা গৈছিল। তুহেজাৰ ছোৱালীৰ ভিতৰত ইমান কাম প্ৰতিযোগীয়ে প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰাটো পৰিতাপৰ বিষয়। কিয়নো কম প্ৰতিযোগী হলে বিচাৰকসকলৰ ফলাফল নিৰ্ণয়ত অসুবিধা হয়।

ছাত্ৰী জিৰণী কোঠাৰ সম্পাদিকা হোৱাৰ পাছত কিমান অভাৱ অনুভৱ কৰিছিলো সেইটো সকলোৰে জ্ঞাত। বিশেষকৈ খেলা-ধূলাৰ বাবে যিখিনি সা-সুবিধা আৰু সামগ্ৰীৰ প্ৰয়োজন, সেইখিনি কলেজখনে পূৰণ কৰিব পৰা নাই। বিশেষকৈ টেবুল টেনিচ নাই। এই সুযোগতে কলেজ কৰ্তৃপক্ষক অতি সোনকালে এখন টেবুল টেনিচ বোৰ্ড আনি দিবলৈ অনুৰোধ জনাইছো। লগতে জনাও যে ছাত্ৰীসকলক এটি আহল-বহল জিৰণী কোঠাৰ প্ৰয়োজন। জিৰণী কোঠাতে খেলৰ সামগ্ৰীসমূহ থ'ব লাগে যাতে ছাত্ৰীসকলে জিবণিৰ সময়ত অনুশীলন কৰিব পাৰে। খেলৰ সামগ্ৰীসমূহ থবৰ বাবে এটি আলমিৰাৰ দৰকাৰ। তেতিয়াহে ছাত্ৰীসকলৰ মাজৰ পৰা একোগৰাকী সুদক্ষ খেলুৱে ওলাব। এই অভাৱসমূহ ছাত্ৰীৰ স্বাৰ্থতে সোনকালে পূৰণ কৰাটো দৰকাৰ।

সদৌ শেষত সকলোলৈকে মোৰ আন্তৰিক শুভেচ্ছা জনাইছো আৰু অজানিতে হৈ যোৱা ভুল ক্ৰুটিৰ বাবে ক্ষমা বিচাৰিছো। মহাবিদ্যালয়ৰ উজ্বল ভৱিষ্যত কামনাৰে মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিছো।

॥ জয়তু শিৱসাগৰ ছোৱালী মহাবিদ্যালয় ॥

ইতি

শ্ৰীহীৰামণি গগৈ
সম্পাদিকা, ছাত্ৰী জিৰণী কোঠা

# তৰ্ক আৰু আকস্মিক বক্তৃতা বিভাগৰ সম্পাদিকাৰ প্ৰতিবেদন

জয়জয়তে শিৱসাগৰ ছোৱালী মহাবিদ্যালয়ৰ যিসকল স্নেহৰ বাইদেউ, বান্ধৱী তথা ভন্টীয়ে অকুণ্ঠ সহায় সহযোগিতা আগবঢ়াই ১৯৯২-৯৩ চনৰ মহাবিদ্যালয়ৰ ছাত্ৰী একতা সভালৈ তৰ্ক আৰু আকস্মিক বক্তৃতা বিভাগৰ সম্পাদিকা হিচাপে মোক নিৰ্বাচিত কৰিলে

সেই সকলোলৈকে অশেষ ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছো।

মোৰ এই কাৰ্য্যকালৰ ভিতৰত পোন প্ৰথমে ১৯৯৩ চনৰ জানুৱাৰী মাহৰ ৪ (চাৰি) তাৰিখৰ পৰা মহাবিদ্যালয়ৰ বাৰ্ষিক কলেজ সপ্তাহ অনুষ্ঠিত হয়। উক্ত সপ্তাহত এখনি তৰ্ক প্ৰতিযোগিতা, কুইজ আৰু আকস্মিক বক্তৃতা প্ৰতিযোগিতা সুকলমে অনুষ্ঠিত হৈ যায়। পুনৰ ১০/১/৯৩ তাৰিখ দেওবাৰে সদৌ অসম ভিত্তিত শিৱসাগৰৰ সামাজিক অনুষ্ঠান উজ্জ্বলতা সংঘৰ সৌজন্যত আমাৰ মহাবিদ্যালয় প্ৰাঙ্গণত এখনি কুইজ প্ৰতিযোগিতাৰ আয়োজন কৰা হয়। উক্ত প্ৰতিযোগিতাত আমাৰ কলেজৰ এটি তিনিজনীয়া দলে যোগদান কৰে। ইয়াৰ উপৰিও কলেজৰ পৰম্পাৰগত বিভিন্ন অনুষ্ঠান যেনে সৰস্বতী পূজা, নৱাগতা আদৰণী উছৱ, সাধাৰণ সভা, আছুৰ বিভিন্ন কাৰ্য্যসূচী আদিতো এই বিভাগৰ তৰফে সক্ৰিয় ভাৱে সহায় সহযোগিতা আগবঢ়োৱা হয়।

মোৰ কাৰ্য্যকালত তৰ্ক আৰু আকস্মিক বক্তৃতা বিভাগৰ উপদেষ্টা হিচাপে থকা মোৰ শ্ৰদ্ধাৰ বীতা বৰকটকী বাইদেউৱে প্ৰতিটো পদক্ষেপতে মোক উৎসাহ-উদ্দীপনা যোগোৱাৰ উপৰিও সহায় সহযোগিতাৰে মোক যথেষ্ট পৰিমাণে সাহস যোগাইছিল। সেয়েহে বাইদেউলৈ এই প্ৰতিবেদনৰ যোগে অশেষ শ্ৰদ্ধা ও কৃতজ্ঞতা জ্ঞাপন কৰিছো।

শেষত শিৱসাগৰ ছোৱালী মহাবিদ্যালয়ৰ সৰ্বতো প্ৰকাৰ উন্নতি কামনা কৰি শিক্ষাগুৰু সমন্বিতে সমূহ ছাত্ৰী তথা তৃতীয় আৰু চতুৰ্থ শ্ৰেণী কৰ্মচাৰীবৃন্দলৈ শ্ৰদ্ধা, স্নেহ আৰু আন্তৰিক ধন্যবাদ জনাই মোৰ চমু প্ৰতিবেদন সামৰিছোঁ।

জয়তু শিৱসাগৰ ছোৱালী কলেজ ছাত্ৰী একতা সভা।

মিচ্ নাজ্মা বেগম
সম্পাদিকা, তৰ্ক আৰু আকস্মিক বক্তৃতা বিভাগ



# SIBSAGAR GIRLS' COLLEGE
# MAGAZINE
## 1992-93

## English Section

**Content** Page :


| | | | |
|---|---|---|---|
| . Non-Violent Terrorism | : | Prof. S. P. Sanyal | —1 |
| . Synthesis of Discipline, Duty & Devotion | : | Dr. M. N Borgohain | — 5 |
| . Chemistry : A Science For All | : | Prof. (Mrs) M. Begum | —9 |
| . Personality Development | : | Prof. S. Barua | —12 |
| . Flapdoodle | : | Farnaz Ahmed | —17 |
| . A Desire of A Soul | : | Rimi Phukon | —18 |
| . Language : Its Nature and Importance | : | Prof. A. Hamid | —19 |
| . Results of Annual Competitions | : | | —22 |

# NON-VIOLENT TERRORISM

Prof. Samarpati Sanyal
Deptt. of English

Violence is defined as the quality, character, or state of being violent, either in a physical or a moral sense. Violence is unnatural. Couple of kids sucking the udders of their mother is natural, therefore, not violent. A tornado lifting a bus to a skyey height and then dashing it on the floor of the earth, and smashing it, is also natural. The wrath of the tornado is fed taking toll of a man-made vehicle, and men and women who boarded the ill-fated automobile. Man gets materials for making a vehicle from nature and his virtuosity to assemble them and make it go. Thus, nature destroys nature in order to run the pattern of nature. If we hammer a vertical peg into a horizontal board, we in fact begin the complex scheme of a building which shelters thousands from sun and rain and dews. Hammering looks a violent phenomenon in gesture and sound. By violent means we arrive at a peaceful end.

An indifferent person carrying a big bag containing bundles of currency notes is hit with a bullet by a man who needs that money and does not know how to get it by some laborious way, or does no believe labour potential in him could produce that money. This instance indubitably illustrates a violent way of earning money. Policemen are legitimately after the killer, and probably succeed in catching him. Another law-abiding citizen who has neither fire nor steel in his hands does a strange thing in non-violent way. He happens

to be custodian of huge money, collected from the people by taxing them in their incomes and in their expenditures, by virtue of his education and training. He is a planning officer of the strategic five-year plan. He makes a big hole into the money to buy his comforts in dwelling, in travelling, and in feeding himself. Money in a five-year plan move in a spiral. An amount of money rightly utilized in a planned way may lead to a large production of consumers' goods and statistically prodigious volume of employment. Indeed there are many other subsidiary blessings. Then this non-violent officer in a peaceful manner has robbed not only the present generation, but also the posterity, As nobody is bleeding before us we do not know murder has been committed. But a preposterous gory murder has been perpetrated.

Once the Principal of a college chastised a lecturer for having been late in going to her class. She said she might have been late but she'd do her teaching all right. The Principal wittily said what she would do is God's area to supervise ; his power was bounded with the nutshell of time. He could detect if she had gone to her class at ten or five minutes past ten. In the class room what happened between herself and her pupils is God's business to see. Bacon has said in his essay On Truth : "We are cowards towards men and brave towards God". The obviously violent murderer is brave towards man after all.

Even the celebrated George Orwell reacted adversely against Gandhi's stricture that dying is preferrable to living wrongly. The five-year plan officer is prone to living wrongly, though he has had means of living rightly. Similar infection is found to have Infected also the students. A student has been given time to read Fielding's TOM JONES, But queerly he finds reading the book as filthy as cleansing the Augean Stables. He collects gist and comments from the writings of some honest men who have read the book. He goes on airing in his answer as though he had read it. The examiner marks the answer as first class and passes on this dishonest scholar to spread the contagion of hypocrisy and falsehood among the next generation. Taking one's cue from Gandhi, one could say failing in examination is preferrable to passing it dishonestly. But the dividend of dishonesty being immediate, who'll listen to being honest. A middle-aged man growing gray in his hairs takes to dyeing them dark to look young. To

appear twenty when one is forty ! You cannot stop him from repeating this seeming game unless one tells him with full authority that by looking young he is growing susceptibility to skin cancer, Thus pilferage of plan money, not reading TOM JONES and looking young when one is old, substantiate the opposition to Gandhi's stricture. Beside these non-violent wrong-doers the gunman who looted the bag seems to be as holy as a saffroned saint.

Russell has said somewhere that one turns Bacchic in one's later life if one sacrificed one's natural impulses for the sake of some ideal-fulfilment, Ideals are airpockets deposited as bubbles in the mass of glass shaped into some useful forms. It is an undigested food article in the economy of the body, which may turn morbid if some suitable laxative does not wash it down at proper time. Quit India Movement was an ideal. Anticapitalistic Communist Movement in some places of India was an ideal. Ideals are tradewinds to drive some political ship to the shore. As soon as the bark is ashore nobody cares what happens to the winds. They probably cry forlorn in some solitary uninhabited corner of the earth having use neither for others nor for itself. Congress wave made *them* kings, Communist wave made *them*. The winds the Indian mass are left forlorn. They have only one change. They have grown in numbers, the excess being a numerical phenomenon without any moral and intellectual descent from the older generation. Emotion merely swells one, it has little pushful effect upon the creative aspect of evolution. Indians today exist in various antagonistic feelings. An Indian is either anti-British or anti-Capitalist or anti-Muslim. An average Indian hardly knows what it feels by being one self. He becomes inactive unless he is told to break this or burn that. This is a legacy of his past. This is an achievement of ignorance and senseless mobility. This is a sure passage to annihilation. As some hysteria patient do not keep well without having some issue of quarrel at hand, similarly without some anti-movement an Indian crowd cannot stimulate towards existence.

Terrorism is a substitute for global war. Terrorism like all kinds of revenge originated in emotion. It is not like a tiger's pouncing upon a stag ; nor it is like a fisherman's catching the fish who are playing in the water. Terrorism is also a perverted form of socialism. A mind repelled from spontaneous expression of sympathy and piety behaves like a distorted mirror.

The images of life reflected upon such a worn out mind is disproportionate and shaggy. Those who are strong and upright grow violent and terrorist, Those who are weak and shy become cringing flatterers. One is a physical menace, the other a moral debris. Terrorism visibly destroy while flattery and hypocrisy silently and interiorly. No same person could prefer one to the other. That is how man's passivity originated after checking the great scavenger of civilization, global war, from taking place. It has been as though a high speed automobile has been suddenly stopped by brake without inactivating the machine and the whole complex force dynamics now takes a dismal vertical turn as though it were going to penetrate farther than safe.

